# ASSAM LEGISLATIVE ASSEMBLY DEBATES

सत्यमेव जयते

## OFFICIAL REPORT

NINTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE EIGHTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

VOLUME—I

No. 32

DATED THE 18TH MAY 1989

Price Rs..... ....

# CONTENTS

**BUDGET SESSION**

*Volume-I, No*-32

Dated, the 18th May 1989


| | | Page |
|---|---|---|
| 1. | Questions & Answers | 1 — 40 |
| 2. | Voting on Demands for Grants | —41 |
| 3. | Laying of Reports | —90 |
| 4. | Adjournment | —91 |
| 5. | Annexure 1, II, III | 92—100 |

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

## THURSDAY MAY 18TH, 1989

The House met at Nine of the Clock in the Assembly Chamber, Dispur with Mr. Speaker in the Chair.

## STARRED QUESTIONS & ANSWERS

( To which oral answers were given )

( Starred question No 634 was not called for )

বিষয় : কোকৰাঝাৰ চহৰৰ বিস্তৃত গো উন্নয়ন প্ৰকল্প কাৰ্য্যালয়

শ্ৰীৰত্নেশ্বৰ চৰকাৰে সুধিছে :

* ৬৩৪। মাননীয় পশুপালন আৰু পশুচিকিৎসা বিভাগৰ মন্ত্ৰীমহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) কোকৰাঝাৰ চহৰৰ বিস্তৃত গো-উন্নয়ণ প্ৰকল্প কাৰ্য্যালয়ত ১৯৮৮ চনত মাটি পূৰ কৰা ( Earth filling ) ৰ বাবদ কিমান টকা খৰচ কৰা হৈছে ?

(খ) উক্ত টকা খৰচ কৰাৰ ক্ষতি নিবিদা ( Tender ) আহ্বান কৰা হৈছিল নে ?

(গ) উক্ত কামটো কোন ঠিকাদাৰ ( Contractor ) ৰ হতুৱাই কৰা হৈছিল ?

শ্ৰীদিলীপ শইকীয়া সোনোৱাল ( পশু পালন আৰু পশু চিকিৎসা বিভাগৰ ৰাজ্যিক মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) কোকৰাঝাৰ চহৰৰ বিস্তৃত গো-উন্নয়ণ প্ৰকল্প কাৰ্য্যালয়ত ১৯৮৮ চনত মাটি পুৰ কৰা ( Earth filling ) ৰ বাবদ মুঠ ৪০,৬০০,০০ টকা খৰছ কৰা হয়।

(খ) হয়। নিয়মানুযায়ী নিবিদা আহ্বান কৰা হৈছিল।

(গ) উক্ত কামটো শ্ৰীপি, চি, সিংহী নামৰ ঠিকাদাৰ এজনৰ হতুৱাই কৰোৱা হৈছিল।

বিষয় : চিকিৎসালয়ৰ দন্ত চিকিৎসক।

শ্ৰীদেবেশ্বৰ বৰাই সুধিছে :

* ৬৩৫। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) গোলাঘাট অসামৰিক চিকিৎসালয়ত কেতিয়াৰ পৰা দন্ত চিকিৎসক নাই ?

(খ) দন্ত চিকিৎসক নিযুক্তি দিয়াৰ বাবে বিশীত ব্যৱস্থা গ্ৰহণ কৰিবনে ?

শ্ৰীছামছিং হাঞ্চে ( স্বাস্থ্য বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :
(ক) যোৱা ৭-৭-৮৮ ইং তাৰিখৰ পৰা দন্ত চিকিৎসক নাই।
(খ) অতি সোনকালে ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

শ্ৰীদেবেশ্বৰ বৰা : মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে তেখেতৰ প্ৰশ্নোত্তৰত কৈছে যে অতি সোনকালে দন্ত চিকিৎসক দিয়া হ'ব। আজি ৮ মাহে দন্ত চিকিৎসক নাই অতি সোনকালে মানে কেতিয়া দিয়া হ'ব তাৰ এটা স্পেচিফিক, নিৰ্দিষ্টকৈ এটা সময় সীমা দিলে ভাল হয়।

শ্ৰীহামছিং হাঞ্চে ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, আচলতে প্ৰায় ঠাইতে ডাক্তৰ নাই বুলি কাগজে-পত্ৰে ওলাইছে। কিন্তু সেই ঠাইত ডাক্তৰজনক বদলি কৰি তাৰ ঠাইত এজন নতুন ডাক্তৰ দিয়া হৈছিল। তেওঁ ছুটিত আছে আৰু জইন কৰা নাই। এইটো কথা মই ব্যক্তিগত ভাবেও গম পাইছো আৰু স্থানীয় বিধায়ক ও বাইজৰ পৰাও গম পাইছো। শীঘ্ৰে এটা ব্যৱস্থা লোৱা হ'ব।

বিষয় : অসমৰ চিকিৎসা মহাবিদ্যালয় সমূহত মাষ্টাৰ প্লেন আঁচনি।

শ্ৰীকিৰণ কুমাৰ গগৈয়ে সুধিছে :
*৬৩৬। মাননীয় স্বাস্থ্য ও পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে, অনুগ্ৰহ কৰি জনাবনে :
(ক) অসমৰ তিনিওখন চিকিৎসা মহাবিদ্যালয়ৰ ( ডিব্ৰুগড়, গুৱাহাটী আৰু শিলচৰ ) উন্নয়ণৰ বাবে নিজা বৰীয়া মাষ্টাৰ প্লেন আঁচনি আছেনে নাই ?
(খ) যদি আছে, কোন কোন চিকিৎসা মহাবিদ্যালয়ৰ আছে ?
(গ) যদি আছে, সেই প্লেন অনুযায়ী উন্নয়ণ ব্যৱস্থা কৰা হৈছেনে ?
(ঘ) যদি নাই, চিকিৎসা মহাবিদ্যালয় কেইখন ভাৱিষাতে পৰিকল্পিত ভাবে উন্নয়ণ কৰিবলৈ প্ৰতিখন মহাবিদ্যালয়ত এখনকৈ মাষ্টাৰ প্লেন প্ৰস্তুত কৰাৰ ব্যৱস্থা কৰিব নেকি ?

শ্ৰীছামছিং হাঞ্চে ( স্বাস্থ্য ও পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :
( ক ) আছে।
( খ ) গুৱাহাটী আৰু শিলচৰ চিকিৎসা মহাবিদ্যালয়।
( গ ) আৰু ( ঘ ) মাষ্টাৰ প্লেন অনুসাৰে উন্নয়ণৰ কাম চলি আছে আৰু

অসম চিকিৎসা মহাবিদ্যালয়ৰ বাবেও এখন মাষ্টাৰ প্লেন যুগুত কৰা হৈ আছে।

শ্ৰীকিৰণ কুমাৰ গগৈ : মাননীয় অধ্যক্ষ মহোদয়, অসম চিকিৎসা মহাবিদ্যালয়ৰ কাৰণে মাষ্টাৰ প্লেন কৰা বুলি জানি সুখী হৈছো। কিন্তু দুখন চিকিৎসা মহাবিদ্যালয়ত মাষ্টাৰ প্লেন আছিল. কিন্তু অসম চিকিৎসা মহা বিদ্যালয়ৰ বাবে কিয় মাষ্টাৰপ্লেন হোৱা নাছিল মন্ত্ৰী মহোদয়ে জনাবনে ? দ্বিতীয়তে অসম চিকিৎসা মহা বিদ্যালয়খন অসমৰ ভিতৰতে এখন পুৰনা মহা বিদ্যালয় হোৱা স্বত্বেও কিয় মাষ্টাৰ প্লেন হোৱা নাই জনাবনে ?

শ্ৰীছামছিং হাঞ্চে (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, অসমত যি তিনিখন চিকিৎসা মহা বিদ্যালয় আছে গুৱাহাটী আৰু শিলচৰত মহা বিদ্যালয় নতুনকৈ স্থাপন কৰাৰ কাৰণে মাষ্টাৰপ্লেন বনোৱা হৈছিল। কিন্তু অসম চিকিৎসা মহাবিদ্যালয় খন পুৰনা হোৱা কাৰণে মাষ্টাৰপ্লেন নাছিল আৰু এতিয়া কৰিবলৈ লোৱা হৈছে। গড় কাপ্তানী বিভাগৰ পৰা পালেই কাম আৰম্ভ কৰিম।

শ্ৰীকিৰণ কুমাৰ গগৈ : মাননীয় অধ্যক্ষ মহোদয়, এই মাষ্টাৰপ্লেন বিলাকত কেনেকুৱা প্লেন কৰা হব জনাবনে ?

শ্ৰীছামছিং হাঞ্চে (মন্ত্ৰী) : অসম চিকিৎসা মহা বিদ্যালয়ৰ বাবে তৈয়াৰ কৰা মাষ্টাৰপ্লেন আমাৰ হাতত এতিয়াও আহি পোৱা নাই। গতিকে এটা মহা বিদ্যালয়ৰ সকলো সমস্যা সামৰি লৈ মাষ্টাৰপ্লেন কৰা হয়।

শ্ৰীকিৰণ কুমাৰ গগৈ : মাননীয় অধ্যক্ষ মহোদয়, অসম চিকিৎসা মহাবিদ্যালয়ৰ বাবে কৰা মাষ্টাৰপ্লেন কিমান দিনৰ ভিতৰত হব জনাবনে ?

শ্ৰীছামছিং হাঞ্চে (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এই সম্পৰ্কে গড়কাপ্তানী বিভাগৰ লগত শীঘ্ৰে যোগাযোগ কৰিম।

শ্ৰীদেবেশ্বৰ বৰা : অধ্যক্ষ মহোদয়, অসম চিকিৎসা মহাবিদ্যালয় সম্পৰ্কত বিভিন্ন বাতৰি কাকতত প্ৰকাশ পাইছে। ইতিমধ্যে মহাবিদ্যালয়ৰ অধ্যক্ষই চৰকাৰৰ ওচৰত এটা ব্লাক-কলমও দাখিল কৰিছে। গতিকে সদাহতে মাষ্টাৰপ্লেন দাখিল কৰা সময়ৰ লৈকে বিভিন্ন সমস্যা সমাধানৰ বাবে এটা মধ্যকালীন ব্যৱস্থা চৰকাৰে লবনে ?

শ্ৰীছামছিং হাঞ্চে (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, অসম চিকিৎসা মহাবিদ্যালয়ৰ

বিভিন্ন সমস্যাৰ সম্পৰ্কত একসপ্তাহৰ আগতে আমি কাৰ্য্যালয়ৰ ফালৰ পৰা উচ্চ পৰ্য্যায়ৰ এটা দল গৈছিল, স্থানীয় ভাবে চোৱা-চিতা আৰু প্ৰয়োজনীয় কাম-কাজৰ কাৰণে নিৰ্দেশ দিব।

শ্ৰীআব্দুল মুক্তাদিৰ চৌধুৰী : অধ্যক্ষ মহোদয়, মাষ্টাৰপ্লেনৰ কিমান কাম হল আৰু কিমান বাকী আছে জনাবনে ? আৰু বাকী কাম শেষ হওঁতে কিমান বছৰ লাগিব তাৰ এটা টাৰগেট দিবনে ?

শ্ৰীছামছিং হাঞ্চে : (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, মাষ্টাৰপ্লেন বিলাকত চিকিৎসা বিষয়ক যিবিলাক সুবিধাৰ প্ৰয়োজন হয় সেই সকলোকে সামৰি প্ৰস্তুত কৰা হয়। কেতিয়াবা মাষ্টাৰপ্লেন সাল-সলনিও কৰিব লগীয়া হয়। শতকৰা ৮০ভাগ কাম সম্পূৰ্ণ হৈছে। বাকীখিনি বাবে সময় দিয়া নেযাব যদিও অগ্ৰগতি লাভ কৰিছে।

বিষয় : ঔষধ যোগান ধৰা ব্যৱসায়ীক প্ৰাপ্য টকা আদায়।

শ্ৰীজগত হাজৰীকাই সুধিছে :

*৬৩৭। মাননীয় পশুপালন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ১৯৮৯ চনৰ ৩১ মাৰ্চ তাৰিখে কোনোবা এজন ব্যৱসায়ীক তেওঁ যোগান ধৰা ঔষধৰ বাবে পাব লগা ৩১,০০০০ লাখ টকা একেবাৰেতেই দিয়া হৈছিল নেকি ?

(খ) যদি হৈছিল, ব্যৱসায়ীজনৰ নাম কি আৰু তেওঁক তেওঁ পাব লগা টকা একেবাৰেত সমুদায় টকা আদায় দিয়াৰ দৰে উক্ত বিভাগৰ পৰা পাব লগা অইন ব্যৱসায়ীবোৰক তেওঁলোকে পাব লগা সম্পূৰ্ণ টকা উক্ত বছৰত আদায় দিয়া হৈছিলনে ?

(গ) যদি হোৱা নাই এই বৈষ্যমতাৰ কাৰণ কি ?

(ঘ) ১৯৮৮-৮৯ চনত ঔষধ যোগান ধৰা কিমানজন ব্যৱসায়ীয়ে এতিয়ালৈকে পাব লগীয়া টকা বিভাগৰ পৰা পোৱা নাই ?

(ঙ) এই ব্যৱসায়ীসকলৰ ভিতৰত কিমানজন অসমীয়া যুবক ? (ব্যৱসায়ী সকলৰ নাম, ঠিকনা সহ তালিকাখন সদনৰ মেজত ৰাখিব)

শ্ৰীদিলীপ শইকীয়া সোনোৱাল, (পশু পালন বিভাগৰ ৰাজিক মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) দিয়া হোৱা নাই।

(খ) প্ৰশ্ন নুঠে।

(গ) প্ৰশ্ন নুঠে।

(ঘ) ১৯৮৮-৮৯ চলন্ত ঔষধ যোগান ধৰা মুঠ ২৭ জন ব্যৱসায়ীয়ে এতিয়ালৈকে পাব লগীয়া টকা বিভাগৰ পৰা সম্পূৰ্ণ ভাবে পোৱা নাই।

(ঙ) এই আটাইকেইখন ব্যৱসায়ী প্ৰতিষ্ঠান সমূহ অসমতে প্ৰতিষ্ঠিত। (তালিকা গাঠি দিয়া হ'ল)। (See the list at annexure I)

(Replied by Shri Surendra Nath Medhi, Minister, on behalf of Shri Dilip Saikia Sonowal, Minister of state)

শ্ৰীদেবেশ্বৰ বৰা : মাননীয় অধ্যক্ষ মহোদয়, যিখন তালিকা মন্ত্ৰী মহোদয়ে দিছে সেই তালিকাখনৰ ফাৰ্মবিলাক ৰেজিষ্টাৰ হয়নে নহয় জনাবনে ?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি (আইন মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মুঠ ২৭ খন কাৰ্ম আছে আটাইবিলাক ৰেজিষ্টাৰ হয়নে নহয় এতিয়াই ক'ব নোৱাৰিম।

বিষয় : ডি, আৰ, ডি, এ,ৰ অসম্পূৰ্ণ কাম।

শ্ৰীপদ্মনাথ কৈৰীয়ে সুধিছে :

* ৬৩৮। মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) চৰকাৰে খণ্ড উন্নয়ন বিষয়াৰ দ্বাৰা ডি, আৰ, ডি, এ বিভাগৰ কামবোৰ নিজে কৰোৱাৰ বাবে কামবোৰ সময়মতে হৈ নুঠা বা পলম হোৱা কথাটো জানেনে ?

খ) যদি জানে, তেন্তে চৰকাৰী নীতি-নিয়ম উলংঘা নকৰাকৈ আঁচনি সমূহৰ সমুদায় টকাখিনি বাইজৰ দ্বাৰা অনুমোদিত সেই গাওঁৰ সমিতি সমূহক পোনপতীয়া খৰছৰ দায়িত্ব দিবনে ?

শ্ৰীগনেশ কুটুম : (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে :

ক) এন, আৰ, ই, পি/আৰু আৰ, এল, ই, জি, পি, আঁচনিৰ কিছু কিছু উন্নয়ন খণ্ডত কিছুমান আঁচনিৰ কাম সময়মতে সম্পূৰ্ণ নোহোৱা কথা চৰকাৰে জানে। সেয়ে পলম কেইবাটাও কাৰণত হয়। যেনে : –

১। আঁচনি প্ৰস্তুতি কৰাত দেৰি।

২। আৰ; এল, ই, জি, পি, আঁচনিৰ ক্ষেত্ৰত আঁচনিৰ অনুমোদন ভাৰত চৰকাৰৰ পৰা আহোতে পলম হোৱা।

৩। সময়ে সময়ে হোৱা সামগ্ৰীৰ অভাৱ, ইত্যাদি।

খ) চৰকাৰী নীতি-নিয়ম যাতে উলংঘা নহয় আৰু যাতে বাইজেও আঁচনি বিলাকৰ লগত পোনপতীয়া ভাৱে জড়িত হব পাৰে তাৰ বাবে চৰকাৰে খণ্ড উন্নয়ন সমন্বয় ৰক্ষী কমিটিক আঁচনি আৰম্ভৰ পৰা চোৱাচিতা কৰাৰ যথেষ্ঠ ক্ষমতা দিয়া হৈছে।

এই সম্পৰ্কে ইন্দিৰা আবাস যোজনাৰ ক্ষেত্ৰত হিতাধিকাৰী সমিতি, স্কুল ঘৰ নিৰ্ম্মাণ কমিটি, আৰু সামাজিক বনানিকৰণ ৰূপায়ণৰ বাবে খণ্ড উন্নয়ন সমন্বয় সমিতিক দায়িত্ব দিয়া হৈছে।

শ্ৰীপদ্মনাথ কৈৰী : মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো আছিল যে এন, আৰ, ই, পি, ইত্যাদি আঁচনিৰ যিবোৰ কাম সেইবোৰৰ যিটো টকা ধৰ্য্য কৰা হয় উক্ত টকা গাওঁ সমিতি সমূহক দি আঁচনিৰ কাম সম্পূৰ্ণ কৰিবলৈ চৰকাৰে ব্যৱস্থা লব নেকি ? চৰকাৰে এনে ধৰণে এটা নিৰ্দ্দেশ দিব পাৰে নেকি ? কাৰণ দেখা গৈছে যে ডি, আৰ, ডি, এৰ কাম ১৯৬৯ চনতে আৰম্ভ কৰিও, আজি পৰ্য্যন্ত শেষ নোহোৱাকৈ আছে। কেতিয়াবা চিমেণ্ট নাই, কেতিয়াবা বদ নাই, কেতিয়াবা কাঠ নাই, কেতিয়াবা টকা নাই এনেকৈয়ে কামবোৰ আধৰুৱা হৈ পাৰ আছে। দহ বছৰলৈকে যদি এটা স্কুল বা ৰাস্তাৰ কাম সম্পূৰ্ণ নহয় তেন্তে কেনেকৈ হব ? স্কুলৰ কাৰণে যি আশী হেজাৰ টকা মঞ্জুৰী দিয়ে সেই সমুদায় টকা বি, এল, চি, চি,ৰ যোগেদি গাঁওঁ সভাক দিদি গাৱৰ বাইজক চমজাই দিলে বাইজে নিজে কামটো নিয়াৰিকৈ সোনকালে শেষ কৰিব পাৰিব—চৰকাৰে এনে ব্যৱস্থা কৰিব নোৱাৰেনে ?

শ্ৰীগনেশ কুটুম (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীক মই এটা কথা কওঁ যে ১৯৬৯ চনত ডি আৰ, ডি, এৰ জন্ম হোৱা নাছিল। এটা কথা আঁচনিবোৰৰ কাম সম্পূৰ্ণ কৰিবলৈ হলে এপ্ৰিল মাহত আৰম্ভ হব লাগিব। খণ্ড উন্নয়ন বিভাগে আঁচনি সমূহ জানুৱাৰী মাহতে প্ৰস্তুত কাৰৰ লাগে। তেহে এপ্ৰিল মাহত কাম আৰম্ভ কৰিব পৰা যাব। প্ৰায়বোৰ আচনিৰ কাম দ্বিতীয় বছৰলৈকে চলি থাকে। চিমেণ্ট, লোহা, বদ, ইত্যাদি বস্তুৰ কিছু নাটনিৰ কাৰণে কামত কিছু অসুবিধা হয়। এতিয়া যোৱা এপ্ৰিল

মাহৰ পৰা যিহেতু লেভি চিমেণ্টৰ সমস্যা নাই সেয়ে চিমেণ্টৰ সমস্যা দূৰ হ'ব। কামবোৰ সময়মতে সম্পূৰ্ণ কৰিবলৈ বিভাগীয় বিষয়া সকলক নিৰ্দেশ দি থকা হৈছে। এনেবোৰ আঁচনিৰ টকা নিৰ্বাচিত প্ৰতিনিধিৰ বাহিৰে বাহিৰৰ আন কোনো লোকক আঁচনি ৰূপায়ন কৰিবলৈ দিব পৰা নাযায়।

শ্ৰীআব্দুল মুক্তাদিৰ চৌধাৰী: মাননীয় অধ্যক্ষ মহোদয়, ইন্দিৰা আবাস যোজনা আঁচনিৰ যোগে এচ, চি, এচ, টি, লোকক বেনিফিট দিবৰ কাৰণে লোৱা হৈছে কিন্তু এই আচনিৰ বাবে ১৯৮৬-৮৭ চনৰ কামেই আৰম্ভ কৰা নাই। ১৯৮৬-৮৭ চনৰ কামেই যেতিয়া এতিয়ালৈকে হোৱা নাই ১৯৮৭-৮৮, ১৯৮৮-৮৯ চনৰ আচনিৰ কাম কেতিয়াকৈ আৰম্ভ কৰা হ'ব? মানুহে কেতিয়া বেনিফিট পাব? তেওঁলোকৰ কাৰণে বাসগৃহ কেতিয়া সজা হ'ব? কেন্দ্ৰীয় চৰকাৰে যিহেতু আচনিৰ কাৰণে টকা দিছেই সেয়ে এই আঁচনিবোৰ অতি সোনকালে ৰূপায়ণ কৰাৰ ব্যৱস্থা চৰকাৰে গ্ৰহণ কৰিব লাগে।

শ্ৰীগনেশ কুটুম (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, ১৯৮৬-৮৭ চনৰ কথা নকৰেই ১৯৮৮-৮৯ চনৰ বাবেও এই আচনিৰ কাম অতি সোনকালে আৰম্ভ কৰিব লাগে। আমাৰ প্ৰায় প্ৰত্যেক সদস্য বিধায়কেই বি, এম, চি, চিৰ সভাপতি। তেখেতসকলেও এই কামখিনি বা আচনি সমূহ সোনকালে ৰূপায়ণ কৰাৰ ওপৰত মন দিলে ভাল হয়।

শ্ৰীআব্দুল মুক্তাদিৰ চৌধুৰী: মাননীয় অধ্যক্ষ মহোদয়, কিন্তু এই আঁচনিৰ কাৰণে প্ৰজেক্ট ডাইৰেক্টৰে বি, এম, চি, চিক টকাটো ৰিলিজ কৰি দিয়া নাই।

শ্ৰীগোলোক ৰাজবংশী: মাননীয় অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত বি, এম, চি, চি, যিখন কমিটি আছে তাত আৱশ্যকীয় কৰ্মচাৰী আছেনে নাই জানেনে?

শ্ৰীগনেশ কুটুম (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, কৰ্মচাৰী আছে। যোৱা সপ্তাহত মই এই সদনত কৈছিলো যে চৰকাৰৰ ফালৰ পৰা সময়ে সময়ে দিয়া চাৰ্কুলাৰ সমূহ সকলোৱে জ্ঞাত হয় বাবে এই আসোৱাহ আতৰ কৰিবলৈকে মই প্ৰত্যেক প্ৰতিনিধিক বিতৰণ কৰিব পৰাকৈ এখন চাৰ্কুলাৰ হেণ্ড বুক তৈয়াৰ কৰি আছো।

—(গণ্ডগোল)—

শ্ৰীগিৰীণ বৰুৱা: মাননীয় অধ্যক্ষ মহোদয়, ডি, আৰ, ডি, এৰ কামসমূহ পলম হোৱাৰ কাৰণ কি? আৰু এটা কথা দেখিছো আজি কালি চিবিয়ৰ

বিডিঅ' হবলৈ বিষয়াসকলে দিশপুৰত ভিৰ কৰেহি—তাৰ মাজে এইটো নহয় যে তেওঁলোকৰ কামৰ প্ৰতি ধাউতি বাঢ়িছে, যেনেতেনে টিনিয়ৰ বিডিঅ' হব পাৰিলে তেওঁলোকৰ লাভ হব সেই চিন্তাতহে আছে। মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে গভৰ্ণমেণ্টৰ বিভাগৰ পৰা ১০-১২ বছৰ কাম কৰি থকা সহকাৰী অভিযন্তা আদি ব্লকত নিযুক্তি দিব নোৱাৰিবনে ? দ্বিতীয়তে কৰ্ম্মচাৰী অভাৱৰ বাবে নগাৰত কিছুমান ব্লকত মাহেকীয়া দৰমহা দি মাষ্টাৰ ৰোলৰ নিচিনাকৈ জুনিয়ৰ ইঞ্জিনীয়াৰ ৰাখিছে। কাম শেষ হলেই তেওঁলোকৰ চাকৰি শেষ হয়। সেয়ে এই বিভাগৰ যি কৰ্ম্মচাৰীৰ অভাৱ আছে তাক অতি সোনকালে পূৰণ কৰাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীগনেশ কুটুম (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীবৰুৱা ডাঙৰীয়াই টেক্‌নিকেল নিযুক্তিৰ ক্ষেত্ৰত যি পৰামৰ্শ দিছে সেই বিষয়ে আমি পুনৰ পৰীক্ষা নিৰীক্ষা কৰিছো—যাতে নিজা ৰবীয়াকৈ প্ৰয়োজনীয় বিভাগত বিষয়া বা কৰ্ম্মচাৰী নিয়োগ কৰিব পৰা যায়। কাৰণ অস্থায়ী ভাৱে আন বিভাগৰ পৰা মানুহ আনি ২-৩ বছৰৰ বাবে কাম কৰালে তেওঁলোকে কিমান আন্তৰিকতাৰে কাম কৰিব সেই বিষয়ে সন্দেহ আছে। সেয়ে এই বিষয়টো কৰ্ম্মচাৰী বিভাগৰ লগত আলোচনা কৰিছো আৰু কিবা সিদ্ধান্তত উপনীত হব পাৰিলেই আপোনালোকক জনাব পৰা হ'ব। জুনিয়ৰ ইঞ্জিনিয়াৰ বিষয়টো উচ্চ ন্যায়ালয়ত ওলমি থকা বাবেই আমি নিজা ৰবীয়াকৈ একো সিদ্ধান্ত লব পৰা নাই। এই কেচ নিষ্পত্তি হলেই আমি সকলো বাধা আতৰাই কামত অগ্ৰসৰ হব পাৰিম।

শ্ৰীগনেশ কুটুম (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, কিছুমান উন্নয়ন খণ্ডত বি, ডি, অ' নোহোৱাটো সচাঁ। কিন্তু বি, ডি, অ' নহলেও ই, অ' পঞ্চায়তক আদিক চাৰ্জত দি কাম চলাই থকা হৈছে। বি, ডি, অ' নিযুক্তি দিয়াৰ কাৰণে কিছুমিনিক পোন পটীয়া নিযুক্তি দিব লাগে দিছো। বাকীখিনিৰ ক্ষেত্ৰত প্ৰয়োজনীয় প্ৰক্ৰিয়া চলাই থকা হৈছে আৰু এইখিনি শেষ হলেই বাকী-খিনিও দিব পৰা যাব।

শ্ৰীকিৰণ গগৈ : মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৰ্ম্মচাৰীৰ অভাৱ আদিৰ কাৰণেই পলম হোৱা বুলি কৈছে। কিন্তু যোৱা ৮ মাহে মই দেখিছো কিছুমান ব্লকত বি, ডি, অ' আছে কৰ্ম্মচাৰীও আছে কিন্তু চিমেণ্ট নাই, ৰড

নাই কাম হোৱা নাই। মন্ত্ৰী মহোদয়ে যিটো কৈছে বি এল, চি চিৰ চেয়াৰমেনৰ পাৱাৰ আছে কিন্তু চিমেণ্ট বড আদি নহলে চেয়াৰমেনৰ পাৱাৰ নাই। গাৰ্ত স্কুলৰ কাম আধাধৰনীয়া কৰি পেলাই থলে ভালৈ গলে চেয়াৰমেনক বেলেগ খেদা দিব। সেই কাৰণেই এই চিমেণ্টৰ যিটো খেলিমেলি প্ৰচেচ আছে সেইটো অলপ সহজ কৰিবৰ কাৰণে যত্ন কৰিব নোৱাৰিবনে?

শ্ৰীগনেশ কুটুম (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, মই কৈছোৱেই যে যোৱা ৩১ মাৰ্চত আমাৰ লেভী চিমেণ্টৰ যি ব্যৱস্থা আছিল সেইটোৰ কাৰণেই বহু ক্ষেত্ৰত পলম হৈছিল। যোৱা ১ এপ্ৰিলৰ পৰা এই পদ্ধতিটো কেন্দ্ৰীয় চৰকাৰে উঠাই লোৱাৰ কাৰণে অলপ উজু হৈছে। আমি এতিয়া ফেক্টৰীৰ পৰা পোনপটীয়াকৈ কিনি জিলা আৰু প্ৰমোন্নয়ন সমূহক দিয়াৰ কথা চিন্তা কৰিছো।

শ্ৰীমোক্তাৰ হুচেইন: মাননীয় অধ্যক্ষ মহোদয়, মই দেখিছো ডি আৰ ডি এত অন্য কোনো কামৰ কাৰণে পলম হোৱা নাই, কিন্তু পলম হৈছে স্কুল আৰু ঘৰ আদি নিৰ্মাণৰ কাৰণেহে। গতিকে এই চেন্টেলী পাৰচেজ কৰাৰ কাৰণে এই বস্তুটো কাৰ্যকৰী হোৱা নাই। যোৱা দুবছৰৰ আগতে স্কুল ঘৰ সাজিছে কিন্তু আজিও টিং আৰু চিমেণ্ট, বড আদি দিব পৰা নাই। এতিয়া চিমেণ্ট ডি কণ্ট্ৰল কৰা হৈছে, এই সুযোগতে আমাৰ জিলা আৰু ব্লকৰ যিবিলাক কাম আছে সেইবিলাক কৰি লব লাগে।

(ভইচ: মন্ত্ৰীয়ে নিউজ পেপাৰ পঢ়ি আছে)।

গতিকে বি এল চি চি ত এলকত এখন পাৰচেজ বৰ্ড কৰি দিব লাগে যাতে আঞ্চলিক ভাৱে এই সামগ্ৰী সমূহ কৰিব পৰা যায়?

শ্ৰীগনেশ কুটুম (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, জিলা পৰ্য্যায়ত পাৰচেজ কমিটি আছে।

Shri Abdul Muhib Mazumder : Mr. Speaker Sir, this matter has before the House for the 3rd or 4th time. On the last occasion this Government stated that there has been no work in the blocks. Now it is found, first there are no officer, secondly. there are no materials and thirdly. there are no development work. The question is that the entire develo-pment works is stalled. If there is a B. D. O, there is no senior

B. D. O. if there is Extension officer, there is no materials, no cement no rod for works. So, Sir, I would like to know from the Hon'ble Minister whether the entire matter will be taken up with special emphasis so that development works do not suffer for want of officers. Why cannot we appoint engineers to the posts of B. D. O.S ? Why the Government cannot take action for allowing the B. D. O.S to work in the interest of the Blocks. If there is case pending in the Hon'ble High Court, you can allow them to work. Let the Hon'ble Minister look into the whole matter in a positive manner and find out a solution as because no work means no develop-ment in the country.

শ্ৰীগনেশ কুটুম ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে কোৱা কথাটো সম্পূৰ্ণ ৰূপে সচাঁ নহয়। কাৰণ কাম চলি আছে। অৱশ্যে দুই এটা কাম সম্পূৰ্ণ হোৱা নাই। কিন্তু সেই বুলি সকলোবিলাক আঁচনিৰ কাম সম্পূৰ্ণ হোৱা নাই বুলি কোৱাটোও সচাঁ নহয়। আকৌ অকল বিষয়া কৰ্ম্মচাৰীৰ অভাৱতে কাম হোৱা নাই বুলি কোৱাটোও সচাঁ নহয়। কাৰণ অতি কম সংখ্যাক ক্ষেত্ৰতহে এইটো হৈছে। আকৌ মই কৈছোৱেই যে হাইকৰ্টৰ লগত আমাৰ এই বিষয়ৰ কেচৰ সিদ্ধান্ত হোৱা নাই সেইবোৰৰ ক্ষেত্ৰত 'ওৱৰ্ক চাৰ্জ' কৰি এই কামবিলাক সম্পূৰ্ণ কৰাৰ ব্যৱস্থা লৈ থকা হৈছে। এইক্ষেত্ৰত কামৰ বাধা হোৱা নাই কিন্তু অলপ পলম হৈছে সেইটো কৈছোঁৱেই।

Shri Binai Khungur Basumatary : Sir, I have brought this to the notice of the Government earlier also. Has the Government utilised the facilities of Direct Demanding officers under the Ministry of Supply and Disposal ? Secondly, Sir, in my constituency certain bunds have been erected during the last two/three months. But these bunds are to be protected by boulders So has the DRDA approached the Forest Deptt for giving boulders and timbers and other forest products for this work ?

শ্ৰীগনেশ কুটুম ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত বিষয়টোৰ সম্পৰ্কত তদন্ত কৰিহে উত্তৰটো দিব পৰা যাব।

বিষয় : মবিগাওঁ অসামৰিক চিকিৎসালয়।

শ্ৰীহৰেন্দ্ৰ বৰাই সুধিছে :

* ৬৩৯। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) মৰিগাওঁ অসামৰিক চিকিৎসালয়ত 'অপাৰেচনৰ' বাবে প্ৰয়োজনীয় সা-সৰঞ্জাম নোহোৱাৰ বাবে অৰ্হতা সম্পন্ন চিকিৎসক থকা সত্বেও ৰোগীক চিকিৎসা দিব নোৱাৰা কথাটো সচানে ?

(খ) যদি সচা হয় প্ৰয়োজনীয় সা-সৰঞ্জাম যোগান ধৰি ৰোগীক উপযুক্ত চিকিৎসা সেৱা দিয়াৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীচামছিং হাঞ্চে ( স্বাস্থ্য বিভাগৰ মন্ত্ৰী )য়ে উত্তৰ দিছে :

(ক) আংশিক ভাৱে সত্য। মৰিগাওঁ অসামৰিক চিকিৎসালয়ত সকলো সা-সৰঞ্জাম নথকাৰ কাৰণে ৰোগীক গুৰুতৰ অস্ত্ৰোপ্ৰচাৰ (অপাৰেচন) কৰিব পৰা নাই। কিন্তু লঘু অস্ত্ৰোপ্ৰচাৰ সমূহ হৈ আছে।

(খ) ইতিমধ্যে যথাবিহিত ব্যৱস্থা লোৱা হৈছে।

শ্ৰীহৰেন্দ্ৰ বৰা : অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে আংশিক সত্য কিন্তু মই নিজে জানো এইটো সম্পূৰ্ণ সত্য, মই নিজে গৈ দেখি আহিছো।

শ্ৰীকিৰণ কুমাৰ পগৈ : অধ্যক্ষ মহোদয়, পইণ্ট অৱ অৰ্ডাৰ সত্য দুই প্ৰকাৰৰ থাকে নেকি ? এবিধ আংশিক সত্য আৰু এবিধ সম্পূৰ্ণ সত্য নেকি জানিব বিচাৰিছো।

শ্ৰীহৰেন্দ্ৰ বৰা : অধ্যক্ষ মহোদয়, ইতিমধ্যে যন্ত্ৰপাতি বিলাকত মামৰে ধৰিছে। মন্ত্ৰী মহোদয়ে কৈছে যে সৰু সুৰা বা লঘু অস্ত্ৰোপ্ৰচাৰ চলি আছে কিন্তু গুৰু বিলাক হোৱা নাই। কিন্তু মামৰে ধৰা যন্ত্ৰপাতিৰে অস্ত্ৰোপ্ৰচাৰ কৰি বেমাৰীক আৰু বেমাৰৰ কালে ঠেলি দিয়া হোৱা নাইনে ?

শ্ৰীচামচিং হাঞ্চে ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, তেনে ধৰণৰ অভিযোগ নিশ্চয় পোৱা নাই আৰু মাননীয় সদস্য গৰাকীয়ে জানে অলপতে মই তালৈ গৈ আহিছো যন্ত্ৰপাতি বিলাকৰ নাম নাজানো, ডাক্তৰ সকলে জানিব কিন্তু বিবিলাক লাগে বুলি জনাইছে ইতিমধ্যে কিনি তালৈ পঠোৱাৰ দিহা কৰা হৈছে। ইতিমধ্যে সদম বহি থকা সময়তে হয়তো পাইছেগৈ।

শ্ৰীহৰেন্দ্ৰ বৰা : অধ্যক্ষ মহোদয়, লঘু অস্ত্ৰোপ্ৰচাৰৰ কাৰণে কি কি লাগে মাননীয় মন্ত্ৰী মহোদয়ে নাম কব পাৰিবনে ?

শ্ৰীচামসিং হাঞ্চে (মন্ত্ৰী): অধ্যক্ষ মহোদয়, সৰঞ্জামৰ ভিতৰত লঘু অস্ত্ৰোপচাৰৰ কাৰণে কেচি, ৰেজৰ, সূতা আদিৰ প্ৰয়োজন হয়।

Abdul Muhim Mazumdar : He is referring to the saloon instrument.

Shri Ardhendu Kumar Dey : The medicine of Laizol required for anticeptic purposes costs a minimum amount. What is the reason of not providing this medicine to Civil Hospitals and even to 30-bedded Hospitals ? Will the Minister atleast ensure its supply ?

শ্ৰীচামসিং হাঞ্চে (মন্ত্ৰী): অধ্যক্ষ মহোদয়, বিবিলাক লাইফ চেভিং দৰব সেইবিলাকো আমি দিয়াৰ ব্যৱস্থা কৰিছো যদি ষ্টক নাই বুলি আমালৈ জনাইছে।

Starred Qnestion Nos. 640, 641 & 642 were not called for.

বিষয়: ভুবা গাওঁ উন্নয়ন খণ্ড।

শ্ৰীআব্দুল জলিলে সুধিছে:

*৬৪০। মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) নগাওঁ জিলাৰ লাহৰিঘাট উন্নয়ন খণ্ডটো অসমৰ ভিতৰত বৃহত্তম বুলি জানেনে?

(খ) এই বৃহত্তম উন্নয়ন খণ্ডটোৰ ভুবাগাওঁ, পাভকাতি, ৰবালীমাৰী আৰু চেঙাগুৰী গাওঁ পঞ্চায়তক সাঙুৰি ভুবাগাওঁত এখন নতুন উন্নয়ন খণ্ডৰ প্ৰস্তাৱ বহু দিনৰ পৰাই বিভাগত পৰি থকাৰ কথা জানেনে?

(গ) যদি জানে এই বিত্তীয় বছৰতেই ভুবা গাওঁত নতুনকৈ উন্নয়ন খণ্ড পতাৰ ব্যৱস্থা লবনে?

শ্ৰীগনেশ কুটুম (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে:

(ক) বৃহত্তম নহয়।

(খ) ভুবাগাওঁ, পাভকাটি, ৰবালীমাৰী আৰু কোচতলী গাওঁ পঞ্চায়ত সাঙুৰি ভুবা গাওঁত এটা নতুন উন্নয়ন খণ্ড স্থাপনৰ প্ৰস্তাৱ চৰকাৰৰ হাতত আছে।

(গ) এই সিদ্ধান্ত আৰ্থিক অৱস্থাৰ ওপৰত নিৰ্ভৰ কৰিব।

বিষয়: সম্প্ৰসাৰণ বিষয়াৰ খালি পদ।

শ্ৰীভৰত চন্দ্ৰ নৰহে সুধিছে:

*৬৪১। মাননীয় পঞ্চায়ত ও গ্ৰাম্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) ৰাজ্যখনৰ প্ৰায়বোৰ খণ্ড উন্নয়ন কাৰ্য্যালয়ত পঞ্চায়ত, মীন আৰু উদ্যোগ সম্প্ৰসাৰণ বিষয়াৰ পদ খালি হৈ থকা কথাটো সচানে ?

(খ) যদি সচা, খালি হৈ থকা উক্ত পদৰ সংখ্যা কিমান ?

(গ) এই খালি পদ সমূহ পূৰণ কৰিবলৈ চৰকাৰে কি ব্যৱস্থা হাতত লৈছে ?

শ্ৰীগনেশ কুটুম (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ঠায়ে ঠায়ে খালি থকাটো সঁচা।

(খ) পঞ্চায়ত সম্প্ৰসাৰণ বিষয়া — ১৯ টা পদ।
মীন সম্প্ৰসাৰণ বিষয়া — ৭ টা পদ।
উদ্যোগ সম্প্ৰসাৰণ বিষয়া — এটাও খালি নাই।

(গ) যি হেতুকে পঞ্চায়ত সম্প্ৰসাৰণ বিষয়াৰ পদ সমূহ পৰিকল্পনা বহিভূত (Non-Plan Post) পদ আৰু পৰিকল্পনা বৰ্হিভূত পদ সমূহ বিত্তীয় অসুবিধাৰ পৰিপ্ৰেক্ষিতত পূৰণ কৰাত বৰ্তমানে কোনো ব্যৱস্থা লব পৰা হোৱা নাই। খালি হৈ থকা মীন সম্প্ৰসাৰণ বিষয়াৰ পদ সমূহ পুৰণ কৰিবলৈ ইতিমধ্যে অসম লোক সেৱা আয়োগৰ লগত যোগাযোগ কৰা হৈছে।

বিষয় : হাইলাকান্দির চিকিৎসালয়ে ফার্নিচার যোগান।

শ্ৰীরাজেন্দ্র দেই জিজ্ঞাসা করিয়াছেন :

*৬৪২। মাননীয় স্বাস্থ্য বিভাগেৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ করিয়া জানাবেনে কি :

(ক) গত ১৯৮৮ ইরাজীতে নার্সিং সেন্টার হাইলাকান্দি চিভিল হাস্পাতাল ও প্ৰাইমারী স্বাস্থ্য কেন্দ্র ও ষ্টেট ডিসপেনসারির ফার্নিচার তৈরী করার জন্য সরকার কত টাকার মঞ্জুৰী দিয়াছিলেন ?

(খ) যদি দিয়া থাকেন ফার্নিচার তৈরী হয়েছে কি ?

(গ) যদি না হয়ে থাকে তবে কেন হয় নি তা সরকার তদন্ত করে দেখবেন কি ?

শ্ৰীহামচিং হাঙ্কে (স্বাস্থ্য বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ৩৪,০৯৯ টকা দিয়া হয় কাঠৰ ফাৰ্নিচাৰৰ বাবে।

(খ) হৈছে।

(গ) প্ৰশ্ন নুঠে।

Re : Leprosy treatment.

Shri Ardhendu Kumar Dey, asked :

*643, Will the Minister, Health & F. W., Assam be pleased to state :

( a ) How many Leprosy cases have been detected in the state till last year ? ( Both Lepromatous and Non-Lepromatous should be shown separately ).

( b ) How many Hospitals, Leprosy control Unit, S. E. T. Centres, Leprosy Colonies and Leprosy treatment centres are there in the state ;

( c ) Name of the drugs supplied by the Government for treatment of the Lepromatous and Non-Lepromatous cases ?

Shri Samsing Hanse ( Minister, Health & F. W., ) replied ;

| | Lepromatous : | Non-Lepromatous : | Total. |
|---|---|---|---|
| ( a ) Total No. of Leprosy cases have been detected in the state till last year ( i. e. end of March'89 | 6295 | 23407 | 29702 |

( b ) Total No. of :

i) Leprosy Hospital i. e. ( Temporary Hospitalisation Ward ) ... ... ... 5

ii) Leprosy Control Unit ... ... ... ... 7

iii) S. E. T. Centre .... .... ... ... ... ... 250

iv) Leprosy Colonies ... ... .... .... ... 3

v) Leprosy treatment centre ... .... 74

( c ) Name of the drugs supplied by the Government for treatment of Leprosy patients are :

( a ) Dapsone, ( b ) Refampicin, ( c ) Clofazimin.

Shri Abdul Muhim Mazumder :

What is the difference between Lepromatous and Non-Lepromatous ?

Shri Ardhendu Kumar Dey : It is the Hon'ble Minister to answer this. The Hon'ble Minister has replied the total number of Lepromatous and Non Lepromatous cases. The Hon'ble Minister has also answered that the total Hospitals are 5. Will the Hon'ble Minister please answer the location of these Hospitals ?

Shri Anirudha Singha Choudhury ( Minister )

There are 5 temporary Hospitals, namely :

1) Boko in Kamrup District

2) Sonapur in Karbi Anglong District

3) Jorhat- attached to Civil Hospital,

4) Assam Medical College Hospital, Dibrugarh

5) Maneha in Lakhimpur District.

Shri Ardhendu Kr. Dey: Sir, a point of order. Yesterday, I put a supplementary question to the Hon'ble Forest Minister, who did not give proper statistics relating the answer. I have found today also that proper statistics have not been given in reply to the answer. I have got a Statistical Hand Book 1987 supplied to us where in the statistics given are different from the statistics given in reply to the question. Sir, Your comment is required.

Mr, Speaker—Minister's reply is correct.

ডাঃ কমলা কলিতা : অধ্যক্ষ মহোদয়, মোৰ এটা পৰিপূৰক প্ৰশ্ন আছে। ৰাস্তাই-ঘাটে বহুত কুষ্ঠ ৰোগী ঘূৰি ফুৰা দেখা যায়। সেইবিলাকৰ প্ৰতি চৰকাৰৰ কোনো কৰ্ত্তব্য আছেনে নাই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যদি আছে কেনে ধৰণৰ ব্যৱস্থা লৈছে সেইটো অনুগ্ৰহ কৰি জনাবনে ?

শ্ৰীঅনিৰুদ্ধ সিংহ চৌধুৰী ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, ৰাস্তাই-ঘাটে ঘূৰি ফুৰা কুষ্ঠ ৰোগীসকলোৰেই নহয়। আমাৰ তিনিটা কুষ্ঠ ৰোগী ৰখা কেন্দ্ৰ আছে।

ডাঃ কমলা কলিতা : কুষ্ঠৰোগী ৰাস্তাই-ঘাটে ঘুৰি ফুৰিব নোৱাৰে সেইটো বেয়া কথা কিন্তু মন্ত্ৰী মহোদয়েই নহয় বুলি কৈছে এইটো দায়িত্ব নাই নেকি ?

শ্ৰীঅনিৰুদ্ধ সিংহ চৌধুৰী ( মন্ত্ৰী ) : ইনফেকচাচ হলে কেন্দ্ৰত ৰখা হয়।

Re : M. S. Rods purchased from Haryana :

Shri Digendra Purkayastha asked :

*644. Will the Minister, Panchayat and Rural Development be pleased to state :

(a) Whether it is a fact that 122 tons of M.S. rods were purchased from Haryana by the project Director, Cachar, D.R.D.A, Silchar during the year 1988-89 ?

(b) Whether it is also a fact that out of these 122 tons of M. S, Rods 40 tones of 6 m.m. Scrap rod of purely unspecified quality were purchased ?

(c) If so, what was the reason of purchasing such a huge quantity of rod ( including the unspecified quality ) from outside the State of Assam ?

Shri Ganesh Kutum, ( Minister , Panchayat & Rural Development ) replied :

(a) D.R.D.A., Cachar purchased 122.645 MT M. S. Rod from Steel Authority of India Ltd. MANDI, Gobindanagar Punjab in 1988-89.

(b) No. The entire quantity of 122.645 MT M.S. Rods were specified ISI-226 including this 6 m.m. size 39.920 MT M.S. Rods.

(c) No unspecified rods purchased M. S. Rods were required urgently for completion of incomplete School Buildings, Indira Awaas Yojana Houses. As M.S. Rods of required specifications and quantity were not available at Silchar at rates approved by the Directorate of Rural Development, DRDA, Cachar had decided to purchase the M S. Rods from SAIL, Mandi. The required materials was also not available readily at SAIL, Guwahati.

Shri Digendra Purkayastha : Sir, The Steel Authority of India has branches at Bhilai, Bhubaneswar, Bokaro, Calcutta, Dhanbad, Dimapur, Durgapur, Guwahati and other places in the neighbouring States. Whether any correspondence was made with the nearby offices of the SAIL ?

শ্ৰীগণেশ কুটুম (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ভাৰত চৰকাৰ বা অসম চৰকাৰৰ ডাইৰেক্টৰ আছে যেখেত সকলৰ লোহা কিনাৰ ব্যৱস্থা আছে। সেইকাৰণে যোৱা ২৯—১২—৮৮ তাৰিখে কাছাৰৰ মাননীয় সদস্য গৰাকীৰ পৰামৰ্শমতে লোহা কিনা হৈছিল । কিন্তু এটা কথাত মই আচৰিত পাইছো কাম সম্পূৰ্ণ কৰাৰ পিচত মাননীয় সদস্য গৰাকীৰ প্ৰমুখ্যে বাকী গৰ্ভণিং বোৰ্ডৰ সদস্য সকলে সেই বিষয়টো লৈ সেই বিষয়াজনক ধন্যবাদহে জনাই এটা প্ৰস্তাৱও লোৱা হৈছিল যে চৰকাৰৰ টকা বচোৱাৰ কাৰণে আৰু শীঘ্ৰে ব্যৱস্থা লোৱাৰ কাৰণে অৱশ্যে আমিও ভাল পাইছো. তেখেত সকলে লোৱা ৰিজলিউশ্য নটো মই দেখুৱাব পাৰিম । এই বিষয়ে চৰকাৰৰ ফালৰ পৰা পৰীক্ষাহে কৰা হৈছে ।

Shri Digendra Purkayastha : These materials were not purchased on the recommendation of the Governing Body. The Governing Body thanked

the officer concerned after the purchase without verifiying any documents as no documents were shown or produced by him. We simply thanked him. But when the irregularities came to our notice I have put this question.

Shri Ganesh Kutum ( Minister ) : Sir, I am reading out the resolution adopted by the Governing Body on 29.12.88. It runs as follows : Resolution No. 4. The Governing Body placed on record its appreciation and thankfulness to ex-Project Director D. R. D. A. Shri R. T. Jindal, IAS and Chairman, DRDA, Cachar Shri S. C. Das, IAS for having taken pains in arranging purchase of the following quantities of MS rods from the SAIL, Mandi Gobindanagar, Punjab at a price lower than the rates approved by the Director of Rural Development, Assam in addition to according to approval of the purchase of the MS rods including the rates of carrying charges."

শ্ৰীঅৰ্ধেন্দু কুমাৰ দে : অধ্যক্ষ মহোদয়, প্ৰত্যেক জিলাতে বেলেগ কৈ কিনিব পৰা এনেকুৱা কিবা ৰেকৰ্ড আছে নেকি ?

শ্ৰীগিৰিণ বৰুৱা : মাননীয় অধ্যক্ষ মহোদয়, কাছাৰ জিলাত লোহাৰ ৰ'ড কেনেকৈ কিনিব পাৰিলে ? বিধিমতে এখন জিলাত এই বিষয়ে এই বস্তুবিলাক কিনাৰ ব্যৱস্থা আছে নেকি ? যদি আছে অসমৰ সকলোবিলাক জিলাতে সেই সুবিধাকণ দিব লাগে ।

শ্ৰীগনেশ কুটুম (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, কবেল ডেভলপমেণ্টে লোহা কিনাৰ ক্ষেত্ৰত নীতি আছে চেইল অথৰেটিৰ পৰা কিনিব পাৰে। যদি কোনোবাই কিনিছে তাত আমাৰ আপত্তি নাই ।

শ্ৰীগিৰিণ বৰুৱা :
শ্ৰীঅৰ্ধেন্দু কুমাৰ দে :
শ্ৰীদেবেশ্বৰ বৰা :
(কেইবাজনো মাননীয় সদস্যই একেলগে থিয় হৈ কোৱাৰ বাবে একো শুনা নাযায়) ।

Shri Haliram Terang : Sir, this information was not given to us. When we asked for it the DRDA said that the decision is that it will be purchased centrally. If this provision was there we could have also purchased directly from the SAIL. This has to be clarified by the Minister

whether these materials will be purchased by the Government centrally or the purchase will be decentralised ? What is the Government policy ?

শ্ৰীগনেশ কুটুম (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, আচলতে গৰ্ভণিং বডিয়ে নিজা ৰবিয়াকৈ কিনিছে যি ঠাইৰ পৰা কিনিব লাগে সেই ঠাইৰ পৰাই কিনিছে।

শ্ৰীগিৰিণ বৰুৱা : মাননীয় অধ্যক্ষ মহোদয়, গৰ্ভণিং বডিয়ে কেৱল কাছাৰকহে কিনিবলৈ দিয়া হৈছে যে বাকী বিলাক জিলাতো দিয়া হৈছে মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীগনেশ কুটুম (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, সামগ্ৰীবিলাক চেইল অথবেটিৰ পৰা কিনাত আমাৰ কোনো আপত্তি নাই।

শ্ৰীগিৰিণ বৰুৱা : মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে আমাক বিপথে পৰিচালিত কৰিছে।

Shri Binai Khungur Basumatary : Sir, will the Minister confirm whether the ISI Test certificate/was issued by the quality control I/C of the firm and not by the Steel Authority of India ? Whether it is a fact that the fitness certificates issued by the quality control officer was actually issued by the quality control officer of M/S Surendra Steel Rolling Mills, Mandi and not by the Steel Authority of India ? will the Minister confirm it ?

Shri Ganesh Kutum ( Minister ) : I will need time to clarify this.

Shri Binai Khungur Basumatary : Sir, the MInister has earlier stated that the certificate was issued by the Steel Authority of India, and if subsequently found that it was not so, then it was incorrect to say that the certificate was issued by the SAIL. Will he order an inquiry in the matter ?

শ্ৰীগনেশ কুটুম (মন্ত্ৰী) : মাননীয় অধ্যক্ষ, মহোদয়, আমি এই বিষয়ে পৰীক্ষা কৰি চাম।

শ্ৰীপ্ৰদীপ হাজৰীকা : মাননীয় অধ্যক্ষ মহোদয়, বি বিষয়ে আমাৰ মাননীয় সদস্য গৰাকীয়ে কৈছে-মহোদয়, মই নিজেও বি, এল, চি, চিৰ চেয়াৰমেন। আমি প্ৰায় ২-৩ বছৰে কোনো সময়তে কোনো কামত আগবাঢ়িব পৰা নাই।

আধাৰ বহুত কাম পিছপৰি আছে। এই বিষয়ে প্ৰজেক্ট ডাইৰেক্টৰক প্ৰশ্ন কৰাত তেখেত সকলে কয় আমি বস্তু কিনিব পৰা অৱস্থাত নাই কাৰণে সকলোবিলাক দিশতে কাম পিচ পৰি আছে। মেটেৰিয়েচল কিনিবৰ কাৰণে এই কথাটো চাব নেকি? বিভাগক বস্তু কিনিবলৈ অনুমতি নিদিয়াৰ বাবে বহুত কামত পিচপৰি আছে।

শ্ৰীগনেশ কুটুম (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত পৰ্ভিনিং বডিয়ে কেনেধৰণে আগ্ৰহ বা ইচ্ছা প্ৰকাশ কৰে বা কৰিছে নে নাই সেই বিষয়ে চাব লাগিব।

শ্ৰীগিৰিন্দ্ৰ কুমাৰ বৰুৱা: মাননীয় অধ্যক্ষ মহোদয়, এখন জিলাই আগ্ৰহ প্ৰকাশ কৰি চিঠি দিছে সেইটো কথা নহয়, আচল কথাটো হ'ল ইয়াৰ নীতিটো কি, এই ক্ষেত্ৰত চৰকাৰৰ নীতি কি সেইটোহে জানিব বিচাৰিছো।

শ্ৰীগনেশ কুটুম (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, কাচাৰৰ ডি, আৰ, ডিএৰ বিষয়াৰ লগত যোগাযোগ কৰি বিষয়টো তদন্ত কৰি চাম।

শ্ৰীহলিৰাম টেৰাং: এই যে পাৰচেজ কৰিছে সেইটো আমি নাজানো কিন্তু ইয়াৰ নীতিটো কি?————ইংৰাজীত————

শ্ৰীগনেশ কুটুম (মন্ত্ৰী): এইটো কথা মই কৈছিলোয়েই যে চৰকাৰৰ ফালৰ পৰা আপত্তি কৰিব লগীয়া একো নাই।

শ্ৰীপ্ৰদীপ হাজৰিকা: চৰকাৰৰ এনেকুৱা কিবা নীতি আছে নে নাই যদি আছে সেইটো ফলো আপ কৰিছে নে নাই? এই সম্পৰ্কত কিবা ইসট্ৰাকচন দিয়া আছে নেকি যদি তেনেধৰণৰ ষ্টেন্দিং অৰডাৰ আছে সেইটো জনাব লাগে।

শ্ৰীগনেশ কুটুম (মন্ত্ৰী): মই ফাৰডাৰ ক্লিয়াৰিফিকেশ্যনৰ কাৰণে জনাব বিচাৰিছো আৰু সেইকাৰণে ———ইংৰাজীত————।সেইটো যোৱা ১৯৮৮ চনৰ জুন মাহৰ পৰা ১৯৮৯ চনৰ জানুৱাৰী মাহলৈ ডিচেন্ট্ৰেলাইজ কৰি থোৱা হৈছে আৰু লাগতিয়াল বস্তু পাৰচেজ কৰাৰ ক্ষেত্ৰত ডিআৰডিএক অধিকাৰ দিয়া হৈছে। সেইকাৰণে চেইল মণ্ডীৰ পৰা পাৰচেজ কৰা হৈছে।

বিষয়: মীন মহলৰ পট্টনৰ ম্যাদ বৃদ্ধি।

শ্ৰীগোপীনাথ দাসে সুধিছে:

*৬৪৫। মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) কামৰূপ জিলাৰ অন্তৰ্গত পিজুপাৰা, হৰিডোবা, পাগাৰপাৰা, জলজলী মৎস্য ব্যৱসায় সমবায় সমিতিয়ে ৩নং (খ) নিম্ন খণ্ড ব্ৰহ্মপুত্ৰ ১৩নং বৃ পৰা জলজলী খোলাবন্ধা মীন মহলটোৰ পট্টনৰ ম্যাদ ৩ (তিনি) বছৰ বঢ়াই এক্সটেনশ্যন) দিয়াৰ বাবে চৰকাৰৰ ওচৰত আবেদন কৰা কথাটো সঁচানে?
(খ) যদি সঁচা তেন্তে চৰকাৰে উল্লেখিত সমবায় খনৰ মীন মহলটোৰ পট্টনৰ ম্যাদ বঢ়াই দিছেনে?
(গ) যদি ম্যাদ বঢ়াই দিছে তেন্তে কিমান বছৰৰ বাবে দিয়া হৈছে জনাবনে
(ঘ) যদি দিয়া হোৱা নাই তেন্তে অতি সোনকালে পট্টনৰ ম্যাদ বঢ়াই দিয়াৰ ব্যৱস্থা কৰিবনে?

শ্ৰীউমেশ চন্দ্ৰ দাস (মীন বিভাগৰ বাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে:
(ক) সঁচা।
(খ) এতিয়ালৈকে মহলৰ ম্যাদ বঢ়াই দিয়া হোৱা নাই।
(গ) প্ৰশ্ন নুঠে।
(ঘ) চৰকাৰৰ বিবেচনাধীন হৈ আছে।

শ্ৰীগোপীনাথ দাস: মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে উত্তৰত কৈছে যে চৰকাৰৰ বিবেচনাধীন হৈ আছে। এইটো বিবেচনা কৰাৰ কথা নাই কাৰণ ৩১ মাৰ্চলৈকে ইয়াৰ ম্যাদ আছিল আৰু ইয়াৰ ম্যাদ ইতিমধ্যে শেষ হৈ গৈছে। এক এপ্ৰিলৰ পৰা নতুনকৈ বণ্টন কৰিব লাগে। এতিয়া মে মাহ হৈ গ'ল এইবাৰ মাছৰ বেমাৰ হোৱা কাৰণে ম্যাদ বৃদ্ধি কৰাৰ ক্ষেত্ৰত চৰকাৰৰ এটা স্পষ্ট নিৰ্দ্দেশ আছে, গতিকে ম্যাদ বৃদ্ধি কৰাৰ কাৰণে অতি সোনকালে ব্যৱস্থা লব লাগে। তাৰোপৰি হাইকোৰ্টৰ অৰ্ডাৰো এই ক্ষেত্ৰত আছে, গতিকে পলম কৰাৰ কোনো কাৰণ নাই।

শ্ৰীউমেশ দাস (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, আগতেও সদনত কোৱা হৈছিল যে প্ৰকৃয়ংকৰী বানপানী আৰু মাছৰ বেমাৰৰ কাৰণে যিবিলাক মহল ক্ষতিগ্ৰস্ত হৈছে সেইবিলাকৰ ম্যাদ বৃদ্ধি কৰাৰ কাৰণে এটা স্পষ্ট নীতি লোৱা হৈছে। এই ক্ষেত্ৰত প্ৰকৃততেই ক্ষতিগ্ৰস্ত হয় নে নহয় সেই বিষয়ে স্পষ্ট ভাবে জানিবলৈ মহকুমাধিপতি আৰু জিলা উপায়ুক্তৰ পৰা প্ৰতিবেদন বিচৰা হৈছিল। প্ৰতিবেদন পোৱাৰ পিচত পৰীক্ষা নিৰীক্ষা কৰি আৱশ্যকীয় বিধি অনুযায়ী ব্যৱস্থা লোৱা হব।

শ্ৰীগোপীনাথ দাস : জিলা উপায়ুক্তৰ ৰিপৰ্টত এই ম্যাদ বৃদ্ধি কৰিব লাগে বুলি লিখা আছে। কিয়নো মাছৰ ৰোগৰ কাৰণে তাত চাৰি মাহ মাছ মাৰিব পৰা নাই। জিল উপায়ুক্তৰ ৰিপৰ্টত এইটো ক্লিয়াৰ আছে; গতিকে অতি সোনকালে উক্ত মহলৰ ম্যাদ বৃদ্ধি কৰাৰ ব্যৱস্থা কৰিব লাগে।

ডা: কমলা কলিতা : মাননীয় অধ্যক্ষ মহোদয়, পইন্ট অব অৰডাৰ, ডি, চিৰ ৰিপৰ্ট মাননীয় সদস্য জনৰ হাতত কেনেকৈ থাকিল ?

শ্ৰীগোলোক ৰাজবংশী : তাৰ উত্তৰ চৰকাৰে দিব লাগিব কেনেকৈ ৰিপোৰ্টটো তেওঁ পালে।

শ্ৰীউমেশ চন্দ্ৰ দাস ( মন্ত্ৰী ) মই আগতেই কৈছো, ইতিমধ্যে মোৰ ওচৰত সংশ্লিষ্ট নথি পেচ কৰা হৈছে। আৰু পৰীক্ষা-নিৰীক্ষা কৰি চাই বিধিমতে আৱশ্যকীয় ব্যৱস্থা লোৱা হ'ব।

শ্ৰীগোপীনাথ দাস : ৰেভিনিউ লষ্ট হৈ আছে। গতিকে সোনকালে ব্যৱস্থা লব লাগে।

শ্ৰীশান্তিৰঞ্জন দাসগুপ্ত : মাননীয় অধ্যক্ষ মহোদয়, হাইকোৰ্টৰ কিবা অৰডাৰ আছে নেকি ? যদি আছে, পঢ়ি শুনাব লাগে।

শ্ৰীউমেশ চন্দ্ৰ দাস ( মন্ত্ৰী ) : জিলা উপায়ুক্ত আৰু মহকুমাধিপতিৰ পৰা প্ৰতিবেদন পোৱাৰ পাচত পৰীক্ষা-নিৰীক্ষা কৰি আৰু তাৰ ওপৰত ভিত্তি কৰিহে ম্যাদ বৃদ্ধি কৰাৰ ব্যৱস্থা কৰিব পৰা হ'ব যদি বিবেচনা যোগ্য হয়।

Re : Patharkandi Veterinary Dispensary.

Shri Manilal Goala asked :

*646. Will the Minister, Veterinary be pleased to state :

(a) How many Veterinary Dispensaries of the state are running without Doctors ?

(b) What is the reason thereof ?

(c) Whether the Government is aware that Patharkandi Veterinary Dispensary which is the only dispensary in the entire block is running without a Doctor ?

(d) If so, when will the Doctor be posted ?

Shri Dilip Saikia Sonowal ( Minister of State, Veterinary ) : replied

(a) 121 Veterinary Dispensaries are running wi hout doctors throughout the State.

(b) These posts are lying vacant due to dearth of Veterinary Doctors.

(c) Yes.

(d) As soon as Veterinary Doctors are available, a Doctor will be posted there.

শ্ৰীমণিলাল গোৱালা : এটা ব্লকত এখন ভেটিৰিনাৰী হস্পিতাল আছে আৰু তাত ডাক্তৰ নথকাৰ কাৰণে ডি, আৰ, ডি, এ আৰু আই, আৰ, ডি, পিৰ পৰা লোণ দিয়া নাই। ডাক্তৰ তাত নথকাৰ কাৰণে গৰু মহৰ যি বেমাৰ হৈছে সেইটো চিকিৎসা কৰিব পৰা নাই। আমি জনাত এতিয়া ১২১ টা পোষ্ট খালি আছে। এই কেই বছৰৰ ভিতৰত এই পোষ্ট কেইটা ফিলআপ কৰাৰ কাৰণে চৰকাৰে কি ব্যৱস্থা লৈছে ?

শ্ৰীসুৰেন্দ্ৰ মেধী ( মন্ত্ৰী ) : এইটো সকলোৱে জানে যে আমাৰ ৰাজ্যত যিমানখিনি ভেটিৰিনাৰী ডাক্তৰৰ আৱশ্যক সিমানখিনি ডাক্তৰ নাই। সেই কাৰণে যোৱা বছৰ চৰকাৰে লক্ষিমপুৰ জিলাত আন এখন ভেটিৰিনাৰী কলেজ প্ৰতিষ্ঠা কৰা হৈছে আৰু তাত ইতিমধ্যে কাম আৰম্ভ কৰা হৈছে। আৰু আমি এতিয়া যিমানখিনি অৰ্হতা সম্পন্ন ভেটিৰিনাৰী ডাক্তৰ নিয়োগ কৰিবৰ কাৰণে বছৰি আমি ২৫।৩০ জনলৈকে দিব পাৰে। সেই কাৰণে ১২১ জন ভেটিৰিনাৰী ডাক্তৰ ফিলআপ কৰোতে অলপ সময় লব, কিন্তু ডাক্তৰ নহলেও ডি, এফ, এৰ দ্বাৰা সেই ভেটিৰিনাৰী ডিচপেনচাৰী বিলাক পৰিচালনা কৰি থকা হৈছে।

( Starred Questions No 647, 648 & 649 were not Called for )

বিষয় : কামৰূপ জিলাৰ পট্টনৰ ম্যাদ শেষ হোৱা মীন মহলৰ সংখ্যা।

শ্ৰীমকবুল হুছেইনে সুধিছে :

* ৬৪৭। মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ১৯৮৯ চনৰ ৩১ মাৰ্চ তাৰিখে কামৰূপ জিলাৰ কিমানটা মীন মহলৰ পট্টনৰ ম্যাদ শেষ হৈছে জনাবনে ?

(খ) উক্ত মীন মহলবোৰৰ ভিতৰত চৰকাৰে এতিয়ালৈকে কিমানটা মীন মহলৰ পট্টন দিছে জনাবনে ?

(গ) এইটো কথা সঁচানে যে, ৩ নং (খ) নিম্ন ব্ৰহ্মপুত্ৰ ১৩নং ৰূপনা জলজলি খোলাবন্ধা মীন মহলটো চৰকাৰে ম্যাদ শেষ হোৱাৰ পিচতো আজিলৈকে পট্টন দিয়া নাই ?

(ঘ) যদি সঁচা তেন্তে উক্ত মীন মহলটো পট্টন নিদিয়াৰ কাৰণটো চৰকাৰে জনাবনে ?

শ্ৰীউমেশ চন্দ্ৰ দাস ( মীন বিভাগৰ ৰাজ্যিক মন্ত্ৰী )য়ে উত্তৰ দিছে :

(ক) ১০ (দহ) খন ।

(খ) ৪ (চাৰি) খন ।

(গ) সঁচা ।

(ঘ) চৰকাৰৰ বিবেচনাধীন হৈ আছে ।

Re : Electrification of Mandia Development Block.

* Shri Sheikh Abdul Hamid asked :

Will the Minister, Panchayat & Rural Development be pleased to state ;

(a) Whether the Government is aware that there is no provision of electricity in the Mandia Development Block Office and Staff quarters and hand pulled Punkhas are used there during summer incurring heavy expenditure ?

(b) If so, will the Government take necessary steps for electrification of the said office and staff quarters and make provision for street light in the office Campus during 1989-90 ?

Shri Ganesh Kutum ( Minister of Panchayat & Rural Development ) replied :

(a) There is no provision of electricity in the Mandia Development Block & Staff quarter. Three numbers of Punkha pullers at a fixed wages of Rs. 370/- p.m. each are engaged for 5 months each year.

(b) It will depend on availability of funds.

বিষয় : মৰিয়নি প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ ।

শ্ৰীনৰেন তাঁতীয়ে সুধিছে :

৬৪৯। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) মৰিয়ান পি, এইচ, চি খনৰ বৰ্ত্তমান অৱস্থাৰ কথা চৰকাৰে জানেনে ?

(খ) এই স্বাস্থ্য কেন্দ্ৰত ডাক্তৰ আৰু নাৰ্চ কেইজন আছে ?

(গ) এই স্বাস্থ্য কেন্দ্ৰত পিয়ন চৌকিদাৰ আছেনে আৰু যদি আছে কেইজন আছে ?

(ঘ) বিছনা কেইখন আছে ?

শ্ৰীছামছিং হাঞ্চে (স্বাস্থ্য বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) হয় জানে।

(খ) ডাক্তৰ দুজন আৰু নাৰ্চ এগৰাকী।

(গ) আছে, এজন পিয়ন আৰু এজন চকিদাৰ।

(ঘ) বৰ্ত্তমান বিছনাৰ কোনো ব্যৱস্থা নাই।

Re : Pakalagi-Halicharabori Bund.

Shri Maziruddin Ahmed asked :

* 650. Will the Minister, Rural Development be pleased to state :

a) The length of the Pakalagi-Halicharabori Bund under Matia Block of Goalpara ?

(b) Total amount spent so far on the said Bund ?

c) Whether there had been any breach in the said Bund and if so how many times ?

d) Whether any expert opinion was taken when hume pipes were placed on the said Bund ?

e) Is it a fact that the said Bund has again breached and there is a proposal to construct a bridge there ?

Shri Ganesh Kutum (Minister, Rural Development) replied :

a) 1.5 Km.

b) Rs. 2,81, 512, 00 (Rupees two lakhs eighty one thousand five hundred and twelve) only.

c) Yes twice.

d) Yes.

e) Yes,

(মন্ত্ৰী মহোদয়ে প্ৰশ্নৰ উত্তৰ পঢ়ি দিয়াৰ পিচতেই প্ৰশ্নোত্তৰৰ সময় শেষ হয়)

**Undisposed Starred Questions**

(To which oral answers were not Called for want of time. However written answers deemed to have been laid on Table as follows)

বিষয় : পট্টৰ ম্যাদ শেষ হোৱা মীন মহলৰ সংখ্যা 1

শ্ৰীৰশিদুল হকে সুধিছে :

*৬৫১। মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ১৯৮৯ চনৰ ৩, মাৰ্চ তাৰিখে অসমত মুঠ কিমানটা মীন মহলৰ পট্টনৰ ম্যাদ শেষ হৈছে জনাবনে ?

(খ) উক্ত মীন মহলবোৰৰ ভিতৰত কিমানটা মীন মহল চৰকাৰে চিটিং লেচিক পট্টন দিছে আৰু কিমানটা পট্টন দিবলৈ বাকী আছে জনাবনে ?
(গ) এইটো কথা সঁচানে যে, ৩ নং (খ) নিম্ন খণ্ড ব্ৰহ্মপুত্ৰ ১৩ নং কৃপনা জলজলি খোলাবন্ধা মীন মহলখন আজিলৈকে পট্টন দিয়া হোৱা নাই।
(ঘ) যদি সঁচা, তেন্তে অতি সোনকালে উল্লেখিত মীন মহলখন চিটিং লেচিক পট্টন দিয়াৰ ব্যৱস্থা কৰিবনে ?
(ঙ) যদি কৰা হয় তেন্তে কেতিয়া কৰিব জনাবনে ?

শ্ৰীউমেশ চন্দ্ৰ দাস (মীন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে :
(ক) মুঠ ১৩৫ টা মীন মহলৰ ম্যাদ শেষ হৈছে।
(খ) বৰ্ত্তমানলৈকে ৫১ টা মীনমহলৰ পট্টন পূৰ্ব্বৰ মহলদাৰক (sitting lessee) দিয়া হৈছে। ৭৫ টা মীনমহল পট্টন দিবলৈ বাকী আছে।
(গ) সচাঁ।
(ঘ) চৰকাৰৰ বিবেচনাধীন হৈ আছে।
(ঙ) যথা সম্ভৱ সোনকালে বন্দোবস্তি দিয়াৰ ব্যৱস্থা কৰা হ'ব।

বিষয় : মৈৰাবাৰী খণ্ড উন্নয়ন কাৰ্য্যালয়।

শ্ৰীশ্বহীদুল ইছলামে সুধিছে :

*৬৫২। মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :
(ক) মৈৰাবাৰীত খণ্ড উন্নয়ন কাৰ্য্যালয় এটা স্থাপন কৰাৰ কাৰণে চৰকাৰে কিবা ব্যৱস্থা লৈছে নেকি ?
(খ) উক্ত খণ্ড উন্নয়ন কাৰ্য্যালয়ৰ কাৰণে চৰকাৰে মাটি অধিগ্ৰহন কৰিবলৈ কিবা ব্যৱস্থা লৈছে নেকি ?
(গ) মৈৰাবাৰী মাৰকেটিং চোচাইটি উঠাই দিয়াৰ ফলত খালি হৈ থকা কাৰ্য্যালয় ঘৰটোত বৰ্ত্তমান অস্থায়ী ভাৱে মৈৰাবাৰী খণ্ড উন্নয়নৰ কাৰ্য্যালয়টো স্থাপন কৰাৰ ব্যৱস্থা লবনে ?

শ্ৰীগনেশ কুটুম (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :
(ক) হয়, মৈৰাবাৰীত এটা খণ্ড উন্নয়ন কাৰ্য্যালয় স্থাপন কৰাৰ কাৰণে ইতিমধ্যে অধীসূচনা জাৰি কৰা হৈছে।
(খ) হয়, লোৱা হৈছে।
(গ) নতুন পদ সৃষ্টি হলে পৰীক্ষা কৰি চোৱা হ'ব।

Re . Doctors of Sonai P.H.C.

Shri Abdul Rob Laskar. asked :

o 653 Will the Minister, Health & F. W., Assam be pleased to state :

( a ) Is it a fact that 4 Nos of Doctors are minimum requirement at Sonai P. H, C. under Silchar Sub-Division ?

( b ) Is it a fact that since last few months only one doctor has been working in that P. H. C, ?

( c ) What is the reason for not posting the other 3 doctors in that P. H. C, inspite of several demands made by the public ?

( d ) Will the Govvernment immediately place at least two doctors, if not possible to post 3 doctors on humanitarian ground ?

Shri Samsing Hanse ( Minister, Health & F. W. ) replied :

( a ) No.

( b ) Yes.

( c ) Posting of one doctor against a sanctioned post was delayed as the selection was done by Assam Public Service Commission.

( d ) One Dr, Uday Bhanu Chakravorty has been appointed on 1-4-89.

**Re : Diversion of Social Forestry Fund Mandia for Development Block.**

**Shri A. F. Golam Osmani asked.**

1017, will the Minister, Rural Development be pleased to stat e :

a) Whether it is a fact that the allocations earmarked for Social Forestry schemes of 1988-89 for Mandia Block of Barpeta District Rural Development Agency were diverted for flood damage repairs ?

(b If so, what was the sum involved ?
(Please quote allocation RLEGP/NREP wise )

c) Total amount so diverted on what items of F. D. R. ?
(Please quote schemewise expenditure made on F. D. R, work)

Shri Ganesh Kutum (Minister, Rural Development) replied :

a) It was diverted to Flood Rehabilitation programme.

b) Fund allocated for Mandia Development Block for Flood Rehabilitation works :-

| | |
|---|---|
| N. R. E. P. | Rs. 3.08 lakhs |
| R. L. E. G. P. | Rs. 1,80 lakhs |
| | Rs. 4.88 lakhs |

c) The amounts so diverted are being utilised for the following Flood Rehabilitation works :-

1. Repairing of Flood Rehabilitation Roads.

2. Construction of raised plateform.

Statement of Schemewise Expenditure under Flood Rehabilitation works :

R. L. E. G. P.

1988-89

| | Estimates amount | Expenditure made. |
|---|---|---|
| 1. Repairing of road from Barpeta Baghbar PWD Road to Mandia Rowmari PWD Road. | Rs. 34,600.00 | Rs. 32,884.00 |
| 2. Repairing of road from Mainabari to Tarakandi Road. | Rs. 14,000.00 | Rs. 13,077.00 |
| 3. Repairing of Road from Mainabari Bazar to Mainabari H.S.School. | Rs. 19,000.00 | Rs. 18,050.00 |
| 4. Repairing of Road from Gajia Gobindpur PWD Road to Bhelongi Bundh Road. | Rs. 12,400.00 | Rs. 11,116.00 |
| 5. Construction raised Plateform at Gobindpur. | Rs. 50,000.00 | Rs.16 ,842.00 |
| 6. Construction raised plateform at Mazarchar | Rs. 50,000,00 | Rs. 16,842.00 |
| | Rs. 1,80,000.00 | Rs.1,08,811.00 |

N.R.E.P :

| | | |
|---|---|---|
| 1, Repairing of Road from Agmandia to Bhairarpam Road. | Rs. 31,940.00 | Rs. 16,543.00 |
| 2. Reparing of Agarjan Bundh | Rs. 27,907.00 | Rs. 15,913.00 |
| 3. Reparing of Kanara village Rd. | Rs. 30,900.00 | Rs. 18,658.00 |
| 4. Repairing of 2nd Phase of Satrakanara Vill. Road. | Rs. 16,100.00 | Rs. 9,771.00 |

| | | | |
|---|---|---|---|
| 5. | Repairing of Baghbar S.T. village Rd. | Rs. 10,200.00 | Rs. 6,178.00 |
| 6. | Repairing of Road from Ramapara Chapari to Mowamari | Rs. 22,400.00 | Rs. 12,975.00 |
| 7. | Repairing of Gajia Karertal Rd. | Rs. 9.340.00 | Rs. 5,805.00 |
| 8. | Repairing of Jania Village Rd. | Rs. 24,521.00 | Rs. 14,957.00 |
| 9. | Repairing of Rd. from Kadang High School to Sanpura Bazar Rd. | Rs. 20 800.00 | Rs. 12,641.00 |
| 10. | Repairing of Road from Gobindapur to 4 no Bheragaon Agril Bundh | Rs. 18,000.00 | Rs. 11,363 00 |
| 11. | Repairing of Rd. from Mainabari thana to Mainabari Bazar Rd, | Rs. 9,090.00 | Rs. 6,295.00 |
| 12. | Repairing of Uttar Mainabari village Road | Rs. 25,200.00 | Rs. 15,149.00 |
| 13. | Repairing of Tarakandi Agril Bundh | Rs. 20,300 00 | Rs. 14,661.00 |
| 14. | Repairing of Bhatnapaty village road | Rs. 25,900.00 | Rs. 15,614.00 |
| 15. | Alopati-Mazarchar to Nichanarchar village Road | Rs. 15,225.00 | Rs. 9.133.00 |
| | Total | Rs. 3,07,823.00 | Rs. 1,85,659.00 |

বিষয় : গাড়ীৰ নং এ এম ই ২৩২৬

শ্ৰীবলোভদ্ৰ তামুলীয়ে সুধিছে :

১০১৮। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) যোৰহাট এছ, এইচ, টি, অ ৱ ডিপুটি ডাইৰেক্টৰৰ কাৰ্য্যালয় আৰু ওৱাৰ্কচপ নিজা ভৱনলৈ স্থানান্তৰ কৰোতে কিমান ব্যয় হৈছিল ?

(খ) এই কামত এ, এম ই ২৩২৬ গাড়ীখন ব্যৱহাৰ হৈছিলনেকি ?

(গ) যদি হৈছিল এই গাড়ীখনেৰে কি কি বস্তু কঢ়িওৱা হৈছিল আৰু তাড়াৰ বাবদ কিমান টকা আদায় দিয়া হৈছিল ?

(ঘ) এই গাড়ীখন কোন শ্ৰেণীৰ গাড়ী আৰু ওজন কঢ়িওৱাৰ ক্ষমতা কিমান ?

(ঙ) গাড়ীখনৰ মালিক কোন আৰু ভাড়া কাক আদায় দিয়া হৈছিল ?

শ্ৰীহামছিং হাকে (স্বাস্থ্য বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) যোৰহাট এছ, এইচ, টি, অ ৱ ডিপুটি ডাইৰেক্টৰৰ কাৰ্য্যালয় স্থানান্তৰ

কৰোতে মুঠ ৩৯৯৫/৫০ ( তিনিহাজাৰ নশ পঞ্চান্নৈ টকা পঞ্চাশ পইচা ) মাত্ৰ খৰচ কৰা হৈছিল।

( খ ) এই কামত এ এম ই ২০২৬ গাড়ীখন ব্যৱহাৰ হোৱা নাছিল। এ এম ই ২১৬২ মহিন্দ্ৰ মিনি ট্ৰাক এখন ব্যৱহাৰ হৈছিল।

( গ ), ( ঘ ) আৰু ( ঙ ) প্ৰশ্ন নুঠে। ( এ এম ই ২০২৬ গাড়ীখন স্বাস্থ্য বিভাগৰ গাড়ী নহয়।

বিষয় : অসম চিকিৎসা মহাবিদ্যালয়ৰ পানী আৰু বায়ু দূষিতকৰণ।

শ্ৰীকুসুম্বৰ টাইৰাই ( পগৈ ) য়ে সুধিছে :

১০১৯। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

( ক ) অসম চিকিৎসা মহাবিদ্যালয়ৰ গেলা-পচা, আৱৰ্জনা, দূষিত পানী আদি ওলাই যোৱা ঘাই নলাটো জালান কৰ্তৃপক্ষই বন্ধ কৰি ৰখা কথাটো জনাবনে ?

( খ ) যদি জানে তেন্তে চিকিৎসা মহাবিদ্যালয়খনৰ পানী আৰু বায়ু ৰ দূষিতকৰণ কেনেকৈ প্ৰতিৰোধ কৰে জনাবনে ?

শ্ৰীচামছিং হাঞ্চে ( স্বাস্থ্য বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

( ক ) ঘাই নলাটো জালান কৰ্তৃপক্ষই বন্ধ কৰি ৰখা কথাটো সত্য নহয়।

( খ ) প্ৰশ্ন নুঠে।

( Unstarred Question No 1020 was deferred )

বিষয় : হিউম পাইপ যোগান।

শ্ৰীইউছুফ আলী আহমেদে সুধিছে :

১০২১। মাননীয় গ্ৰাম্য উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

( ক ) ধুবুৰী জিলা গ্ৰাম্য উন্নয়ন অধিকৰণৰ হিউম পাইপ চাপ্লাই যোৱা তিনি বছৰৰ পৰা কোন প্ৰতিষ্ঠানে দি আছে ?

( খ ) হিউম পাইপ চাপ্লাইৰ নিবিদা কোন কোন প্ৰতিষ্ঠানে দিছিল আৰু তাৰ ভিতৰত অসমৰ কোন প্ৰতিষ্ঠান আৰু অইন ৰাজ্যৰ কোন প্ৰতিষ্ঠান আছিল নামবোৰ জনাব ?

( গ ) পশ্চিম বংগৰ এম এচ কোচবিহাৰ ইণ্ডাষ্ট্ৰিজ হিউম পাইপ চাপ্লাইৰ ঠিকা কিমান দিনৰ পৰা দি আছে আৰু তাৰ টকাৰ পৰিমাণ কিমান ?

( ঘ ) ইয়াৰ দ্বাৰা আসাম প্ৰিফাৰেণচিয়েল ষ্টোৰ পাৰচেজ কনচ ১৯৭২ উলংঘা কৰা হৈছে নেকি ?

(ঙ) যদি হৈছে তেন্তে ইয়াৰ কাৰণে দায়ী কোন আৰু এই দায়ী ব্যক্তি সকলৰ বিৰুদ্ধে যথোচিত ব্যৱস্থা লবনে?

শ্ৰীগনেশ কুটুম (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী) যে উত্তৰ দিছে :

(ক) তলত উল্লেখ কৰা প্ৰতিষ্ঠান সমূহৰ পৰা যোৱা তিনি বছৰ হিউম পাইপ কিনা হৈছে।

১। বঙাইগাওঁ কংক্ৰিত ইণ্ডাষ্ট্ৰীজ লিমিটেদ, বঙাইগাওঁ।

২। আসাম ষ্টীল এণ্ড কংক্ৰিত প্ৰদাক্টচ্ লিমিটেদ, গুৱাহাটী।

৩। কোচবিহাৰ ইণ্ডাষ্ট্ৰীজ, কোচবিহাৰ, পশ্চিম বংগ।

(খ) ওপৰৰ তিনিখন প্ৰতিষ্ঠানে নিবিদা দিছিল। ওপৰত দিয়া (১) আৰু (২) নং অসমৰ (৩) নং অসমৰ বাহিৰৰ প্ৰতিষ্ঠান।

(গ) এই প্ৰতিষ্ঠানে ১৯৮৬-৮৭ চনৰ পৰা হিউম পাইপ দি আছে আৰু সৰ্ব্ব মুঠ ৪ লাখ ৮ হেজাৰ ২২ টকা ৯২ পইচাৰ হিউম পাইপ যোগান ধৰিছে।

(ঘ) দেখাত বিষয়টো আসাম প্ৰিফাবেনচিয়েল ষ্টোৰ পাৰচেজ কলচ ১৯৭২ ৰ পৰিপন্থী যেন লাগে। বিষয়টো সম্পৰ্কে বিতং তদন্ত কৰিবলৈ গ্ৰামোন্নয়ন সঞ্চালকক নিৰ্দ্দেশ দিয়া হৈছে।

(ঙ) ৰাজ্যখনৰ ভিতৰত এনে সামগ্ৰী প্ৰস্তুত কৰা উদ্যোগ থকা স্বত্বেও ৰাজ্যৰ বাহিৰৰ প্ৰতিষ্ঠানৰ পৰা হিউম পাইপ ক্ৰয় কৰাটো উক্ত অধীনিয়মৰ পৰিপন্থী। জিলা গ্ৰামোন্নয়ন অধিকৰণ কাৰিকৰী উপ-সমিতিয়ে কোচবিহাৰৰ ইণ্ডাষ্ট্ৰীজৰ হিউম পাইপৰ উৎকৃষ্ট মানৰ আৰু দামো কম হোৱাৰ কাৰণে উক্ত প্ৰতিষ্ঠানৰ পৰা কিছু হিউম পাইপ কিনিছিল। তথাপিও অসমৰ প্ৰতিষ্ঠানে নিবিদা নিদিয়া স্বত্বেও কোচবিহাৰৰ দামতে হিউম পাইপ যোগান ধৰিবলৈ বঙাইগাওঁ কংক্ৰেত ইণ্ডাষ্ট্ৰীজক হিউম পাইপ যোগান ধৰিবলৈ দিয়া হৈছে। আন হাতে এন আৰ ই পি আৰু আৰ এল ই জি পি আচঁনিৰ কাম বিলাকত ৱেজ আৰু নন্‌ৱেজৰ (Wage and Non-Wage) ৫০ : ৫০ হ'ব লগাত কাৰণেও সস্তা অথচ ভাল বস্তু কিনিব লগা হৈছে। তথাপিও এই বিষয়ে তদন্তৰ প্ৰতিবেদন পোৱাৰ পিছতহে যথোচিত ব্যৱস্থা গ্ৰহন কৰিব পৰা যাব।

Re :- Diversion of Social Forestry fund for Ruposi Development Block.

Shri A. F. Golam Osmani asked:

1022. Will the Minister, Rural Development be pleased to state:

a) Whether it is a fact that the allocations earmarked for Social Forestry Schemes of 1988-89 for Ruposi Development Block of Barpeta D.R.D.A. were diverted for flood damage repairs ?

b) If so what was the sum involved ?

(Please quote RLEGP/NREP allocation for the year involved)

c) Total amount so diverted utilized on what items of F.D.R. ?

(Please quote schemewise expenditure made on F.D.R. work vis-a-vis estimates made)

Shri Ganesh Kutum(Minister, Rural Development) replied :

a) It was diverted for Flood Rehabilitation programme.

b) Fund allocated for Flood Rehabilitation works for Ruposi Development Block for 1988-89 are as follows :-

N.R.E.P. -Rs. 2.6 lakhs

R.L.E.G.P. -Rs. 1.8 lakhs

-Rs. 4.4 lakhs

(c) Flood Rehabilitation works taken up consist of:-

1. Repairing of damaged village Roads;
2. Construction of raised Plateforms.
3. Repairing of L.P. Schools.

**Statement of Schemewise expenditure**

| Items of work | Estimated amount | Expenditure made |
|---|---|---|
| N.R.E.P. | | |
| 1. Repairing of Sewrachara Village road. | Rs. 19,000.00 | Rs. 17,999.00 |
| 2. Repairing of Hatchara Village road (Ph-II) | Rs. 24,000.00 | Rs. 22,896.00 |
| 3. Repairing of Banghugi Village road (Ph-I) | Rs. 20.000.00 | Rs. 19,043.00 |
| 4. Repairing of Banghugi Village road (Ph-II | Rs. 37,000.00 | Rs. 35,239.00 |
| 5. Repairing of Manikpur Issapur Village road. | Rs. 20,000.00 | Rs. 19,098.00 |

| | | | |
|---|---|---|---|
| 6. | Repairing of Digjani Totapani village road | Rs. 20,000.00 | Rs. 19,072.00 |
| 7. | Repairing of Galia Kasukati village road | Rs. 9,023.00 | Rs. 7,344.00 |
| 8. | Repairing of Sarubarid village road | Rs. 17,300.00 | Rs. 16.646.00 |
| 9. | Repairing of Kalgachia Joshihati village road | Rs. 26,200.00 | Rs. 16,848,00 |
| 10. | Repairing of Dahlapara to Feurakhowa village road | Rs. 8,000.00 | Rs. 7,244.00 |
| 11. | Repairing of Kalgachia Kharballia village road | Rs. 23,800.00 | Rs. 18,842.00 |
| 12. | Repairing of Dewkora Monokasa village road | Rs. 5,000.00 | Rs. 3,824,00 |
| 13. | Amguri village road | Rs. 20,000.00 | Rs. 9,556.00 |
| 14. | Ahompathar L. P. School | Rs. 10,147.00 | Rs. 2.537.00 |
| | | Rs, 2,59,470.00 | Rs, 2,16,591.00 |

R.L.E.G P.

| | | | |
|---|---|---|---|
| 1. | Repairing of Langla Pachim Chikney Hatchara vill-road ( Ph-II ) | Rs. 30,000.00 | Rs. 28,553.00 |
| 2, | Repairing of Road from Meda via Niz Meda and Dakshin Bherbhery to Noontola Seri-culture farm ( Ph-I ) | Rs. 10,000,00 | Rs. 9,888.00 |
| 3. | Repairing of Puthimari Nayachar vill. road | Rs. 10,000.00 | Rs, 9.486.00 |
| 4. | Repairing of Langla Pachim Chickney Hatchara vill. road ( Ph-I ) | Rs. 15,000.00 | Rs. 14,265.00 |
| 5. | Repairing of road from Meda via Niz Meda and Dakshin Bherbhery to Noontola Seri-culture farm ( Ph. II ) | Rs. 15,000,00 | Rs. 14.694.00 |
| 6. | Construction of raised plate-form at Sewra-chara | Rs. 50,000.00 | Rs. 16,842.00 |
| 7. | Construction of raised plate-form at Amgurichar | Rs. 50.000.00 | Rs. 16,842,00 |
| | Total | Rs. 1,80,000.00 | Rs. 1,10,570.00 |

SUB : Medical Dispensaries/Centres run by the Mohkuma Parishads.

Shri A. F. Golam Osmani asked :

1023. Will the Minister of Panchayat be pleased to state :

(a) How many Medical Dispensaries/Centres are being run by the Department through Mohkuma Parishads in the State ? ( Please furnish figure Mohkuma Parishadwise )

(b) The amount spent to maintain these in 1985-86, 1986-87, 1987-88 and 1988-89 ? ( Please furnish figures Mohkuma Parishadswise )

Shri Ganesh Kutum ( Minister of Panchayat ) replied :

(a) As per information received, there are fifteen Numbers of Medical Sub-Centres run by the Barpeta Mohkuma Parishad alone in the State.

(b) The amount spent to maintain these 15 numbers of Medical Sub-Centres by the Mohkuma Parishad are as follows :

1985-86 — Rs. 2,24,471.00

1986-87 — Rs. 1,97,062.00

1987-88 — Rs. 23,615.20 ( Salary of 1987-88 paid during 1988-89 )

1988-89 — Rs. 3,21,806.90

Re : Child feeding Centres of Mandia and Ruposi.

Sri A. F. Golam Osmani asked :

1024. Will the Minister, Panchayat and Community Development be pleased to state :

(a) Name and Locations of Child feeding centres being run in Ruposi and Mandia Development Blocks of Barpeta District from 1986-87 to 1988-89 ?

( Please state Gaon Panchayatwise and quantum of feeds distributed through these centre )

Shri Ganesh Kutum ( Minister of Panchayat & R. D. ) replied ;

(a) Necessary information is given in the statement enclosed )
( See the list at Annexure-II )

বিষয়: চৰকাৰী চিকিৎসালয়ত ঔষধ যোগান।

শ্ৰীৰত্নেশ্বৰ সৰকাৰে সুধিছে:

১০১৫। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) চৰকাৰী চিকিৎসালয় বিলাকত কি কি ঔষধ যোগান ধৰা হয়?

(খ) উক্ত ঔষধ বিলাকৰ ভিতৰত কিছুমান ঔষধ নিৰাপত্তাৰ মাজত ৰাখিব লাগে সেই সুবিধা সকলো চৰকাৰী চিকিৎসালয়ত আছেনে?

(গ) চৰকাৰী চিকিৎসালয়ৰ পৰা যোগান ধৰা কিছুমান ঔষধত এক্সপায়াৰ দেট নাই, এই সম্পৰ্কে চৰকাৰ অৱগত নে?

(ঘ) যদি অৱগত, তেন্তে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

শ্ৰীছামছিং হাঞ্চে (স্বাস্থ্য বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে:

(ক) দৈনন্দিন চিকিৎসাৰ বাবে প্ৰয়োজনীয় সকলো দৰৱ পুঁজি সাপেক্ষে যোগান ধৰা হয়। যেনে এন্টি ডায়েৰীয়েল, এন্টি পাইৰেটিক, এন্টাচিড, এনালজেছিক, এন্টিবায়টিক কেপচুল, টেবলেট আৰু চাচপেনচন, ইঞ্জেকচন, ড্ৰপ, পাউদাৰ আৰু ভিটামিন এমপুল, আইৰণ টেবলেট ইত্যাদি।

(খ) চৰকাৰী চিকিৎসালয় বিলাকত ঔষধ নিৰাপত্তাকৈ ৰখাৰ বাবে ঔষধৰ ভৰাল আছে।

(গ) হয়।

(ঘ) বিবোৰ ঔষধৰ ক্ষেত্ৰত এক্সপায়াৰ দেটৰ উল্লেখ নথাকে তেনেবোৰ ঔষধ বহুত দিনলৈ ব্যৱহাৰ কৰিব পৰা হৈ থাকে।

বিষয়: কলিয়াপানী ডায়েৰী ফাৰ্ম।

শ্ৰীনবেন তাঁতীয়ে সুধিছে:

১০২৬। মাননীয় পশুপালন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) যোৰহাট জিলাত থকা কলিয়াপানী ডায়েৰী ফাৰ্মত কিমানটা গাহৰি আৰু গৰু আছে?

(খ) ডায়েৰী ফাৰ্মৰ উন্নতিৰ কাৰণে চৰকাৰে কিবা আঁচনি হাতত লৈছে নেকি?

শ্ৰীদিলীপ শইকীয়া সোনোৱাল (পশুপালন বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে:

( ক ) বৰ্ত্তমান কলিয়াপানী পশুধন পামত ৬২ টা গৰু, ২৩ টা ম'হ আৰু ৯৭ টা গাহৰি আছে।

( খ ) হয়, লোৱা হৈছে।

বিষয় ঃ মৰিয়নি সমষ্টিৰ ভেটেৰিনেৰী চাব চেন্টাৰ।

শ্রীনৰেণ তাঁতীয়ে সুধিছে ঃ

১০২৭। মাননীয় পশুপালন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ মৰিয়নি সমষ্টিত কেইটা ভেটেৰিনেৰী চাব চেন্টাৰ আছে ?

শ্রীদিলীপ শইকীয়া সোনোৱাল ( পশুপালন বিভাগৰ বাজ্যিক মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

পশুচিকিৎসা প্ৰাথমিক কেন্দ্ৰ ২ টা আৰু কৃত্ৰিম প্ৰজনন কেন্দ্ৰ ৪ টা আছে।

**Re : Total No. of Panchayat Employees :**

Shri Ramendra Dey asked :

1028. Will the Minister, Panchayat be pleased to state :

(a) What is the total number of employees working in the Gaon Panchayats and Mohkuma Parishads of the State ?

(b) What is the number of such employees in the district of Karimganj and Cachar in the year 1983 and now in the year, 1989 ?

Shri Ganesh Kutum ( Minister, Panchayat and R. D. ) replied ;

a) 3995 Nos of Gaon Panchayat employees and 762 Nos of Mohkuma Parishad employees.

b) No. of employees in Gaon Panchayats and Mohkuma Parishads of Karimganj and Cachar District as under :

| Year | District | Employees in G.PS | Employees. in M.Ps | Total |
|---|---|---|---|---|
| 1983 | Karimganj | 214 | 39 | 253 |
| 1983 | Cachar | 325 | 83 | 408 |
| 1989 | Karimganj | 218 | 43 | 261 |
| 1989 | Cachar | 292 | 79 | 371 |

বিষয় ঃ মানীকপুৰ পি, এইচ, চি।

শ্রীমকবুল হুচেইনে সুধিছে ঃ

১০২৯। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) কোকৰাঝাৰ জিলাৰ মানীকপুৰ পি, এইচ, চি ৰ অন্তৰ্গত হাপাবিলাত এখন মেডিকেল ছাবচেন্টাৰ স্থাপনৰ ব্যৱস্থা চৰকাৰে লৈছেনেকি ?
(খ) যদি লৈছে, তেন্তে উক্ত কাম কি পৰ্য্যায়ত আছে জনাবনে ?

শ্ৰীছামছিং হান্সে (স্বাস্থ্য বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে :
(ক) হয়, লৈছে। ১৯৮৬ চনত স্থাপনৰ বাবে সংমোদন দিয়া হৈছে।
(খ) ভাড়া ঘৰ নোপোৱা হেতুকে আৰু চৰকাৰী ঘৰ সজা নোহোৱাৰ বাবে হাপাবিল ছাবচেন্টাৰটো মুকলি কৰিব পৰা নাই।

বিষয় : নকাচাৰী প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ।

শ্ৰীনৰেণ তাঁতী য়ে সুধিছে :
১০৩০। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :
(ক) নকাচাৰী পি, এইচ চি খনৰ বৰ্ত্তমান অৱস্থাৰ কথা চৰকাৰে জানেনে ?
(খ) উক্ত স্বাস্থ্য কেন্দ্ৰত ডাক্তৰ আৰু নাৰ্চ কেইজন আছে ?
(গ) পিয়ন চৌকিদাৰ আছেনে ?
(ঘ) বিছনা কেইখন আছে ?

শ্ৰীছামছিং হান্সে (স্বাস্থ্য বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিব :
(ক) জানে।
(খ) তিনিজন ডাক্তৰ, চাৰিগৰাকী নাৰ্চ আৰু এগৰাকী ট্ৰাক নাৰ্চ আছে।
(গ) আছে।
(ঘ) বৰ্ত্তমান ৬খন বিছনা আছে।

Re : 30 bedded Sapekhati Hospital.

Shri Naren Tanti asked :
1031. Will the Minister, Health & F.W., Assam be pleased to state :
(a) The present position of the proposed 30 bedded Rural Hospital at Sapekhati and the primary Health Centre's at Borhat, Bampathar and Sufry ?
(b) When construction of these Health Centres would be completed ?

Shri Samsing Hanse ( Minister, Health & F. W. ) replied :

(a) The present position of the institutions are detailed below :

(1) Sapekhati 30 bedded Rural Hospital, : Works not yet allotted due to paucity of fund.

(2) Borhat P.H.C. : Works allotted 80% completed and is in progress.

(3) Bampathar P.H.C. : Works allotted and started but was stopped for want of cement & funds.

(4) Sufry P.H.C. : Works allotted. Not yet started due to paucity of fund.

(b) Depending on availability of funds, as early as possible.

বিষয় ঃ কপহীহাট সমষ্টিত আৰ, এন, ই, জি, পি আৰু এৰ. আৰু ই, পি, আচঁনিৰ কাম ।

শ্ৰীবশিদুল হকে সুধিছে :

১০৩২। মাননীয় গ্ৰাম্য উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে : নগাঁও জিলাৰ অন্তৰ্গত কপহীহাট সমষ্টিত আৰ, এন, ই, জি, পি, আৰু এন, আৰ, ই, পিত কিমান খন আচঁনি লোৱা হৈছে জনাবনে ?

শ্ৰীগনেশ কুটুম (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে : গ্ৰাম্যন্নয়ন বিভাগে কাৰ্য্যকৰী কৰা আচঁনিবোৰৰ ক্ষেত্ৰত উন্নয়ন খণ্ডবোৰক হে একোটা গোট হিচাবে লোৱা হয়, বিধান সভা সমষ্টি হিচাবে লোৱা নহয় । গতিকে বিধান সভা সমষ্টি হিচাবে আচঁনি গ্ৰহণৰ শুদ্ধ পৰিসংখ্যা দিয়াত অসুবিধা ।

বিষয় :- অসম চিকিৎসা মহাবিদ্যালয়ৰ অধীনস্থ বিজ্ঞান শাখাৰ খোৱাং কেন্দ্ৰ ।

শ্ৰীকিৰণ কুমাৰ গগৈয়ে সুধিছে :

১০৩৩। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসম চিকিৎসা মহাবিদ্যালয়ৰ অধীনত থকা চিকিৎসা বিজ্ঞান শিক্ষাৰ নতুন দিগন্ত খোৱাং কেন্দ্ৰটি আনুষ্ঠানিক ভাবে উদ্বোধন কৰা হ'ল নেকি ?

(খ) যদি কৰা হৈছে, কেতিয়া হৈছে ?

(গ) উক্ত কেন্দ্ৰত কৰ্ম্মচাৰী নিযুক্তি দিয়া হৈছে নেকি ?

(ঘ) যদি হৈছে কোন শ্ৰেণীৰ কিমানজন কৰ্ম্মচাৰী নিযুক্তি দিয়া হৈছে ?

(ঙ) নিযুক্তিৰ বাবে নীতিগত বিজ্ঞাপন আৰু সাক্ষাৎকাৰ লোৱা হৈ ছিল নেকি ?

(চ) যদি নৈছিল তেন্তে কোন তাৰিখে লৈছিল?

(ছ) যদি সাক্ষাৎকাৰ লোৱা হোৱা নাছিল কি ভিত্তিত নিযুক্তি দিয়া হৈছিল? (নিযুক্তি দিয়া লোকসকলৰ নাম আৰু ঠিকনাৰ তালিকা সদনৰ মেজত দাখিল কৰিব)

শ্ৰীছামছিং হান্সে (স্বাস্থ্য বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে:

(ক) হোৱা নাই।

(খ) প্ৰশ্ন নুঠে।

(গ) হৈছে।

(ঘ) চতুৰ্থ শ্ৰেণীৰ ৬ জন কৰ্মচাৰী অস্থায়ী ভাবে দৈনিক হাজিৰা পদত নিযুক্তি দিয়া হৈছে।

(ঙ) লোৱা হোৱা নাই।

(চ) প্ৰশ্ন নুঠে।

(ছ) পূৰ্বে কাম কৰাৰ ভিত্তিত নিযুক্তি দিয়া হৈছে।

(নিযুক্তি দিয়া লোকসকলৰ নাম আৰু ঠিকনাৰ তালিকা সদনৰ জ্ঞাতাৰ্থে দাখিল কৰা হ'ল) See the list at Annexure III

Re : Procedure for Registrar of Births & Deaths.

Shri A. F. Golam Osmani asked ;

1037. Will the Minister of Health & Family Welfare, Assam be pleased to state :

(a) What is the current procedure to register births and deaths ?

(b) If there is a circular to that effect when it came into force ?
(Please place the circular at the table)

(c) What are the arrangements available in Urban and Rural areas to register such births and deaths and who are the custodians of birth death registers ?

(d) What was the system prevailing before the present arrangements were introduced ?
(Please quote relevant enactments if there is any)

Shri Samsing Hanse, (Minister of Health & Family Welfare) replied :

(a) Under the Registration of Births & Deaths Act, 1969 and Assam Registration of Births & Deaths Rules, 1978, registration of births

and deaths is made compulsory and all births and deaths occuring in the households or in the institutions are to be registered the nearest Registration Centres within 14 days from the date of the births occur and within 7 days from the date the deaths occur.

(b) Yes, ( Copy of Circular enclosed )

( See the copy at Annexure-VI )

(c) The present arrangements as available in Urban and Rural Areas for registration of births & deaths areas follows :—

Urban Areas : The Urban Health Officer & the Health Officer of the Municipal Board or Town Committee are the registrar of their respective areas. The Medical & Health Officer-I i/c of Urban Dispensaries in the areas falling under the Guwahati Municipal Corporation is the Registrar of his respective areas.

Rural Areas : The Senior Medical & Health Officer-1 of the Primary Health Centres are the Registrars of their respective areas. The Registrars of Births & Deaths are the custodians of Births and Deaths Registers for the first two (2) years. Therefore, the Registers of Births and Deaths are sent to the respective District Registrars for keeping the same in their safe custody.

(d) Prior to the present arrangement on registration of Births and Deaths comes into force, the system of Births and Deaths in the state of Assam existed but registration of Births and Deaths was not made compulsory nor there was any effective agency to take follow up action in the matter. The records of births and deaths were maintained by the Gao-Burahas in Hatchithas which were submitted to the Mouzadars who in turn submitted the same to the Deputy Commissioners to their respective District. The D. C. sent these information to the Director of Health Services. Assam.

The relevant enactment in the subject were :

( 1 ) The Assam Births & Deaths Registration Act, 1935 ( Assam Act II of 1935 ), ( 2 ) The Assam Births & Deaths Registration Amendment Act, 1936 ( Assam Act. V. 1936 ) ( 3 ) The Mikir Hills Births & Deaths Regulation, 1943 ( Regulation No. II of 1943 ),

বিষয়: ধুবুৰী ডি. আৰ. ডি. এৰ ক্ৰয় সমিতি

শ্ৰীইউছুফ আলী আহমেদে সুধিছে:

১০৩৫। মাননীয় গ্ৰাম্য উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) ধুবুৰী জিলাৰ ডি, আৰ, ডি. এ পাৰ্চেজ কমিটি আগমনি আৰু গোলকগঞ্জ উন্নয়ন খণ্ডৰ ইটা বিলাক স্থানীয় উদ্যোগৰ পৰা নলৈ কোচবিহাৰৰ পৰা লোৱা হব বুলি প্ৰস্তাৱ লোৱা কথাটো সচাঁনে?

(খ) যদি সচাঁ, তেন্তে ইয়াৰ কাৰণ কি?

শ্ৰীগনেশ কুটুম, (পঞ্চায়ত আৰু গ্ৰাম্যন্নয়ন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে।

(ক) সচাঁ নহয়।

(খ) প্ৰশ্ন নুঠে।

বিষয়: কোচ বিহাৰ ইণ্ডাষ্ট্ৰিজ।

শ্ৰীইউছুফ আলী আহমেদে সুধিছে:

১০৩৬। মাননীয় গ্ৰাম্য উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) অসমৰ স্থানীয় উদ্যোগ প্ৰতিষ্ঠান বিলাকক জাননী নিদিয়াকৈ ১৯৮৮-৮৯ চনৰ ধুবুৰী জিলাৰ অভিকৰণয়ে কোঁচবিহাৰ ইণ্ডাষ্ট্ৰিৰ পৰাহে এখন মাত্ৰ নিবিদা লৈ হিউম পাইপ চাপ্লাই দিয়াৰ নিৰ্দ্দেশ দিয়া কথাটো সচাঁনে?

(খ) উক্ত প্ৰতিস্থানৰ সামগ্ৰী বিলাক কোনো বিভাগীয় পৰীক্ষা নকৰাকৈ লোৱা হয়নে?

(গ) অসমৰ স্থানীয় উদ্যোগ বিলাকৰ দ্বাৰা প্ৰস্তুত কৰা সামগ্ৰী বিলাক বিভাগীয় পৰীক্ষাৰ পিচতহে লোৱা বুলি শেহতীয়া পাৰচেচ কমিটিয়ে সিদ্ধান্ত লোৱাটো সচাঁনে আৰু এই সিদ্ধান্ত কোন সভাত লোৱা হয় তাৰ তাৰিখটো জনাবনে?

(ঘ) ইয়াৰ ফলত অসমৰ থলুৱা উদ্যোগ প্ৰতিষ্ঠান সমূহৰ স্বাৰ্থৰ ক্ষতি সাধন নহবনে?

(ঙ) যদি ক্ষতি সাধন হোৱা বুলি ভাবে তেন্তে তাৰ বাবে দায়ী ব্যক্তি সকলৰ বিৰুদ্ধে কি ব্যৱস্থা লোৱা হব?

শ্ৰীগনেশ কুটুম, (পঞ্চায়ত আৰু গ্ৰাম্যন্নয়ন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে:

(ক) সচাঁ নহয়. ১৯৮৮-৮৯ চনৰ বাবে 'অপেন টেনডাৰ' (Open Tender) আহ্বান কৰা হৈছিল।

(খ) নহয়। সামগ্ৰী সমূহ ডিআৰডিএ'ৰ (D. R. D. A.) কাৰিকৰী বিভাগৰ দ্বাৰাই পৰীক্ষা কৰাই হে ব্যৱহাৰ কৰা হয়।

(গ), (ঘ) আৰু (ঙ)

বিষয়টোৰ সম্পৰ্কত তদন্ত কৰিবলৈ নিৰ্দ্দেশ দিয়া হৈছে।

বিষয় : যোৰহাট হোমিঅ' কলেজত নাম ভৰ্ত্তি।

শ্ৰীগোপীনাথ দাসে, সুধিছে :

১০৩৭। মাননীয় স্বাস্থ্য ও পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ১৯৮৯ চনৰ ৪ মে তাৰিখে আজিৰ অসম কাকতত প্ৰকাশ পোৱা "ভুৱা প্ৰমাণ পত্ৰেৰে হোমিঅ' কলেজত নাম ভৰ্ত্তিৰ অভিযোগ" বাতৰিটোৰ প্ৰতি চৰকাৰৰ দৃষ্টি গোচৰ হৈছেনে?

(খ) যদি দৃষ্টি গোচৰ হৈছে তেন্তে এইক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে জনাবনে?

(গ) যদি ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই তেন্তে ইয়াৰ কাৰণটো জনাবনে?

শ্ৰীছামছিং হাঞ্চে (স্বাস্থ্য ও পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী) যে উত্তৰ দিছে :

(ক) দৃষ্টি গোচৰ হৈছে।

(খ) বাতৰি কাকতত প্ৰকাশ হোৱা অভিযোগটো অনুসন্ধান কৰিবলৈ সংশ্লিষ্ট বিভাগলৈ প্ৰেৰণ কৰা হৈছে।

(গ) প্ৰশ্ন নুঠে।

Mr. Speaker ; The Question hour is over. Now item No. 2, Voting on Demands for Grants. Now Hon'ble Charan Narzary to continue.

Shri Charan Narzary : Hon'ble Mr. Speaker Sir. yesterday I just began and said that to meet the genuine needs of the Scheduled Tribes and Scheduled Castes the Central Government had given us the Tribal Sub-plan but we have seen many of the officers are confused about the concept of this Tribal Sub-plan. It has been clearly stated by the Central Government that the Tribal Sub-plan is not meant for sub-planning the general plan. It means that the money under the general plan is also due to the scheduled castes and scheduled tribes people and since the money available under the general plan is not enough

to meet the genuine needs of scheduled tribes and scheduled castes this special tribal sub-plan has been given where money has been available under this plan. So the people who have been entrusted with the responsibility of planning the money under the tribal sub-plan should have a clear conception about the concept of the tribal sub-plan. Nevertheless, inspite of this sub-plan given by the Central Government, expected result could not be achieved over the years in the past in respect of developmental activities for the scheduled tribes and seheduled castes, What is the reason ? Here in the State we have the Chief Minister at the apex and below the Chief Minister there is a welfare of Scheduled Tribes and Scheduled Castes and Other Backward Classes of People Department headed by a Commissioer and below this Department there are other agencies also like the Tribal Development Corporation, The Plains Tribes Development Authority on the one hand, and on the other, we have the Tribal Advisory Council consisting of the tribal legislators and the tribal members of Parliament and also we have the Assembly Committee for the Scheduled Tribes and the Scheduled Castes, over and above, we have the ITDP and the Tribal Development Board at the subdivisional level. So many organisations, so many agencies are there. This is the structure for execution of the developmental projects but I am sorry to say sir, that all these multiproned agencies. organisations have remained as mere ornaments practically without being able to deliver the goods. What is the reason ? The reason, as I think, is that the officers who have been entrusted with the responsibility of executing the developmental programmes do not have enough time because the general departments have to execute the special programmes for the development of the scheduled tribes and scheduled castes. That is why, with this and in view, the Tribal Development Authority had been given. It is a statutory body. We urge upon the State Government that if they are genuinely interested in doing something good to the scheduled tribes and scheduled castes then there should be devolution of real executive power to the Tribal Development Authority which is a statutory body but this has not been done so far. In the meeting of the Plains Tribal Development Authority presided over by the Hon'ble Chief

Minister, a sub-committee was constituted to recommend means or ways to make the Tribal Development Authority more effective and meaningful and accordingly the Sub-committee constituted by the Authority under the chairmanship of the Hon'ble Chief Minister recommended suggesting devolution of real executive power to the Tribal Development Authority but that has not been done and it remained so far as a mere recommendotary body. The State Government has never cared to implement the recommendations made by the Tribes Advisory Council as well as the Assembly Committee for the Scheduled Tribes and Scheduled Castes. It is a very sorry state of affairs. I do not advise the Government to scrap the law covering the Tribal Development Authority but what I want is that this Authority should be given real executive power to prepare plans and to spend money for the implementation of the programmes for the developmental activities.

Another point, Sir, is that by now a very disturbing law and order situation is prevailing in certain tribal areas in the wake of the agitation launched by ABSU (U) and other organisations associated with the ABSU. The whole process of developed has come to a standstill. Sir, I think I am the saddest person. whatever little achievement could be made over the years in the past in various fields in the tribal areas has been tumbled down. All the educational institutions in certain areas have been destroyed, bridges on PWD roads have been destroyed, medical institutions and public health centres, water-supply schemes and many other Government properties of public utility have been destroyed there is no trace of development. So, we are very sad. It will take much time to make up this colossal loss suffered by the people in the wake of this agitation. So the Government should view the situation with all seriousness. We are not for destruction but we are for construction. But, now, because of the wanton destruction of public properties a time has come for us to re-construct it. Secondly, in the wake of this agitation there has been mistrust. hatrade among various sections of the people, which is a dangerous trend and we doubt if there can be any developmental work of the society. Therefore, normalcy must

be restored. Here. in this august House, I want to assert that the plains tribals are the most unfortunate people. They have genuine basic grievances and problems but the Government did not pay heed to their genuine grievances and problems. Instead, certain sections of the plains tribal people have been pushed to the rear who have been taking up arms. One thing is very clear and I want to say very clearly that the salvation of the down-trodden plains tribal people do not lie in violence or terrorism. Terrorism and violence is a sure way to self-destruction. Shri B.K. Basumatari yesterday told that the Government is not prepared to come forward with a solution and that the agitators will fight to the last. If necessry they go to the abyss. He was saying that the Bodos heading towards abyss and if the Government do not come forward for an early solution of the problem then the entire population of the State. i. e. even the dominant part of the population of the State, will also be pulled together along with the agitators to the abyss. This was his remark. Now. it is high time for us to think about it very seriously. Government must come forward with a positive and pragmatic proposal for solution of the tribal problems. I, however, have very serious doubt of the basic issues relating to the plains tribal people One is preservation and protection of their own areas. For this relevant law is there under the Assam Land & Revenue Regulations Act. Sir, tribal belts and blocks had been constituted and laws governing these belts and blocks were incorporated in Chapter IX of the Assam Land & Revenue Regulations Act. Now, my question is does the Government have the guts to implement the amended provisions of the Chapter IX? If the Government have the guts then it will please do it. Sir, I want to read out the relevant provisions of the Act. Under Section 164 (a) of the Assam Land & Revenue Regulations Act, which has been amended letter on through a promulgation with the President's assent in 1981 and we do say that it was done at our own initiative during the President's Rule. Section 164 (a) reads as follows and I quote. "Bar of acquisition by proscription in the belt or block. Notwithstanding anything to the contrary contained in this Act or in any law relating to limitation, no

person to whom any land is transferred in a belt or block in contravention of the provisions of this Chapter shall acquire any right or title in that land by any length of possession whether adverse or no." Since the constitution of the tribal belt and blocks, since the day of constitution of a particular tribal belt or block and not from the date of the promulgation of the amended Act. Do the Government have the guts to implement this provision this is my pertinent question. If you cannot contain the plains tribal people. This is number one, Number two, do the Government have the guts to fill up the backlogs as has been pointed out yesterday during question hour by some hon'ble members, huge backlogs in State services. Government is a continuity, whether it was done by the previous Government or the present AGP Government we are not concerned with that. This is my second. Thirdly, do the Government have the guts to honestly give right to the ethnic tribals to preserve their own langugage, culture and grow according to their own genious and traditions. And like this there are many other questions : I don't like to elaborate. But the most important is pertaining to land and their area, What is the remedy now? Sir, we are eager to help the State Government provided they are prepared to come forward with an open mind to solve the tribal problems. We are demanding this since long. There is no question of giving up Udayachal. We stand for it. Even then we have our proscription. We have suggested to the Goverment also. The State Government should come forward and take all steps to accord constitutional recognition to the tribal areas. Constitutional recognition to the tribal area, that is number one.. Then second right of self determination should be given to the tribals enabling them to govern their own areas and affairs according to their own genious. It is not the time to speak about the modality. This is only the broad principle/and we want the Government should accept this suggestion and in doing so, Sir, tribal organisations should be taken into confidence. No solution can be possible with patch work. Patch work is no solution. The problem should be solved once for all permanently so that there is peace, tranquility and normalcy every where. If the Government tries to solve the problem with patch work here and there this is not going to help the Government. So

Sir. as a matter of fact the whole machinery established to ensure the fullest development of the scheduled tribes and scheduled castes has miserably failed. There should be total review of the whole system. It is the system which is responsible ; the system should be changed. There should be change in the attitude of the Government in the attitude of the dominant section of the people, in the attitude of the people who are at the helm of affairs and so far as the Bodo agitation is concerned I want to make an observation in the last. I will conclude with this. We cannot simply blame the youngsters who have taken up arms and indulged in terrorist, extremist or disruptive activities. We blame those people who have indoctrinated the cult of violence into the minds of the innocent young people and destroyed a whole generation, younger generation. This is very dangerous. There should be a return to the normalcy ; but it is not an easy task. It may take time, it is the time factor which will decide. People are fed up. We stand for peace, harmony and normalcy ; we do not want destruction, annihilation. We condemn the politics of physical annihilation violence and for this violence we cannot simply blame the young sters. It is our duty, it is the responsibility of all concerned to prevail on them. We should make them understand that this is not the way to progress, rather this is the way to self destruction leading towards assured abyss and the indoctrination of the cult of violence should be at any cost stopped. With this I conclude.

শ্ৰীদেবেশ্বৰ বৰা : মাননীয় সভাপতি মহোদয়, আজি তিনি বছৰ পাছত এই সদনত বিশেষকৈ এই দাবীৰ ওপৰত আলোচনা কৰিবলৈ সুবিধা পাইছো। ইয়াৰ আগতে সময়ৰ অভাৱত এই দাবীবিলাক গিলোটিং হয়। এই অনুসূচিত জাতি জনজাতি আৰু পিছ পৰা শ্ৰেণীৰ কাৰণে যি দাবী মঞ্জুৰী আলোচনা হৈ আছে এই আলোচনাত অংশ গ্ৰহন কৰিবলৈ পায় সচাকৈ চৰকাৰলৈ ধন্যবাদ জনাইছো। আমাৰ সমগ্ৰ অসমৰ জনসংখ্যাৰ শতকৰা ১০ ভাগ প্ৰটেক্টেড পোপুলেচন জনজাতিৰ লোক বুলি জানিব পাৰিছো অৰ্থাৎ ২৬ লাখ ৫০ হাজাৰ মান হ'ব আৰু ১৫ লাখতো অধিক অনুসূচিত জাতিৰ

লোক অৰ্থাৎ শতকৰা ৭ ভাগ হ'ব আৰু ১ কোটি ২০ লাখৰো অধিক অন্যান্য পিছপৰা শ্ৰেণীৰ লোক আছে অৰ্থাৎ শতকৰা ৫৫ ভাগ অৰ্থাৎ সৰ্ব্বমুঠ জন-সংখ্যাৰ প্ৰায় শতকৰা ৮০ ভাগ জনসংখ্যাৰ কাৰণে এইখিনি টকা বাজেটত ধৰা হৈছে। মাত্ৰ ২৫ কোটি ৭৬ লাখ ২৬ হাজাৰ টকা। এইখিনি টকা যদি প্ৰায় ১ কোটি ৫০ লাখ জনসাধাৰণৰ মাজত ভাগ কৰা হয় তেনেহলে কিমানকৈ ভাগত পৰিব নিশ্চয় সহজে অনুমেয়। এই বাজেটৰ মঞ্জুৰী টকা তেনেই নগণ্য বুলি অভিহিত কৰিছো। আমি এই বাজেটখনলৈ যদি লক্ষ্য কৰো শতকৰা ৫৫ ভাগ মানুহৰ কাৰণে অৰ্থাৎ পিছপৰা শ্ৰেণীৰ লোকসকলৰ কাৰণে বাজেটৰ পিতানত মিতাস্ত টকা কম হৈছে ঠিক তেনেকৈ শতকৰা ২০ ভাগ জনজাতি আৰু শতকৰা ৭ ভাগ অনুসূচিত জাতিৰ কাৰণে যি বাজেটত টকা ধৰা হৈছে সেইখিনি তেনেই নগণ্য হৈছে। এইটো আজি জনজাতিসকলৰ চেন্টিমেন্টৰ কথা হৈ পৰিছে আৰু সেই চেণ্টিমেণ্টে আমাৰ জনজাতিৰ বিধায়ক তথা অনুসূচিত জাতিৰ বিধায়ক সকলে প্ৰকাশ কৰিছে। বাজেট প্ৰস্তুত কৰোতে এই কথাটো চৰকাৰে চিন্তা কৰা উচিত আছিল। বাজেটখনত এটা কথা লক্ষ্য কৰিছো যদিও কাৰ্বি আংলং আৰু উত্তৰ কাছাৰ পাহাৰৰ কাৰণে স্বকীয়া বাজেট আছে তথাপি চিক্স চিদিউলত তেওঁলোকৰ ঝুম খেতি উন্নয়নৰ কাৰণে কিছু টকা ধৰাত মই চৰকাৰক ধন্যবাদ জনাইছো। স্বাধীনতাৰ পিছৰ পৰা অনুসূচিত জাতি আৰু জনজাতিৰ লোকসকলৰ উন্নয়নৰ ক্ষেত্ৰত যিখিনি হেণ্ডাৰ বা প্ৰাচীৰ সেইখিনিৰ বিষয়ে ইতিমধ্যে আমাৰ জনজাতিৰ আৰু অনুসূচিত জাতিৰ বিধায়ক সকলে আলোচনা কৰিছে। আজি অনুসূচিত জাতি আৰু জনজাতিৰ কাৰণে ৰিজাৰ্ভেচন আছে কিন্তু পিছপৰা শ্ৰেণীৰ ক্ষেত্ৰত ৰিজাৰ্ভেচনো নাই মাত্ৰ ১৫ ভাগ ৰিজাৰ্ভেচনৰ এখন চাকুৰি পাৰহে আছে। তেওঁলোকৰ সাংবিধানিক যিবিলাক ৰাইট সেই ৰাইট সম্পৰ্কে মাননীয় সদস্য সকলে উল্লেখ কৰি গৈছে। মই এটা কথা লক্ষ্য কৰিছো স্বাধীনতাৰ পিছৰ পৰা অনুসূচিত জাতি আৰু জনজাতিৰ মাজৰ পৰাই এই দায়িত্ব অৰ্থাৎ মন্ত্ৰীত্বৰ দায়িত্ব জনজাতি বা অনুসূচিত জাতিৰ লোকৰ হাতত্তে আছে এতিয়া মাত্ৰ কিছুদিন আগৰ পৰা ৰাজ্যিক পৰ্যায়ৰ মন্ত্ৰীৰ দায়িত্বত আছে তাৰ আগতে আমাৰ দিনতো আগতে শ্ৰীভৰত নৰহ আৰু পাছত শ্ৰীধনেশ্বৰ বড়ো ডাঙৰীয়া জনজাতিৰ উন্নয়ন দপ্তৰৰ দায়িত্বত আছিল। পত্তিকে তেখেত সকলে সুকলমে কাম বিলাক চলাই আছে তথাপিও কিয় এনে অৱস্থা হৈছে তাৰ প্ৰশ্নহে আজি

আছিছে। গতিকে এই ক্ষেত্ৰত যিখিনি আসোঁৱাহ আছে সেই আসোঁৱাহখিনি দূৰ ক'ৰিব লাগিব। এই আসোঁৱাহৰ ক্ষেত্ৰত আমি প্ৰথমতে যি দেখিছো তাক ক'ব লাগিব যিখিনি টকা বাজেটত ধৰা হয় সেই টকা বিলাক বিভিন্ন বিভাগক খৰছ কৰিবলৈ দিয়া হয় কিন্তু দায়িত্বাপটি বিভাগৰ হাতত যি নিয়ন্ত্ৰণ থাকিব লাগিছিল সেই নিয়ন্ত্ৰণ নাই। অন্যান্য বিভাগ বিলাকে এই টকা নি কেনে ধৰণে খৰছ কৰিছে নে খৰছ কৰা নাই সেইখিনি চোৱাচিতাৰ ব্যৱস্থা থাকিব লাগে। কিন্তু আমি জনাত অনুসূচিত জাতি আৰু জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ দপ্তৰৰ এই ক্ষেত্ৰত চোৱাচিতাৰ কোনো ব্যৱস্থা নাই। তাৰ ব্যৱস্থা কৰিবলৈ মই চৰকাৰক অনুৰোধ কৰিলো। এই বিভাগৰ ক্ষেত্ৰত আমি ইতিমধ্যে যিবিলাক ৰিপোৰ্ট পাইছো শেহতীয়া ভাবে আমাৰ চৰকাৰী হিচাব সমিতিৰ ১৯৮৬-৮৮ চনলৈ আমাৰ আব্দুল মোক্তাদিৰ চৌধুৰী চেয়াৰমেন আছিল এই ৰিপোৰ্ট লগতে ১৯৭৪/৭৫ আৰু ১৯৮১-৮২ চনলৈ যি ৰিপোৰ্ট দাখিল কৰিছে সেই ৰিপোৰ্ট বিলাক অধ্যয়ন কৰি দেখা পাইছো এই সমিতিয়ে অবজেকচন দিছে আৰু কৈছে যে এই টকা বিলাকৰ সত ব্যৱহাৰ হোৱা নাই। এই টকাবিলাকৰ কিছু কিছু টকাৰ মিচ এপ্ৰোপ্ৰিয়েচন হৈছে। ট্ৰাইবেল টকা নি জেনেৰেল এৰিয়াত খৰচ কৰিছে। তাৰ কাৰণে আজি চাৰিও ফালে ক্ষোভ হৈছে সেই ক্ষোভ নাইকীয়া কৰাৰ ব্যৱস্থা কৰিব লাগে এই লাগে যে জনজাতিৰ উপ আঁচনিৰ টকা আৰু অনুসূচিত জাতিৰ কম্পোনেন প্লেনৰ টকা যি উদ্দেশ্যত দিয়া হৈছিল সেই উদ্দেশ্যত খৰচ কৰা নাই কাৰণে ক্ষোভ প্ৰকাশ কৰিছে আৰু টকা-খিনিযে সতব্যৱহাৰ হোৱা নাই বুলি কৈছে স্বয়ং এজিয়ে। গতিকে তাৰ ওপৰত ব্যৱস্থা গ্ৰহণ কৰিব লাগে। আনহাতে এই বিভাগৰ ওপৰত চৰকাৰী হিচাব সমিতিয়ে যিবিলাক পৰামৰ্শ দিছে সেই পৰামৰ্শ বিলাক অধ্যয়ন কৰি তাৰ ওপৰত বিভাগীয় মন্ত্ৰীয়ে ব্যৱস্থা লব লাগে। ইয়াৰ আগতে ১৬ মাৰ্চ তাৰিখে এচচি, এচটি কমিটিৰ তৰফৰ পৰাও এটা ৰিপোৰ্ট সদনত দাখিল কৰি এইবিলাকৰ ওপৰত বাস্তৱ ব্যৱস্থা লব লাগে। আমাৰ বৰ্তমান বিজন ৰাজ্যিক মন্ত্ৰী এই বিভাগৰ দায়িত্বত আছে তেখেত সভাপতি হৈ থাকোতেই এটা ৰিপোৰ্ট দাখিল কৰিছে আৰু তাত বহুত কথা উল্লেখ কৰিছে এতিয়া সেইবিলাক বিবেচনা কৰিব লাগিব। আজি এইবিলাক বিভিন্ন কাৰণতে শত কৰা ৫৫ ভাগ মানুহৰ মাজৰে এচামে বিশেষকৈ চুতীয়া আহোম আদি

সম্প্ৰদায়ে আন্দোলন আৰম্ভ কৰিছে তেওঁলোকৰ বিভিন্ন দাবীৰ ওপৰত। কাৰণ ইয়াৰ আগতে যি মণ্ডল কমিচন হৈছিল সেই কমিচনেই ৰিপোৰ্ট দিছে যে শতকৰা ৫২ ভাগ ওবিচিৰ কাৰণে ৰিজাৰ্ভেচন ৰাখিব লাগে। আজি সেই ৰিপোৰ্টকে ৰিবেচনা কৰিবলৈ অন্যান্য পিছপৰা শ্ৰেণীৰলোক সকলে অসম চৰকাৰক হেচা দিছে। তাৰে একাংশ আকৌ জনজাতি হ'ব লাগে বুলিও দাবী কৰিছে। মণ্ডল কমিচনৰ ৰিপোৰ্ট চৰকাৰে আজিও মানি লোৱা নাই কাৰণেই তাত থকা প্ৰতিজনৰমতে কোছ ৰাজবংশীয় চুতীয়া সম্প্ৰদায়লোকে জনজাতি হবৰ কাৰণে দাবী কৰিছে। এই দাবী এটা সময়ত চুড়ান্ত পৰ্য্যায় পাবগৈ। আমি জনাত ১৯০১ চনত যি লোক পিয়ল হৈছিল তাত বিভিন্ন জনগোষ্ঠীৰ লোকসকলক জনজাতি তালিকাত অন্তৰ্ভূক্ত কৰিছিল। গতিকে আমি ভাবো ১৯০১ চনত লোক পিয়ল কৰি যিসকল লোকক বিভিন্ন জন-গোষ্ঠীৰ অন্তৰ্ভূক্ত কৰিছিল তেওঁলোকক এতিয়াও জনজাতিৰ তালিকাভূক্ত কৰাই ভাল হ'ব আনহাতে তেওঁলোকক জনজাতিৰ তালিকাভূক্ত কৰিব পাৰিলে আমি কেন্দ্ৰীয় চৰকাৰৰ পৰা অনুদান অনাত নিশ্চয় সফল হ'ব পাৰিম।

১৯০১ চনত হোৱা লোক পিয়ল অনুসৰি বিভিন্ন জনগোষ্ঠীক যদি জনজাতিৰ ভিতৰত ধৰিব পৰা যায়, তেতিয়া হ'লে এতিয়া যিবিলাক আন্দোলন গঢ়ি উঠিছে, সেইবিলাক আতৰি যাব। এই খিৰিতে আৰু এটা কথা উনুকীয়াব বিচাৰিছো যে, যিবিলাক বনাঞ্চল এলেকা আছে, উদাহৰণ স্বৰূপে গহপুৰ, ৰেংমা, জোনাই, শদিয়া আদি এলেকাত শতকৰা ৮০ ভাগ লোকেই জনজাতিৰ। কিন্তু তেওঁলোকৰ ভুমিৰ স্থবন্দৱস্তী নোহোৱা কাৰণে মনত এটা ক্ষোভ জন্মিছে। তেওঁলোকক মাটিৰ স্থ-বন্দবস্তী কৰি বসবাসৰ সু-ব্যৱস্থা কৰি দিব পাৰিলে তেওঁলোকৰ ক্ষোভ নোহোৱা হ'ব। দয়াং বনাঞ্চলত যিবিলাক লোক আছে তাৰ শতকৰা ৮০ ভাগ লোকেই জনজাতীয় : বড়ো চাওদাং, ঠেঙাল, সোনোৱাল, কছাৰী, আদি জাতিৰ লোক আছে। গতিকে এই এলেকা বিলাকত যিবিলাক জনজাতীয় লোক আছে তেওঁলোকৰ ভুমিৰ সমস্যা হৈছে। এই ভুমিৰ সমস্যা সমাধান কৰিবলৈ হ'লে, যিবিলাক এলেকা ট্ৰাইবেল চাব প্লেনত নপৰে, সেই বিলাক এলেকা ট্ৰাইবেল চাব প্লেনৰ ভিতৰত বুলি ঘোষণা কৰিব লাগিব। আৰু এই এলেকা বিলাক ট্ৰাইবেল চাব প্লেনৰ ভিতৰত পেলাবলৈ হলে আমাৰ

জনজাতি আৰু অনুসূচীত জাতিৰ বিভাগৰ পৰা কেন্দ্ৰীয় চৰকাৰলৈ অসম চৰকাৰৰ জৰিয়তে প্ৰস্তাৱ যাব লাগিব। কিন্তু আমাৰ চৰকাৰৰ তৰফৰ পৰা কেন্দ্ৰীয় চৰকাৰলৈ তেনে পৰামৰ্শ এতিয়াও যোৱা নাই। গহপুৰ, নামঘৰ, দয়াং শদীয়া সোনাই আদি এলেকা এতিয়াও ট্ৰাইবেল চাব-প্লেনৰ ভিতৰত কৰা নাই এই বিলাক এলেকা ট্ৰাইবেল চাবপ্লেনৰ ভিতৰত ধৰি কেন্দ্ৰীয় চৰকাৰৰ লগত যোগা যোগ কৰিলে এই সূত্ৰে আমি নিশ্চয় কেন্দ্ৰীয় চৰকাৰৰ পৰা কিছু টকা আনিব পাৰিম। গতিকে এই ব্যৱস্থা চৰকাৰে গ্ৰহণ কৰিব লাগে। মাননীয় সদস্য শ্ৰীচৰণ নাৰ্জাৰী ডাঙৰীয়াই আমাক প্ৰশ্ন কৰিছিল আমাৰ গাটচ আছে নে নাই? গাটচ আমাৰ চৰকাৰৰ আছে কিন্তু কথা হ'ল ৪০ বছৰে যি সমস্যাৰ সমধান কৰিব নোৱাৰিলে সেই সমস্যা একে দিনে সমাধান কৰিব নোৱাৰি। তাৰ কাৰণে প্ৰচেষ্টা চলাব লাগিব। এতিয়া কথা হ'ল ৰাজ্য চৰকাৰে প্ৰচেষ্টা চলাইছে নে নাই? তেনে কিছুমান প্ৰচেষ্টা নিঃশেষ কৰি দিবলৈ আন আৰু কিছুমানে প্ৰচেষ্টা চলাই আছে। আজি বড়ো জনজাতি সকলে অসমৰ পৰা আতৰি যাব বিচৰা নাই। বড়ো, মিচিং আদি যিসকল লোক অ-জনজাতি এলেকাত আছে, আমি অ-জনজাতি সকলে তেওঁলোকক সু-ৰক্ষা দিবলৈ চেষ্টা কৰিছো। যিসকল বড়ো জনজাতিয়ে ইমান বছৰে চাকৰীৰ বা আন যিকোনোতে সুবিধা পোৱা নাছিল, সেই সুবিধা আমাৰ চৰকাৰৰ দিনত পাইছে।

বড়ো জনজাতি সকলৰ কাৰণে সকলো থৰণৰ সুবিধাৰ কথা আমি সকলোৱে চিন্তা কৰিছো। কিন্তু তেওঁলোকৰ মনৰ বেদনা আমি চিন্তা কৰিব পাৰিব লাগিব। তাৰ কাৰণে চৰকাৰে ব্যৱস্থা লব লাগিব। তাৰ কাৰণে মাননীয় সদস্য বহুতে বিভিন্ন ধৰণৰ পৰামৰ্শ আগবঢ়াইছে। এই ক্ষেত্ৰত আমাৰ জনজাতি আৰু অনুসূচীত জাতিৰ বিভাগে ৰাজহ বিভাগৰ লগত যোগা যোগ কৰি ব্যৱস্থা লব লাগে। লেণ্ড ৰেভিনিউ মেনোৱেলৰ চেপটাৰ ১০ত থকা অনুচ্ছেদটো ইমপ্লিমেণ্ট কৰিব লাগে। আমাৰ অসম চুক্তিতও এইটো আছে। আমাৰ যি হেতুকে একৰ্ড মন্ত্ৰী আছে গতিকে তেখেত আমাৰ ৰাজহ মন্ত্ৰী আৰু জনজাতি আৰু অনুসূচীত জাতিৰ মন্ত্ৰীৰ লগত যোগা যোগ কৰি চেপটাৰ ১০ৰ অনুচ্ছেদটো ইমপ্লিমেণ্ট কৰাৰ কাৰণে আহ্বান কৰিলো। ইয়াৰ পাচত বেকলগৰ কথা লৈ আহো। মই জনাত কেৱল গৃহ বিভাগতেই ৫০০টা নিযুক্তি দি বেকলগ পূৰণ কৰা হৈছে। ঠিক

তেনেদৰে আন আন বিভাগ বিলাকতো বেকলগ পূৰণ কৰা হৈছে। কিন্তু কথা হৈছে এই পুৰণি কলীয়া বেকলগ বিলাক কেৱল এ, জি, পি চৰকাৰৰ দিনতেই কিয় পূৰণ কৰিব লগীয়া হ'ল ? এতিয়া কথা হ'ল ১০০ পোষ্টৰ ভিতৰত যদি ১০০ টাই বেকলগ হিচাব পূৰণ কৰা হয় তেনেহলে আন জাতি সমূহৰ কি হব ? তাৰ ভিতৰত অবিচি মাইনৰিটি আদিও আছে। তেওঁলোকৰ মনৰ অৱস্থা কেনে হব ? তেওঁলোকে ভাবিব এই চৰকাৰে কেৱল জনজাতি আৰু অনুসূচীত জাতিকে সুবিধা দিছে ? সেইটো জানো সম্ভৱ হব ? আমাৰ ওৱেলফেয়াৰ বোৰ্ডৰ কমিটিত দেখিছো অ, বি, চি বা এম,ও-বি, চিৰ কমিটি নাই। কিন্তু ভাৰতবৰ্ষৰ আন আন ৰাজ্য বিলাকত দেখিছো এই কমিটি আছে। গতিকে মই আপোনাৰ জৰিয়তে আমাৰ বিধান সভাত এখন এচি' এচ, টিৰ নিচিনাকৈ বিধান সভা সমিতি ও বি চি, এম, ও বি চিৰ কাৰণে ৰাখিবৰ কাৰণে অনুৰোধ কৰিলো। অন্ধ্ৰ আৰু বিহাৰত এনে ধৰণৰ হাউচ কমিটি আছে। অবি, চি অ ক এমও বি চিৰ ক্ষেত্ৰত শতকৰা ১৫ ভাগ ৰিৰ্জাভেচন নিৰ্ধাৰণ কৰা হৈছে। কিন্তু তাৰ এটা মাত্ৰ এখন চাৰ্কোলাৰ হে আছে। এই চাৰ্কোলাৰ খন এক্ট হিচাবে পাচকৰি শতকৰা ১৫ ভাগ সংৰক্ষিত বুলি পুনৰ নিৰ্দ্ধাৰণ কৰিব লাগে। যাতে কাৰ্য্য ক্ষেত্ৰত কাৰ্য্যকৰি হয়। অনুসূচীত জাতি আৰু জনজাতিৰ লগত একেলগে থাকিলে কাম বিলাকত আগবাঢ়িব পৰা নযায়। গতিকে ট্ৰাইবেল এক্ট খনত যাতে বাইজক উপকৃত কৰিব পৰা যায় তাৰ কাৰণে চৰকাৰে চাব লাগে। এই ক্ষেত্ৰত এচ, চি, ও বি চিও এম ও বি চিৰ কাৰণে সুকীয়া সঞ্চালক অফিচ হলে কি সুবিধা হব আৰু কি অসুবিধা হ'ব সেইটো চাব লাগে। আমাৰ মাননীয় শ্ৰীনীলমনি দাস ডাঙৰীয়াই দিয়া প্ৰস্তাৱটো এপ্লিকেবল হব নে নাই চাব লাগে। এপিলেট অথৰিটিৰ যি ব্যৱস্থা কৰাৰ কথা কৈছে আৰু এচ, চিৰ কাৰণে সুকীয়া ডিৰেক্টৰৰ যি পৰামৰ্শ আগ বঢ়াইছে তাক মঞ্জুৰ কৰিব বুলি আশা ৰাখি যি মঞ্জুৰী প্ৰস্তাব অনা হৈছে তাত মই সমৰ্থন জনাইছো। যিহেতুকে বিৰোধী পক্ষৰ সদস্য সকলে আলোচনা বিলোচনাৰ কাৰণেহে কৰ্তন প্ৰস্তাৱটো আনিছে মই আশা ৰাখিছো তেওঁলোকে উঠাইলব। এই খিনিকে কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Shri Silvius Condpan : Mr Chairman Sir. I would like to make a brief observation in support of our Cut-Motion on the grant for the wel-

fare of Scheduled Caste, Scheduled Tribes and other Backward Classes of Assam. Sir. it is the obligation on the part of the Government to seriously look into the affairs of the welfare of these constitutionally protected classes, namely Scheduled Caste and Scheduled Tribes people. Since yesterday much has been agitated by our friends and I fully share with their concern and I would like to add something from my own. Sir, in this very grant there is a provision for other Backward Classes people for their economic upliftment and you will find, Sir only an amount of Rs 1.50 crores has been allocated for their welfare. It has already been stated by my friend Mr. Debeswar Bora that according to Mandal Commission Report more than 50 per cent population belong to other Backward classes and see the allocation of fund by this Government. It is not my submission. It is the officially constituted Committee's Report that speaks out this projected population of other Backward Classes people in Assam and only one and a half crores of rupees have been provided for their welfare during the year 1989-90. I do not know what is the basis for this allocation for the welfare of more than 50 per cent people of the State, Sir, I seriously resent on this kind of attitude of the Government. The Ministry might have pious desire to uplift the condition of this Backward people, But what the machinery is doing ? Whatever papers have been prepared. and has been brought for our support only. Sir, I will request the Hon'ble Minister through you that atleast whatever has been provided the fund should be spent for their upliftment in its real sense. My next submission is regarding 15 per cent job reservation for the Other Backward Classes. My friend has already stated that there is an Executive Order in this respect. Even if it is an Executive Order, it is an official instruction and the officers are bound to carry out the Executive order of the Government. But Sir, while we go to see the implementation of this Executive Order, we find that it is not at all being implemented, They do not care that this is an Executive order Sir, there is no follow up action by this Deptt regarding implementation of the Executive order for 15 per cent job reservation for other Backward Classes. Thereby Sir, the candidates belonging to these communities are fully

deprived of in getting employment opportunities.

Next, Sir, within this other Backward Classes people, the tea and ex-tea garden population in Assam also belong to this category. They come into this category and for that reason we have been demanding that according to our status in the original state from where our fore fathers came here as tea garden labourers, we should be given the constitutional status. Then Sir, we have been categorised as Tea and Ex-Tea Garden tribes to be more other Backward Classes. But there is no separate or any special provision for their upliftment, for welfare of this community though this community is called rather more backward then the constitutionally protected Scheduled tribes and Scheduled Caste. Sir, in Assam for welfare of this category of people there is a Directorate, which was constituted in the year 1983. Sir this Department has been alloted a fund of Rs 56 lakhs only. Sir, see the fund allocation to improve the lot of 55 lakhs of tea and ex-tea garden tribes of Assam. And Sir, this chunk of people of a large percentage of total population of Assam working in different tea gardens of Assam are earning large income for the Government but their walfare is not looked into by the Government, Sir, it is a fact that this step motherly attitude shown to this community which is contributing for the promotion of culture of Assam for strengthening of communal harmony in this State and for upliftment of this section of people only Rs 56 lakhs has been provided. They are demanding nothing but their social and economic upliftment. Sir, whenever they will take arms or resort to agitation they will be identified differently from the rest of the Assamese community. Then it will be too late for them to bring into the main stream of the Assamese community. That will be most unfortunate Sir for us. Therefore, whatever amount has been provided to this Directorate, this directorate shou'd spend the money without keeping unutilised Sir, in this Directorate there is a Director of I, A. S. cadre. He is bound for transfer. After transfer of this Director, for months together this Directorate has been running without any Director. So, I request the Hon'ble Minister to see the functioning of this Directorate created for the welfare of tea-and ex-tea

garden tribes people, that it should function really for the purpose for which it has been constituted. With this submission I conclude. Thank you.

শ্ৰীভৱেন্দ্ৰ মাৰ্জাৰী * মাননীয় চেয়াৰমেন মহোদয়, মোৰ কবলগীয়া বহুত কথাই আছিল যদিও মই বেচি সময় লব খোজা নাই। মই কেইটামান কথাহে কব বিচাৰিছো। মই অনুসূচীত জাতি আৰু জনজাতি সকলৰ কাৰণে যিটো প্ৰস্তাব আনিছে সেইটোৰ সমৰ্থন কৰিছো আৰু কৰ্ত্তণ প্ৰস্তাবটোৰ বিৰোধিতা কৰি কৰ্ত্তণ প্ৰস্তাবটো উঠাই লবলৈ অনুৰোধ কৰিছো। আমাৰ এষাৰ কথা আছে যে "এনেয়ে মৰিছো ঋষিৰ সাপত তাতে আকৌ দিছে ধাৰৰ তাপত"। এতিয়া কথাটো এনেকুৱা হৈছে যে এনয়েই জনজাতিৰ লোক সকলৰ উন্নয়নৰ কাৰণে পইচা নাই তাতে আকৌ এতিয়া কৰ্ত্তণ প্ৰস্তাব আনিছে। গতিকেই কৰ্ত্তণ প্ৰস্তাব উঠাই লবলৈ অনুৰোধ কৰিছো। আমাৰ বহুতো মাননীয় সদস্যই এই দাবী মঞ্জুৰীৰ ওপৰত ভাগ লৈ বহুত বিলাক ভাল ভাল কথা কৈছে আৰু বহুত বিলাক ভাল ভাল পৰামৰ্শ দিছে। গতিকে এই ভাল ভাল পৰামৰ্শ যিবিলাক দিছে সেইবিলাক আমাৰ উদীয়মান লৰা মন্ত্ৰীয়ে গ্ৰহণ কৰি ভাল কাম কৰিব বুলি আশা কৰিছো।

(ভইচ- মন্ত্ৰী উদীয়মান ল'ৰা হ'ব নোৱাৰে, উদীয়মান নেতা হ'ব পাৰে) মোৰ এতিয়া ৬৪ বছৰ হৈছে আৰু মন্ত্ৰীৰ বেচি হৈছে যদি ৩৫ বছৰমানহে হৈছে সেই কাৰণে ল'ৰা বুলি কৈছো।

আমাৰ এই দপ্তৰটো কেনেকৈ চলিছে সেইটো কথা চাব লাগে। এই দপ্তৰটো যাতে ভালকৈ চলে তাৰ কাৰণে ভাল প্ৰশাসনীয় ব্যৱস্থা কৰিব লাগে। আগৰে পৰা এই দপ্তৰত যিবিলাক বেকোন আছে সেই বিলাক নাইকীয়া কৰি বিভাগটো যাতে ভালকৈ চলাই তাৰ বাবে অনুৰোধ জনাইছো। মই এতিয়াই এই দপ্তৰটোৰ সম্পৰ্কত কৰিবলগীয়া কেইটামান কামৰ প্ৰতি আঙুলিয়াই দিব বিচাৰিছো। আমাৰ এই দপ্তৰটোৰ গোটেই বিলাক কাম কাজ জনজাতীয় প্ৰতিনিধি সকলৰ ওপৰতে ন্যস্ত হৈ আছে। এই বিভাগটোত ইমান বিলাক জনজাতীয় লোক থকা স্বত্তেও কিয় খেলিমেলি হয় আমি এইটো কথা বুজি নাপাও। যোৱা বাৰ্ষিক পৰিকল্পনাত কামাখ্যা ৰাস্তাটো জনজাতীৰ লোকৰ

*Speech not Corrected

টকাৰে বনাই দিলে। তেতিয়া জানো জনজাতীয় প্ৰতিনিধি নাছিল? নিশ্চয় আছিল। বোধ হয় তেতিয়া কিবা কাৰণত আপত্তি নকৰিলে। কিয় এইটো কৰিবলৈ দিয়া হ'ল? ভাবিলেনেকি বোধ হয়, এই ৰাস্তাটো কৰিলে ধৰ্ম হ'ব আৰু সেই ধৰ্মকে লৈ পোনে পোনে স্বৰ্গলৈ যাব পাৰিব? নে কৰিবলৈ আৰু একো কাম নাছিল কাৰণে তাকে কৰিলে? অৱশ্যে এটা কথা আছে যে কৰিবলৈ একো নাথাকিলে কামাখ্যালৈ আহিব লাগে। এবাৰ ব্ৰহ্মাৰ কোনো কাম নাইকীয়া হোৱাত বিষ্ণুক গৈ কলে যে প্ৰভু 'মোৰ কৰিবলৈ একো কামেই নাই'। তেতিয়া বিষ্ণুৱে কলে যে 'তেনেহলে তুমি কামাখ্যালৈ যোৱা'। গতিকে কাম নাথাকিলেও কামাখ্যালৈ আহে।

চেয়াৰমেন মহোদয়, এবাৰ গাহৰি পামৰ টকা বিলাইছিল। তেতিয়া দেখিলো যে বাৰে পাওঁ গাহৰি পামৰ কাৰণে ১৫ হাজাৰ টকা মঞ্জুৰ হৈ আছে। মই তেতিয়া ক'লো যে বাৰেগাৱত কোনো গাহৰি পাম নাই। মোক ক'লে যে তাত গাহৰি পাম আছে। তাত গাহৰি পাম আছে বুলি ৰেজিষ্ট্ৰেচন নম্বৰও আছে। মই বাৰেগাৱত থকা মানুহ মই তাত গাহৰি পাম আছেনে নাই নাজানোনে? তাত আচলতে কোনো গাহৰি পাম নাই কেইজনমান দালাল লগ লাগি মিছাকৈয়ে ৰেজিষ্টাৰ কৰি এখন গাহৰি পাম দেখুৱাই টকা এনেয়েই খাই আছে। এই দৰে কিমান টকা কোনে কি দৰে খাই আছে কোনে জানে? আচলতে পামৰ নাম একো নাই। কিন্তু বাকী যিখিনি কৰিব লাগে সেই সকলোখিনিকেই পালন কৰা হৈছে। চাৰ্টিফিকেট লাগে সেই বিলাক দিয়া হৈছে, গাহৰিৰ বীমা কৰিব লাগে সেই বিলাকো কৰা হৈছে। (এই বিলাক গনপৰিষদৰ দিনৰ কথা কৈছেনে আগৰ কথা কৈছে) আপোনাৰ সমষ্টিত যদি আজি কালি খাইছে মাজানো কিন্তু মোৰ সমষ্টিত হ'লে খোৱা গম পোৱা নাই।

তাৰ পিচত এন, এম পি আঁচনিৰ কথা আহিল। এই বিলাকলো কি মই বুজিয়েই নাপাও। ইয়াত জনজাতীয় লোকক ঘৰ সাজিবলৈ টকা দিয়ে। তেনেকুৱা এখন লিষ্ট মই দেখা পালো। তাত ২০ জন জনজাতীয় লোকৰ নাম আছিল। কিন্তু মই দেখি আচৰিত হলো যে সেই ২০ জন জনজাতীয় লোকৰ ভিতৰতে আছে চেত্ৰী, আলি আৰু দাস। চেত্ৰী কেনেকৈ জনজাতীয় হ'ল মই বুজি নাপালো। ডি, চিক সোধাত ডি, চিয়েও ক'ব নোৱাৰে। তাত

যে কোনোবা চেঞ্জী, আলি আৰু দাস আছে সেই বিলাক কোনেও চোৱাই নাই।

(ভাইচ-এইটো কেতিয়াৰ কথা)

এইটো এইবাৰৰ কথা। মই তেতিয়া সেই বিলাক তাৰ পৰা কাটি দিবলৈ কলো। আপোনালোকে হয়তো কাটিবলৈ নকলেহেতেন। এই বিলাক কথা চৰকাৰে চাব লগে।

তাৰ পিচত আমি দেখিবলৈ পাইছো যে ঘৰ সজাৰ কাৰণে ঋণ দিয়ে। এই ধৰণৰ ঋণ দিয়াৰ লিষ্ট বিলাকত দেখিছো যে যি বিলাক মানুহৰ বাচ আছে, লৰি আছে মানে এক কথাত কবলৈ গলে ধনী মানুহ সেই সকলৰ নাম এইবিলাক লিষ্টত থাকে। এই ধৰণৰ বাচ. লৰি থকা মানুহবিলাক দুখীয়া হল কেনেকৈ? সেই কাৰণেই মই এটা কথা কৈছিলো যে অফিচাৰ বিলাকে মণ্ডল লগত লৈ ঘৰে ঘৰে গৈ টকা দি আহিব লাগে। এইটো কৰিলে কোন দুখীয়া মানুহ আৰু কোন ধনী মানুহ এইটো কথা ওলাই পৰিব। সেইটো নকৰিলে বাটতে আধা টকা নাইকীয়া হ'ব।

সভাপতি মহোদয়, আজি আমি অফিচাৰৰ ওপৰত নিৰ্ভৰ কৰি থাকিলে নহব। তেতিয়া হলে সকলো ধনী লোকেই পাব। এইবিলাক হৈছে আগৰ দিনৰ চৰকাৰৰ কাৰবাৰ। গতিকে আমি অফিচাৰ বিলাকক খুব সাৱধান কৰি দিবলাগিব যোৱা ২ বছৰে ষ্টেট এডভাইচৰী কাউন্সিলে গহপুৰৰ এচ, টি, এচ, চি এৰিয়াত এখন ৩০ খন বিচনাযুক্ত হস্পিতাল কৰিবলৈ দিছিল কাউন্সিলে পাছ কৰি দিয়াৰ পিচতো এই হস্পিতাল হৈ নুঠিল। এতিয়া কথা হল অফিচাৰ ডাঙৰ নে কাউন্সিল ডাঙৰ? শেষত যেনিবা বিধায়ক আৰু এম, পি থকাৰ বাবে যোৱা বছৰ গহপুৰত এখন ৩০ খন বিচনা যুক্ত হস্পিতাল হলগৈ। আমি এনেকুৱা হলে কাম কেনেকৈ কৰিম? বাইজে হয়তো ভাবিছে যে, আমাৰ বিধায়ক আছে আৰু এতিয়া মন্ত্ৰী হৈছেগৈ গতিকে আমাক এখন ৩০ খন বিচনা যুক্ত হস্পিতাল দিছে।

ডব্লিউ, পি, টি বিভাগে বেভিনিষ্ট বিভাগৰ লগত যোগাযোগ কৰিব লাগে আগতেও বহুবাৰ কোৱা হৈছে। অসমত যিমান জন্ম জাতি আছে তেওঁলোকক আমাৰ যিবিলাক ভি, জি, আৰ আৰু পি, জি, আৰ আছে বা চৰকাৰী যিবিলাক ভি, জি, আৰ আৰু পি, জি, আৰ আছে বা চৰকাৰী যিবিলাক মাটি

খালি পৰি আছে তাত বহিবৰ বাবে মাটি পট্টম দিবলাগে। আৰু যি সকল লোকে ইতিমধ্যে চৰকাৰী মাটি দখল কৰি আছে তেওঁলোককো সেই মাটিতে পট্টন দিবলাগে। তাৰোপৰি আজি দেখা গৈছে যে, অসমৰ প্ৰায় বনাঞ্চল দখল কৰা হৈছে, বনাঞ্চলৰ নাম মাত্ৰ কাগজতহে আছে। সেই বনাঞ্চলত বাসকৰা লোক সকলৰ বাবে আজি বাট্টা নাই, খোৱা পানীৰ ব্যৱস্থা নাই, স্কুলঘৰ নাই, কোনো ধৰণৰ মঞ্জুৰী গ্ৰাণ্ট আদি নাপায় আৰু চৰকাৰৰ পৰা যিবিলাক অন্যান্য সুবিধা পাবলাগে সেইবোৰ একো নাপায়। অতি ভাগৰ কথা হৈছে ট্ৰাইবেল চাবপ্লেনৰ কোনো গ্ৰাণ্টেই পোৱা নাই। এই সংক্ৰান্তত মই এবাৰ আমাৰ শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ক লগ কৰিছিলো আৰু কৈছিলো যে যবেষ্ট স্কুল বিলাকত অলপ কিতাপ দিব পাৰিবনেকি ? অৱশ্যে তেখেঁতে দিলে তাৰ পিচত মই বনাঞ্চলত বাস কৰা বাইজৰ বাবে সস্তীয়া মুল্যৰ চাউল যোগান দিয়াৰ ব্যৱস্থাও কৰি দিলে। কিন্তু সেই অঞ্চল বিলাকৰ স্কুল বিলাক প্ৰভিনচিয়েলাইজ কৰিব পৰা নাই। আজি এইবিলাক ঘটনা ঘটিছে। গতিকে এই বিলাক সুচাৰুৰূপে চলাৰ বাবে চৰকাৰে দৃষ্টি দি ব্যৱস্থা গ্ৰহন কৰিলে ভাল হয় আৰু যিমান বিলাক কাম কৰিবলৈ বাকী আছে সেই সকলোবিলাক কাম কৰিবলৈ বাকী আছে সেই সকলোবিলাক কৰি দিয়াৰ বাবে মই অনুৰোধ জনালো এইখিনিতে মোৰ এটা গোৱালপৰীয়া গীতলৈ মনত পৰিছে।" বেং কান্দে ভুৰুক ভুৰুক,

চাপৰা মাটিৰ তলত
চাৱা কান্দে খেচেৰ মেচেৰ
মাকৰ চিৰা কানিৰ তলত"

এই গীতৰ অৰ্থ আমাৰ বিষ্ণুৰাভাদেৱে এইদৰে কৰিছিল — জন্ম হোৱাৰ লগে লগে কান্দি উঠিব, চিৎকাৰ কৰিব খোৱাৰ বাবে। মাকৰ গাখীৰ খাব আৰু শিশু প্ৰথম পৃথিবীত ভুমিষ্ঠ হোৱাৰ লগে লগে জাৰ লাগিব আৰু তেতিয়া আৱশ্যক হব কাপোৰৰ তাৰ পিচত শিশুক মাকৰ চিৰা কানিৰ তলত আশ্ৰয় লাগিব অৰ্থাৎ ঘৰ। পৃথিবীত জীয়াই থকাৰ বাবে মানৱ জাতিক, মানুহক প্ৰথমে তিনিটা বস্তুৰ আৱশ্যক হব সেই কেইটা হৈছে আহাৰ, বস্ত্ৰ আৰু আশ্ৰয়। কিয়নো এই কেইটা বিশ্লেষন কৰি চালে দেখা পাও যে, অন্ন, বস্ত্ৰ, আৰু গৃহ এই কেইটা হল মানুহৰ জীয়াই থকাৰ বাবে প্ৰয়োজন হোৱা মৌলিক বস্তু। আজি এই মৌলিক প্ৰয়োজনীয় বস্তুৰ ওপৰত নিৰ্ভৰ কৰিয়েই

মানৱ জাতিৰ মাজত ইঞ্জিনিয়াৰ, ডাক্তৰ ওলাইছে। মানুহ ক্ৰমবিকাশৰ পথত আগবাঢ়িছে, বিজ্ঞানৰ অগ্ৰগতি হৈছে। আনকি আজি মানুহে ৰকেট উৰাইছে। গতিকে আমাৰ চৰকাৰে আজি আমাৰ যিবিলাক আশ্ৰয়হীন লোক আছে তেওঁলোকক আশ্ৰয় দিবপাৰে। অন্নহীনক অন্ন দিব পাৰে আৰু বস্ত্ৰহীনক বস্ত্ৰ দিব পাৰে এই ৩টা বস্তুক কেন্দ্ৰ কৰি আমি সমস্যা সমাধান কৰিব পাৰো। এই সমস্যা সমাধানৰ বাবে আমাৰ মাননীয় বিধায়ক সকলেও সহযোগিতা কৰিব লাগিব।

(ভইচ: ৰাজ্যখনৰ কথা নকয়নেকি ?)

১৯৭৫ চনতে বোমান স্ক্ৰিপ্তৰ বাবে আন্দোলন হৈছিল আৰু তেতিয়া অসমৰ মুখ্য মন্ত্ৰী আছিল শ্ৰীশৰৎ চন্দ্ৰ সিংহ ডাঙৰীয়া আৰু শিক্ষামন্ত্ৰী আছিল শ্ৰীহিতেশ্বৰ শইকীয়া। তেতিয়া ট্ৰাইবেল এৰিয়াত থকা স্কুল বিলাক একেবাৰে কোবাই ভাঙি নাইকীয়া কৰি পেলালে। বিজনীৰ বজাৰৰ ওচৰৰ স্কুলখন একেবাৰে ভাঙি শেষ কৰি পেলালে। আজি বড়ো সকলে বড়ো ৰাজ্যৰ দাবী আনিছে। আৰু যদি তেওঁলোকক ৰাজ্য দিয়া হয় তেনেহলে ৰাভাই ৰাজ্য বিচাৰিব, আহোমে বিচাৰিব আৰু কোঁচ ৰাজবংশীয়েও বিচাৰিব। শেষত গৈ অসম অসম হৈ নাথাকিব। গতিকে মই নিজে ৰাজ্য দিয়াৰ পক্ষপাতি নহয়। ইয়াকে কৈ মই মোৰ বক্তব্য সামৰিলো।

শ্ৰীআব্দুল জলিল ৰাগিবি: মাননীয় চেয়াৰমেন মহোদয়, আজি অনুন্নত জাতি সম্পৰ্কে আলোচনা সদনত চলি আছে। মোৰ কিছুমান ব্যক্তিগত মতামত সদনত দাঙি ধৰিবৰ কাৰণে আপোনাৰ অনুমতি সাপেক্ষে থিয় হৈছো। সভাপতি মহোদয়, আচল কথাটো হৈছে ইয়াত যিবোৰ আলোচনা, বিলোচনা চলি আছে, পৰামৰ্শ আদি সদনত দি অহা হৈছে। মোক যদি কোনোবাই প্ৰশ্ন কৰে যে আপোনাৰ বিধান সভাত যোগদান কৰি কি অভিজ্ঞতা হ'ল। তেতিয়া হলে মই কম বিৰোধী পক্ষৰ চিঞৰ-বাখৰ, সমালোচনা আৰু চৰকাৰৰ পক্ষৰ একোকেই নুশুন। এইটোৱেই হ'ল বিধান সভাৰ কাম। বিৰোধী পক্ষই যিমানেই পৰামৰ্শ দিয়ক, সমালোচনা কৰক, চৰকাৰী পক্ষই নুশুনে। আজি আমাৰ ৰাজ্যখনতেই নহয় গোটেই ভাৰতবৰ্ষতে অনুন্নত শ্ৰেণীৰ সম্প্ৰদায়ক উন্নয়নৰ পথলৈ আগবঢ়াই নিয়াৰ কাৰণে বছৰি, বছৰি কোটি, কোটি টকা ধাৰ্য্য কৰা হয়। আৰু সদনত প্ৰত্যেক বছৰেই সমালোচনাৰ সন্মুখীন হ'ব লগীয়া হয় অনুন্নত জাতিৰ উন্নতি হোৱা নাই আৰু তেওঁলোকৰ সমস্যা

সমাধান হোৱা নাই।

সভাপতি মহোদয়, এটা কথা মই মৌলিক ভাৱে জনাওঁ যে আজি বহু জাতি ন্যায়ৰ পৰা বঞ্চিত হৈছে, নিজৰ অধিকাৰৰ পৰা বঞ্চিত হৈছে, নিজৰ প্ৰাপ্যৰ পৰা বঞ্চিত হৈছে, লাঞ্চিত হৈছে, নিস্পেষিত হৈছে যাৰ ফলত নেকি বহুতৰে অন্তৰত বিক্ষোভ আৰু বিদ্ৰোহৰ ভাব সৃষ্টি হৈছে। আজি অসমত আন্দোলন চাৰিও ফালে চলি আছে। আমি অলপ লক্ষ্য কৰিলেই স্পষ্টকৈ দেখিম যে এই আন্দোলন অসমৰ অনুন্নত জাতি, অসমৰ পিচপৰা জাতি, এচ/চি, এচ/টি সকলৰ আন্দোলন। এই বিলাক জনগোষ্ঠীৰ মাজত আজি আন্দোলন চলি আছে। তেওঁলোকৰ অন্তৰত জুই জ্বলি আছে। তেওঁলোকে ভাবি আছে যে তেওঁলোক আজি নিজৰ আচল প্ৰাপ্যৰ পৰা বঞ্চিত হৈ আছে, লাঞ্চিত হৈ আছে, নিস্পেষিত হৈ আছে। তেওঁলোকৰ প্ৰতি অন্যায় কৰা হৈছে। অত্যাচাৰ কৰা হৈছে। সেই পৰিপ্ৰেক্ষিতত্তেই আজি অসমৰ বিভিন্ন জনগোষ্ঠিৰ মাজত গোটেই অসমতে আন্দোলন হৈছে। চাৰিওফালে আন্দোলন চলি আছে। বড়ো সকলে আন্দোলন কৰিছে আহোম সকলে তেওঁলোকৰ প্ৰাপ্য দাবী কৰিছে। কোচ ৰাজবংশী সকলে কৰিছে। যিহেতু তেওঁলোকক আজি ন্যায় বিচাৰৰ পৰা বঞ্চিত কৰা হৈছে. সেয়েহে আজি মই কওঁ যে যি ধন চৰকাৰৰ ফালৰ পৰা প্ৰত্যেক বছৰে ধাৰ্য্য কৰি দিয়া হৈছে সেইবিলাক ক'ত কেনেকৈ কিহত খৰচ কৰা হয় তাক কোনেও নেজানে। আচল কামত খৰচ কৰা নাই বাবেই আজি এনেকুৱা এটা অৱস্থাৰ সৃষ্টি হৈছে।

সভাপতি মহোদয়, মোৰ অভিজ্ঞতা হৈছে যে এই অনুন্নত শ্ৰেণীৰ সম্প্ৰদায় সকলৰ উন্নতিৰ কাৰণে যদি স্বৰ্গৰ পৰা দেৱতা সকল নামি আহে তেতিয়াহে ইয়াৰ সমস্যা সমাধান হব পাৰে। নহলে যি চৰকাৰেই নাথাকক এই যোৰ সমস্যা সমাধান কৰাটো কঠিন হব। এই দায়িত্ব যাৰ হাতত্তেই নেথাকক তাক ভালদৰে পালন কৰিব লাগিব।

মাননীয় সভাপতি মহোদয়, এইটো আমাৰ পবিত্ৰ সদনত আনপাৰ্লিয়ামেণ্টৰী শব্দ হব নেকি কব নোৱাৰোঁ কথাটো হল মানৱতা, আৰু চৰিত্ৰৰ পৱিত্ৰতাৰ ফালৰ পৰা আমি বহু তললৈ নামি গৈছোঁ। আজি আমাৰ মাজত কোনো দায়িত্ববোধ নাই। আমাৰ চৰিত্ৰত পৱিত্ৰতা নাই। আমাৰ অন্তৰত কোনো জাতীয়তাবোধ নাই। যদি থাকিলেহেঁতেন তেতিয়াহলে বছৰি বছৰি কোটি কোটি টকা নিৰ্দ্ধাৰিত কৰি এই পিচপৰা শ্ৰেণী সমূহক নিশ্চয় উন্নতিৰ পথলৈ

আগুৱাই আহিব পাৰিলেহেঁতেন ? তেওঁলোকে আজি আন্দোলন কৰিব নেলাগিলেহেঁতেন ? আজি ৪০ বছৰৰ পিচতো আমি এই সমস্যা বিলাক লৈ আলোচনা সমালোচনা কৰিব লগীয়া হৈছে। এই অনুন্নত জাতিৰ কাৰণে ৰাজ্য চৰকাৰে বেলেগে টকা নিৰ্দ্ধাৰিত কৰে আৰু ভাৰত চৰকাৰৰ ফালৰ পৰা ও যথেষ্ট টকা আহে। এই টকা বিলাক কলৈ যায় যাক দায়িত্ব দিয়া হয় তেওঁলোকে তাক ভালদৰে কামত নলগায় দায়িত্ব পালন নকৰে তাৰ ফলতেই আজি এই অৱস্থাৰ সন্মুখীন হব লগীয়া হৈছে। অন্যহাতে অসমত আজি টি এ, ভি যিখন বোৰ্ড আছে সেইখনত সভাপতি জন মুখ্যমন্ত্ৰী নিজেই। তেনে অৱস্থাত কিয় আজি ইয়াৰ কোনো পৰিবৰ্ত্তন নহল ? কিয় আজি তেওঁলোক নিজৰ প্ৰাপ্যৰ পৰা বঞ্চিত হ'ল ? এজন মানুহৰ যদি একো অসুবিধা নেথাকে, নিজৰ প্ৰাপ্য খিনি যদি ঠিক মতে পায় তেতিয়াহলে কিয় আন্দোলন কৰিবলৈ যাব ? কিয় প্ৰতিবাদ কৰিবলৈ যাব ? আজি গোটেই অসমৰ অনুন্নত শ্ৰেণীৰ মানুহবে এইটো ভাৱ হৈছে যে তেওঁলোকক প্ৰাপ্য খিনিৰ পৰা বঞ্চিত কৰা হৈছে, ন্যায় বিচাৰৰ পৰা বঞ্চিত কৰা হৈছে, তেওঁলোকক শোষণ কৰা হৈছে। এইটো ক্ষেত্ৰত কিছুমান নিজৰ অন্তৰৰ জুই উলিয়াই দিছে, আৰু আন্দোলনমুখী হৈ আন্দোলন কৰিছে। আৰু কিছুমানে এতিয়াও শুভ আৰু ধৈৰ্য্যৰ পৰিচয় দি আছে আশা কৰিছে যে তেওঁলোকে চৰকাৰৰ পৰা ন্যায় বিচাৰ পাব। চৰকাৰৰ শুভ বুদ্ধি উদয় হব। তেওঁলোকে হয়তো ভাবিছে তেওঁলোকৰ প্ৰাপ্যখিনি পাব পাৰে। নহলে আৰু বহু সম্প্ৰদায় আছে যিসকলে নিজৰ প্ৰাপ্যখিনিৰ কাৰণে, নিজৰ উন্নতিৰ কাৰণে আন্দোলনমুখী হব পাৰে।

সভাপতি মহোদয়, আজি মোৰ হিচাপ মতে ২৫টা জনগোষ্ঠী আন্দোলনমুখী হৈছে। প্ৰত্যেকেই দাবী কৰিছে নিজৰ নিজৰ বেলেগ ৰাজ্য। সেই সকলে অসমৰ সকলো শ্ৰেণীৰ মানুহ একগোট হৈ থকাটো সম্ভৱ নহয় বুলি অনুভৱ কৰিছে। তেওঁলোকে ভাবিছে একেলগ হৈ থাকিলে ন্যায় বিচাৰ নেপাব, প্ৰাপ্যখিনি নেপাব। গতিকে তেওঁলোকে বেলেগ হৈ যোৱাটো বিচাৰিছে। সেয়ে আজি উদয়াচল বিচাৰিছে, আহোম লেণ্ড বিচাৰিছে, কোঁচ ৰাজবংশী সকলে কোঁচ লেণ্ড বিচাৰিছে। এইবিলাক অন্যায়, অবিচাৰৰ কাৰণেই হবলৈ পাইছে। এনেও অসমখন ভাগ ভাগ হৈ গ'ল। নগালেণ্ড, মিজোৰাম, অমোক তমোক ইত্যাদি হৈ গ'ল। আৰু যিখিনি আছে সেইখিনিৰো আশংকা

হৈছে। ভাগ ভাগ হৈ যোৱাৰ। সেয়েহে আমি যদি আমাৰ দায়িত্ব ভালদৰে পালন নকৰো তেতিয়াহলে অসমত যি আন্দোলন হব সেইবিলাক চম্ভালিব পৰা নহ'ব।

মাননীয় সভাপতি মহোদয়, আমাৰ ধাৰণা আছিল যে অসমৰ যি নতুন চৰকাৰ গঠিত হৈছিল সেই চৰকাৰ যুৱকসকলৰ দ্বাৰা গঠিত হৈছিল আৰু তেওঁলোকৰ গাত দুৰ্নীতিৰ পৰশ লগা নাছিল। তেওঁলোকে ৰাজ্যখনৰ সকলো জনগোষ্ঠীৰ কাৰণে সমানে কাম কৰিব। অসমখনত বসবাস কৰা প্ৰত্যেক জনগোষ্ঠীৰ মানুহৰ প্ৰতি তেওঁলোকে ন্যায় কৰিব আৰু মানুহৰ যিখিনি প্ৰাপ্য সেইখিনি দিব বা তেওঁলোকে পাব। কিন্তু যোৱা তিনি বছৰত ৰাজ্যখনৰ কোনো এটা গোষ্ঠীৰ জনসাধাৰণেই বৰ্তমানৰ যুৱক চৰকাৰখনৰ ওপৰত সন্তুষ্ট হব পৰা নাই। প্ৰত্যেক গোষ্ঠীৰেই আজি অভিযোগ আছে। আমি দেখিবলৈ পাইছো দিশপুৰত প্ৰায় প্ৰতিদিনেই জনসাধাৰণে বিভিন্ন অভিযোগ অভাৱৰ কাৰণে হাজাৰ ষ্ট্ৰাইক কৰিছে, ঘেৰাও কৰিছে, অনশন কৰিছে, বিভিন্ন দাবী পূৰণৰ কাৰণে। এই কাৰণেই যে তেওঁলোকে নিজৰ যি প্ৰাপ্য সেইখিনি পোৱা নাই। তেওঁলোকৰ প্ৰতি অন্যায়, অবিচাৰ কৰি থকা হৈছে — কিন্তু ইতিহাসে এইটো কেতিয়াও মানি নলব—তেওঁলোকক তেওঁলোকৰ প্ৰাপ্যৰ পৰা কোনেও বঞ্চিত কৰি ৰাখিব নোৱাৰে।

সভাপতি মহোদয়, আজি চৰকাৰৰ যদি অসমখনৰ প্ৰতি মৰম আছে, তেওঁলোকে যদি অসমখনক ভাল পায় তেন্তে চৰকাৰে অসমত বসবাস কৰা সকলো সম্প্ৰদায়ৰ প্ৰতি সদ্‌ভাৱ ৰাখিব লাগিব, সকলো সম্প্ৰদায়ৰ প্ৰতি সমান চকু দিব লাগিব—তেওঁলোকৰ উন্নয়নৰ দিশত দিব লাগিব তেওঁলোকৰ ন্যায্য প্ৰাপ্যখিনি ( সময় সংকেত )। সভাপতি মহোদয়, বড়োসকলে যদি বড়োলেণ্ড দাবী কৰিব পাৰে, কোচ-ৰাজবংশীয়ে যদি নিজ ৰাজ্য বিচাৰিব পাৰে আহোম সকলে যদি পাৰে কাৰ্বি সকলে যদি পাৰে তেন্তে মিয়া সকলেও 'মিয়া লেণ্ড' দাবী কৰিব পাৰিব। আমাৰ সংখ্যা লঘু সম্প্ৰদায়ৰ লোক সকলেও তেওঁলোকৰ কাৰণে এডোখৰ ঠাই দাবী কৰিব পাৰিব। সি যি কি নহওক—বৰ্ত্তমান অসমৰ সংহতি, ঐক্য শান্তি সম্প্ৰীতি ৰক্ষা কৰাৰ কাৰণে চৰকাৰে অতি আন্তৰিকতাৰে সকলো ৰাইজৰ মাজত সোমাই পৰিব লাগিব। আজি দেশত ঐক্য, শান্তি-সম্প্ৰীতি নোহোৱা হৈছে। ( সময় সংকেত )। সেয়ে সভাপতি মহোদয়, মই আপোনাৰ জৰিয়তে বৰ্তমানৰ

উদীয়মান যুৱক চৰকাৰক অসমৰ ঐক্য বজায় ৰখাত গুৰুত্ব দিবলৈ অনুৰোধ কৰিলো। তেওঁলোকে যাতে অসমৰ সকলো জনগোষ্ঠীৰ প্ৰতি ন্যায় বিচাৰ কৰে, সকলোকে সমান চকুৰে চায়—নহ'লে অসমখন খানবান হৈ যাব।

Mr. Chairman : Now Hon'ble Shri Abdul Muktadir Choudhury

শ্ৰীআব্দুল মুক্তাদিৰ চৌধুৰী : মাননীয় অধ্যক্ষ মহোদয়, মই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি কবলৈ ওলাইছো। আজি অসমত এচ, চিৰ প্ৰজেক্টেড পপুলেচন ১৫ লাখ আছে, এচ, টিৰ প্ৰজেক্টেড পপুলেচন হৈছে ২৫ লাখ। আনহাতে এচ, চি, এচ, টি, আৰু অ, বি চি, মিলি অসমৰ মুঠ জনসংখ্যাৰ শতকৰা ৫৫ ভাগ। মই কব খুজিছো ৭ম পৰিকল্পনাত, বাৰ্ষিক পৰিকল্পনাবোৰত, প্লেন আৰু নন-প্লেনত যিবোৰ কোটি কোটি টকা এই জনগোষ্ঠীবোৰৰ কাৰণে ধাৰ্য্য কৰা হৈছে সেই টকাবোৰ ঠিকমতে তেওঁলোকৰ কাৰণে খৰচ কৰা হৈছেনে? বিভাগীয় মন্ত্ৰীয়ে ইয়াৰ এটা এচেচমেন্ট কৰিবনে? শতকৰা কিমান ভাগ টকা আচলতে এই জনগোষ্ঠীৰ কাৰণে খৰচ কৰা হৈছে? আৰু এই জনগোষ্ঠীৰ কাৰণে নিৰ্দ্ধাৰিত টকা নন-এচ, চি, এচ, টি এৰিয়াত কিমান কোটি টকা খৰচ কৰা হৈছে মন্ত্ৰী মহোদয়ে এটা এচেচমেন্ট কৰি উলিয়াবনে? তেখেত যদিও ৰাজ্য মন্ত্ৰী তেখেত ডেকা মন্ত্ৰী হিচাবে কাম কৰাৰ ইচ্ছা আছে আৰু তেখেত বিভাগটোৰ প্ৰতি যত্নপৰ হব বুলি মোৰ বিশ্বাস। ১৯৮৬-৮৭ চনত গ্ৰান্ট-ইন-এইড হিচাবে ট্ৰাইবেল ডেভেলপমেন্ট অথৰিটিক দিয়া হৈছিল ১৩৮'৭২ লাখ টকা, ১৯৮৭-৮৮ চনত ১৪৬ লাখ টকা দিয়া হৈছিল। তাৰে ১৯৮৬ ৮৭ চনত খৰচ নোহোৱাকৈ ৪২৭ লাখ আৰু ১৯৮৭-৮৮ চনত ৩৭৮ লাখ টকা —unspent in 1986-87 Rs. 427 lakhs & 1987-88 Rs. 378 lakhs. ১৯৮৮-৮৯ চনৰ হিচাৰ এতিয়া মোৰ হাতত নাই। এই কোটি কোটি টকা ট্ৰাইবেলৰ নামত টি, ডি, এক এলোট কৰা হৈছে -এইটো এটা হায়েষ্ট অথৰিটি। এই টকাবোৰ খৰচ নকৰাকৈ বেঙ্কত কাৰ স্বাৰ্থত জমা ৰখা হৈছে। নে লাখ লাখ টকা বেংকৰ ইন্টাৰেষ্ট পাব সেই কাৰণেই ৰখা হৈছে? নে বিভাগে কামত খটুৱাৰ অসুবিধাত ৰখা হৈছে। ইয়াৰ এটা এচেচমেন্ট কৰিব লাগে। আজি ট্ৰাইবেল আনৰেষ্ট কিয় হৈছে? বহুত কাৰণৰ মাজত ইও এটা কাৰণ। সেই মানুহখিনিয়ে ভাবিছে এনেদৰে তেওঁলোকৰ উন্নয়ন কেতিয়াও নহব। এদিন অসমৰ মেপৰ পৰা মেঘালয় আতৰি গ'ল—তেওঁলোকে ভাবিছিল অসমৰ লগত থাকিলে তেওঁলোকৰ উন্নতি কেতিয়াও নহ'ব। তেওঁলোকৰ অনুভূতিক তেতিয়া প্ৰধান মন্ত্ৰী শ্ৰীমতী গান্ধীয়ে অনুভৱ কৰিলে আৰু তেখে-

কৈয়ে মেঘালয়ৰ সৃষ্টি হ'ল। সেয়ে আমি আজি মানুহৰ আকৌ তেনে এটা ভাব আহিবলৈ দিব নালাগে। এচ, চি, এচ, টিৰ কাৰণে টকা দিয়া হয় কিন্তু কাম নহয়—এনে কিয় হয় ? এচ, চি, চি, পিয়ে সকলোতে টকা দিছে, সকলো বিভাগতে টকা আছে কিন্তু য'তে ত'তে টকা খৰচ কৰিছে আনহাতেকাম হোৱা দেখা নাই। যেনেকৈ স্বাস্থ্য বিভাগে পি, এইচ, চি, কৰিছে বুলি কৈছে. টকাও খৰচ কৰা দেখুৱাইছে কিন্তু ক'ত কিমান কাম হৈছে কোনেও নাজানে। এচ, চি, চি, পিয়ে দিয়া টকাবোৰ কলৈ গৈছে ? ইয়াৰ তিনি ভাগৰ এভাগ কামো বিভাগে দেখুৱাব পাৰিবনে ?

কাহিলীপাৰাৰ লগত যাৰ যোগাযোগ আছে সি সকলো পায়। ফাৰ্মিচাৰৰ কাৰণে টকা পায়. ঘৰৰ কাৰণে পায় সকলো গ্ৰাণ্ট পায় কিন্তু এই টকাবোৰ ইউটিলাইজড হৈছে নে নাই সেইটো চাওঁতা কোনো নাই। ১৯৮০ চনতে আমি জোৰ দিছিলো যে চিডিউলকাষ্ট কম্পনেন্ট বৰ্ডত সকলো ধৰনৰ মেম্বাৰ লব লাগে। সেই সকলে অন্তত: ওৱাটচ্ ডগ হৈ চাব পাৰিব। আজি বৰ্ড গঠন কৰোতে যাৰ যি ইচ্ছা নাম দি দিয়ে আৰু বৰ্ড হৈ যায়। হয়তো তাত কোনো কোনো অঞ্চলৰ এজনো সদস্য নাই। আৰু ৰাস্তা ঘাট আদি কামৰ কাৰ্য্য নিৰ্ব্বাচন কৰোঁতে দেখা যায় ইঞ্জিনীয়াৰ আৰু ঠিকাদাৰ একেলগে বহি ঠিককৰে কোনটো ৰাস্তা কত হব ইত্যাদি। এনেকৈয়ে কাম হৈ আছে, গতিকে কৰ টকা কলৈ গৈছে কিমান খৰচ হৈছে সেইবোৰ কোনে চাব ? এই চাৰডিভিজন বিলাকত যি বৰ্ড আছে সেই বৰ্ড কেনেকৈ হয় সেইটো মন্ত্ৰী মহোদয়ে অলপ চালেই গম পাব। টেলিগ্ৰাফিকেলী হয়। এচ, চিৰ যি বৰ্ড আছে তাত নন্ এচ, চি সদস্য থাকিব নোৱাৰে নেকি ? অন্য মানুহ দিয়াত কি ক্ষতি হব পাৰে ? ১৯৮৩-৮৪ চনত যি বৰ্ড গঠন কৰা হৈছিল তাত সকলো ধৰণৰ সদস্য দিয়া হৈছিল।

সভাপতি মহোদয়, নিযুক্তিৰ ক্ষেত্ৰতো বহুত ধৰণৰ কথা হৈছে। মই কৈছো যে বেকলগ কিমান আছে ? ৰোষ্টৰ মেনটেইন কৰা হৈছে নে নাই ? যদি কৰিছে কিমানহৰ কৰা হৈছে সেইবোৰ অলপ চাব লাগে। আমি আইন কৰিব পাৰোঁ কিন্তু তাক কাৰ্য্য কৰী কৰা হৈছে নে নাই সেইটো কোনে চাব ? সেয়ে এইবোৰ অলপ চাবলৈ মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলোঁ। প্ৰধানমন্ত্ৰীৰ ১৫ দফীয়া যি আচনি আছে ভাষিক সংখ্যালঘু সম্প্ৰদায়ৰ কাৰণে সেইটোও কাৰ্য্যকৰী কৰা হোৱা নাই। আমাৰ ইয়াত এটা চেল

আছে তাত এজন উপ সচিবো আছে। ইয়াৰ পৰা জিলা পৰ্য্যা-য়লৈ লিখাহয় কত কিমান কাম কৰা হৈছে জানিব বিচাৰে কিন্তু কিছুমান জিলাৰ পৰা কোনো উত্তৰেই নাহে। আমি মানুহৰ মনত এনে এটা ভাৱৰ সৃষ্টি হবলৈ দিব নালাগে যে তেওঁলোক এতিয়াও দ্বিতীয় শ্ৰেণীৰ নাগৰিক হৈ আছে। Justice delayed is Justice denied গতিকে জাষ্টিচ দিয়াৰ চেষ্টা কৰিব লাগে। যি মানুহে কেতিয়াও জাষ্টিচ পোৱা নাই তেওঁলোকে ন্যায় পালে ভাবে যে কেনেভাৱে পাইছে। গতিকে মন্ত্ৰী মহোদয়ে সেই ক্ষেত্ৰত অলপ চাব লাগে। এচ, টি কমপনেণ্টৰ গ্ৰাণ্ট ইন এইডৰ টকা কোনে পাই আছে আমি জানো। চাব ডিভিজনেল বৰ্ডবোৰ নামতহে। চেয়াৰমেনে যি লিখি দিয়ে সেয়ে হয়। ১৯৮৩ চনতে মাইন-ৰিটী ডেভেলাপমেণ্ট গঠন কৰা হল কিন্তু তেতিয়াৰ পৰা এতিয়ালৈ কি কাম হৈছে? একো কাম হোৱা নাই। আমাক ড্ৰাইভাৰ লাগে কিন্তু আমাৰ ইয়াত ড্ৰাইভিং ইন্সটিটিউট নাই তেতিয়া হলে ড্ৰাইভাৰ কৰ পৰা হব? সেয়ে মই মন্ত্ৰী মহোদয়ক কৈছো, এতিয়াও সময় আছে, তেখেতে অলপ বাস্তৱ দৃষ্টিভঙ্গী লৈ চিন্তা কৰক নহলে মানুহে নিজে নিজেই নিজৰ ডেভেল-পমেণ্ট কৰিবলৈ লব। এনে দিন এদিন আহিব। এইখিনিকে কৈ মই কৰ্ত্তন প্ৰস্তাৱ সমৰ্থন কৰিলোঁ।

Mr. Chairman: Now Hon'ble Shri Bhaben Bharali:

শ্ৰীভবেন ভৰালী: *মাননীয় সভাপতি মহোদয়, ভৈয়াম জনজাতি আৰু অনুসূচীত জাতি কল্যাণ পৰিষদৰ মন্ত্ৰীমহোদয়ে আজি যি দাবী মঞ্জুৰী উত্থাপন কৰিছে তাক মই সমৰ্থন কৰি কেইটামান কথা কব বিচাৰিছো। আচলতে এই অনুসূচীত জাতি আৰু জনজাতিৰ বাবে সংবিধানৰ যি সংৰক্ষণ কৰাইছে তাৰ দ্বাৰা কিমান সংৰক্ষণ হৈছে আৰু কেনে ধৰণৰ সংৰক্ষণ হৈছে আৰু সংৰক্ষণ হৈছে নে নাই সেই বিলাক চোৱাৰ কাৰণে যি এটা এজেন্সিৰ প্ৰয়োজন আছিল সেই সম্পৰ্কত কোনো ব্যৱস্থা আজিলৈকে লোৱা নাই। ইয়াৰ ফলত এই মানুহ খিনিক আগবঢ়াই নিয়াৰ সলথি দুখোজ পিচুৱাইহে গৈছে। এই ক্ষেত্ৰত সেই কাৰণে মই কব বিচাৰিছো যে এইটো সংৰক্ষণ ব্যৱস্থা নহৈ সীমিত কৰণ ব্যৱস্থাহে হৈছে। গতিকে এই সীমিতকৰণ ব্যৱস্থাটোক এটা শক্তিশালী সংৰক্ষণ ব্যৱস্থালৈ পৰিবৰ্ত্তন কৰিব লাগে। এতিয়া মই ইয়াৰ কেইটামান উদাহৰণ দিব বিচাৰিছো। প্ৰথমটো হ'ল এচ, চি, এচ, টি ৰিজাৰ্ভেশ্বন ভেকেন্সিজ এক্ট

১৯৭৮ খন এডপ্ত কৰা হৈছিল আৰু তাৰ ওপৰতো ৰুলো তৈয়াৰ কৰা হৈছিল। সেই ৰুলখনৰ ধাৰা ৪৮ আৰু ৫৭ এই দুটা ধাৰাৰ সংশোধন ঘটোৱা হৈছে। সংশোধন ঘটাই সেই ধাৰা দুটা বাইকীয়া কৰা হয় কিন্তু ইয়াৰ দ্বাৰা মানুহ খিনিক সংৰক্ষণ দিয়া হ'ল নে নহ'ল সেইটো ধৰিব নোৱাৰিলো। কোনোবা অনুসূচীত জাতিৰ বা জনজাতিৰ চাকৰিয়াল চাকৰি কৰি থকা অৱস্থাতে ঢুকালে সেই পদটো অনুসূচীত জাতি বা জনজাতিৰ লোকৰ কাৰণে সংৰক্ষিত থাকিব নে? সভাপতি মহোদয়, এনেকুৱা সংশোধন কিয় কৰিলে বুজিব পৰা নাই। এই সম্পৰ্কত বিভাগীয় মন্ত্ৰীয়ে উত্তৰ দানৰ কালত ক'ব বুলি আশা ৰাখিলো।

সভাপতি মহোদয়, ইয়াৰ পিচত আৰু এটা সংৰক্ষণৰ নামত সীমিতকৰণ কৰা হে হৈছে। অনুসূচীত জাতিৰ কল্যাণৰ কাৰণে যোৱা বছৰৰ আগৰ বছৰত মন্ত্ৰী সভাৰ সিদ্ধান্ত লৈছিল যে এটা ডিৰেক্টৰেট কৰা হ'ব। তাৰ কাৰণে জানুৱাৰী পৰ্য্যন্ত হৈ গৈছে কিন্তু আজি ১৯৮৯ চনৰ মে মাহ পৰ্য্যন্ত একো কাম হোৱা নাই। ডিৰেক্টৰ এজন নিযুক্তি দিছে কিন্তু কাম হোৱা নাই নোটি-ফিকেশ্বন হোৱা নাই। কাম কেনেকৈ কৰিব টকা ৰাখিছে বাজেটত মাত্ৰ তিনি লাখ। তিনি লাখ টকাৰে এটা ডিৰেক্টৰেট কেনেকৈ চলিব পাৰে। এই সম্পৰ্কত মই ব্যক্তিগত ভাবে সবিশেষ ব্যৱস্থা লবলৈ মন্ত্ৰী মহোদয়ৰ ওচৰত অনুৰোধ ৰাখিলো। আশাকৰো এই অধিবেশন চলি থকা সময়তে ডিৰেক্টৰেটটোক কাম কৰিবলৈ ব্যৱস্থা কৰিব। তেতিয়াহে প্ৰকৃততে মানুহ-খিনিৰ কাৰণে চৰকাৰে কিবা চিন্তা কৰা হ'ব। ইয়াৰ পিচত অনুসূচীত জাতিৰ সংৰক্ষণৰ নামত সীমিত কৰণৰ ব্যৱস্থাৰ আৰু এটা উদাহৰণ হ'ল গোটেই অসমতে ১১ হাজাৰ জনজাতীয় আৰু অনুসূচীত জাতিৰ বেকলগ ৰখা আটাইতকৈ আচৰিত কথা যে তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ কাৰণেও বেকলগ আছে। আচলতে চতুৰ্থ শ্ৰেণীৰ কাৰণে কোনো বেছি অৰ্হতাৰ প্ৰয়োজন নাই তথাপিও বেকলগ আছে। এজন দায়িত্বশীল কমিশ্যনাৰে অসম চুক্তি ৰূপায়ণ মন্ত্ৰীৰ আগতে এনেদৰে কৈছে। চতুৰ্থ শ্ৰেণীৰ বেকলগ কিয় পুৰণ কৰিব পৰা নাই এইটোৰ কাৰণে অতি শীঘ্ৰে ব্যৱস্থা কৰিব লাগে। এই সম্পৰ্কত আমাৰ বহুত কৰলগীয়া আছে আৰু তেনে বহুত ঘটনা আমাৰ ওচৰলৈও আহিছে কিন্তু দীঘলীয়া হোৱাৰ কাৰণে উল্লেখ নকৰিলো। অনুসূচীত জাতিৰ কাৰণে

*Speech not Corrected

যিটো প্রমোচনৰ ব্যৱস্থা থাকিব লাগে সেইটোও ঠিক মতে কৰা হোৱা নাই। প্ৰমোচন হব লগীয়া আছে যদিও দিয়া হোৱা নাই। তেনেকুৱা ধৰণে বঞ্চিত হৈ আছে। অনুসূচীত জাতি উন্নয়ণ কমিটি বা অনুসূচীত জাতি কল্যাণ পৰিষদ এখন কাউন্সিল আছে সেই কাউন্সিলখনৰ কাৰ্য্য কেৱল পৰামৰ্শ দাতাহে। পৰামৰ্শ দিয়া হিচাবে কাম কৰে। কিন্তু কাউন্সিলখন এক্সিকিউটিভ অথবিষ্টি কৰিব পাৰিলে অন্ততঃ টি, এচি, এৰ নিচিনা কৰিব পাৰিলে কাৰ্য্যক্ষম কৰিব পাৰি। কিয়নো পৰামৰ্শ দাতা হিচাবে কাম কৰি থকা কাউন্সিলৰ সকলো বিলাক পৰামৰ্শ কামত খটোৱা নহয়। অথচ এই কাউন্সিলত যিসকল সদস্য সেইসকল আমাৰ ইয়াৰ বিধান সভাৰ মাননীয় সদস্যই আছে আৰু তাৰ লগতে লোক সভাৰ মাননীয় সদস্যও আছে আৰু সেই সকলোখিনি সদস্য অনুসূচীত জাতি আৰু জনজাতিৰ মানুহ পৰাই আছে। সেই কাৰণে এই কাউন্সিলখনো টি, ডি, এৰ নিচিনা কাৰ্য্যক্ষম কৰা ব্যৱস্থা কৰিব লাগে।

(সদনত কলৰ অভাৱ ঘটে)

সভাপতি মহোদয়, সেই কাউন্সিলখন উপদেষ্টা পৰিষদ হৈ নাথাকি যদি এক্সিকিউটিভ কৰাৰ কাৰণে কাৰ্য্যকৰী ব্যৱস্থা লব পৰা হয় তেতিয়া হ'লে প্ৰকৃত পক্ষে কাম হ'ব আৰু এই মানুহখিনিৰ কাৰণে চিন্তা কৰা হ'ব, কাম কৰা হ'ব। প্ৰয়োজন বোধে কাউন্সিলৰ কল সলনি কৰি সংশোধন কৰি হ'লেও এই ব্যৱস্থা কাৰ্য্যকৰী কৰিব লাগে। ইয়াৰ পিচত এচ, টি কম্পনেন্ট প্লান আৰু ট্ৰাইবেল চাবপ্লেনৰ যি টকা আবন্টন কৰা হয় সেইটো যোৱা বছৰৰ সেই টকা খৰচ কৰিবৰ কাৰণে মহকুমা উন্নয়ণ বিষয়া বা আই, টি, ডি পিৰ বোৰ্ডৰ পৰা খৰচ কৰাৰ ক্ষেত্ৰতো বণ্ডাকিটাৰ মেৰপাকত সোমাব লগীয়া হব আৰু তাৰ ফলত যিটো বছৰত হ'ব লাগিছিল সেইটো আজি দুই তিনি বছৰৰ পিচতো হৈ উঠা দেখা নাই। ইয়াৰ কাৰণ হিচাবে বিভিন্ন বিষয়াৰ লগত আলোচনা কৰি বুজি পোৱা মতে ইয়াৰ বাবে এস. ও চি ব্যৱস্থাই দায়ী বহু পৰিমাণে। সেই কাৰণে টি, এচ, পি ফাণ্ড আৰু এচ, টি, পি ফাণ্ডৰ ক্ষেত্ৰত এল, ও চি ব্যৱস্থা পৰিহাৰ কৰিব লাগে। তেতিয়া হলে অৰ্থ-নৈতিক ভাবে দুখীয়া এই মানুহখিনিৰ অৰ্থনীতিৰ ক্ষেত্ৰত খৰতকীয়া ব্যৱস্থা লোৱাত সুবিধা হ'ব। এইটো মোৰ ব্যক্তিগত অনুৰোধ এইটো কৰিলে সুবিধা হ'ব ভাবি বিভাগীয় ভাবে ইয়াৰ ব্যৱস্থা লবলৈ অনুৰোধ জনালো। তাৰ উপৰিও মহকুমা

ভিত্তিত মহকুমা কল্যাণ বোৰ্ড আৰু অনুসূচীত জাতিৰ কাৰণে যি বোৰ্ড আছে সেই বিলাকৰ কাৰ্য্য পৰিসৰ বঢ়াব লাগে। কিয়নো বিষয়াসকলে যিবিলাক আঁচনি তৈয়াৰ কৰি আনে সেইখনৰ ওপৰত বোৰ্ডে কোনো ব্যৱস্থা ল'ব নোৱাৰে। কেৱল এপ্ৰোভ কৰি দিয়াৰ পিচত আঁচনি খনৰ কাম কিমান হ'ল কিমান নহ'ল আঁচনিখনৰ কাম আৰম্ভ হ'লনে নহ'ল এইবিলাক কথা বোৰ্ডৰ চোৱা-চিতাৰ ভিতৰত নপৰে কাৰণেই এই ক্ষেত্ৰত সুফল দিব পৰা নাই। সেইটো দায়িত্বও বোৰ্ডৰ ওপৰত থাকিব লাগে। কেৱল আঁচনি অনুমোদনৰ ক্ষেত্ৰত বোৰ্ডৰ দায়িত্ব শেষ নকৰি এই চোৱাচিতাৰ ভাৰো বোৰ্ডৰ ওপৰত দিলে আঁচনি কাৰ্য্যকৰী কৰাত সহায়ক হ'ব বুলি মোৰ ধাৰণা। এই ক্ষেত্ৰত বিভাগীয় মন্ত্ৰী মহোদয়ে চকু দিব বুলি অনুৰোধ জনালো। তাৰ পিচত আৰু এটা কথা হ'ল এই ডব্লিউ, পি, টি এণ্ড বি, চি বিভাগৰ কমিশ্যনাৰৰ দ্বাৰা যিহেতু এই কাম বিলাক চলোৱা হয় সেই কাৰণে এই বিভাগৰ কাৰ্য্য ক্ষমতা আৰু পৰিধিৰ আৰু বঢ়াব লাগে কিয়নো আন যি বিলাক বিভাগে কাম কৰিব সেইবিলাকলৈ এই বিভাগৰ পৰা দিয়া নিৰ্দ্দেশ আদি সেই সেই বিভাগ বিলাকে তেতিয়াহে ভাল ভাৱে কামত খটোৱাবলৈ চেষ্টা কৰিব কিন্তু তাকে নকৰাৰ ফলত ডব্লিউ, পি, টি, চি এণ্ড বি, চ বিভাগৰ পৰা দিয়া নিৰ্দ্দেশনামা বিলাক আৰু আন বিভাগ বিলাকত ঠিক মতে পালিত নোহোৱাৰ কাৰণে আচলতে সাধিব খোজা উদ্দেশ্যৰ ব্যাঘাত হোৱা পৰিলক্ষিত হৈছে। প্ৰয়োজন সাপেক্ষে এপিলেট অথৰিটিৰ ব্যৱস্থা কৰিব লাগে। তাৰ কাৰণে পেনাল্টি আদিৰো ব্যৱস্থা কৰিব লাগে। যদি কোনো বিভাগে ভাঅ'লেট কৰে তেনেহলে শাস্তি পোৱাৰ ব্যৱস্থা থাকিব লাগে।

সভাপতি মহোদয়, ১৯৮৭ চনৰ এখন আইন আছে। এই আইনখনত পেনাল্টি দিয়াৰ ব্যৱস্থা আছে। কোনোবাই দোষ কৰিলে ৩ মাহ সশ্ৰম কাৰাদণ্ড আৰু ৫০০০ টকালৈকে জৰিমনা দিয়াৰ নিয়ম আছে ডব্লিউ পি, টি, ডি হেড্ নহয়। তেওঁ তেতিয়া নিৰ্দ্দেশ নেমানিব পাৰে। আইনখন যাতে ঠিকমতে চোৱা চিতা কৰিব পাৰে তাৰ কাৰণে ব্যৱস্থা কৰিব লাগে। মাননীয় ৰাজ্য পাল মহোদয়ে যেতিয়া নিযুক্তি দিয়ে ক্লাচ ওৱান বা এ, চি, এচ। তেখেত সকলৰ বাবে নিয়মটো প্ৰযোজ্য নহয়। সেইকাৰণে মই কব বিচাৰিছো যে সকলোৰে কাৰণে আইনখন একে কৰিলে ভাল হয়। অনুসূচীত জাতিৰ উন্নয়নৰ কাৰণে এটা নিগম আছে। এচ, চিৰ কাৰণে এখন আঁচনিৰ যোগেদি

দৰিদ্ৰতাৰ সীমাৰেখাৰ তলত থকা মানুহখিনিক আপগ্ৰেড কৰিব লাগে। অনুসূচীত জাতিৰ বহুতো দুখীয়া ডেকা ল'ৰা নিবনুৱা হৈ আছে। তেওঁলোকক গৰু গাড়ী, ৰিক্সা আদি কিনিবৰ কাৰণে ৫০০০ হেজাৰ বা ১২০০০ হেজাৰ টকা দিয়া হয় যদিও আজি-কালিৰ দিনত সেইখিনি টকাৰে একো নহয়। তাৰোপৰি যিসকল শিক্ষিত ল'ৰা যেনে প্ৰবেশিকা পৰীক্ষা বা ইনটাৰমেডিয়েট আছে তেওঁলোকে এইবিলাক ব্যৱসায় কৰিবলৈ টান পায়, সেই কাৰণে অলপ ডাঙৰ ব্যৱসায় কৰিব পৰাকৈ ১ (এক) লাখ মানকৈ গাইপতি ভগাই দিলে ভাল হয়। এই ব্যৱস্থাটো কৰিবৰ কাৰণে ভাৰত চৰকাৰৰ লগত আলোচনা কৰিব লাগে। এই বিষয়ে আমাৰ মন্ত্ৰী মহোদয়ে ভাৰত চৰকাৰৰ লগত আলোচনা কৰি দিবা এটা ব্যৱস্থা লব বুলি মই আশা কৰিলো। অনুসূচীত জাতিৰ কৈবৰ্ত্ত মানুহখিনি বিশেষকৈ নদীৰ পাৰত বসবাস কৰে। মাছ মাৰি তেওঁলোকে জীবিকা নিৰ্ব্বাহ কৰে। মই কেইবাখনো জিলা ভ্ৰমণ কৰি দেখিবলৈ পাইছো বান পানীয়ে ঘৰ দুৱাৰ উটুৱাই নিছে মাটি খহাই নি ভূমিহীন কৰিছে। তেওঁলোকক পুনৰ সংস্থাপন কৰাৰ কোনো ব্যৱস্থা হাতত লোৱা নাই। তেওঁলোক ভূমিহীন হৈয়ে আছে। কিছুমানে টিনৰ চালি লৈ ৰাস্তাৰ ওপৰতে বাস কৰি আছে। যোৰহাটৰ নিমাতিত যোৱা বানপানীয়ে প্লাৱিত কৰে। যোৰহাটৰ বংদৈ, ৰবআলি, নিমাতি, তিতবকৰিলা ইত্যাদি ৫ খন গাঁৱৰ মানুহক এতিয়াও মাটি পট্টন দিয়া নাই। এই ভূমিহীন মানুহখিনিক মাটি পট্টন দিবৰ কাৰণে মাননীয় মন্ত্ৰী মহোদয়ে ৰেভিনিউ বিভাগৰ লগত আলোচনা কৰি খৰতকীয়া ব্যৱস্থা লব লাগে। যাতে অসমৰ সেউজীয়া মাটিত থাকিবলৈ আশ্ৰয়কণ পায়। সভাপতি মহোদয়, প্ৰত্যেক মহকুমাতে অনুসূচীত জাতি ছাত্ৰসকলৰ বাবে একোটাকৈ হোষ্টেল থাকে। লক্ষীমপুৰ, ডিব্ৰুগড়, যোৰহাট, গোলাঘাট, নগাওঁ আৰু ধুবুৰীত একোটাকৈ হোষ্টেল আছে। এই হোষ্টেলবিলাকৰ অৱস্থা একেবাৰে শোচনীয় ভাগি ছিগি গৈছে। এডভাইচাৰি কাউন্সিলৰ লগত আলোচনা কৰি এই হোষ্টেলবিলাক পুনৰ নিৰ্ম্মাণ কৰাৰ ব্যৱস্থা লব লাগে। এই পবিত্ৰ সদনত মই আঙুলিয়াই দিছো যাতে মন্ত্ৰী মহোদয়ে এই বিষয়ে ব্যৱস্থা লয়। অনুসূচীত জাতি আৰু জনজাতিৰ নামত যিবিলাক সংৰক্ষণ কৰা হৈছে সেইবিলাক চোৰাচিতা কৰিবলৈ কোনো বিষয়া নাই। এচ, চিৰ কাৰণে কেইটামান বিভাগ আছে সেইকেইটাত খৰছ কৰিবলৈ ভাগ কৰি দিছে। কি কৰিছে কেনেকৈ কৰিছে চাওঁতা কোনো নাই। ডাব্লিউ

পিটি আৰু বি, চিক এটা মেচিন্‌যাৰী দিব লাগে যতে এই সম্পৰ্কত এটা ব্যৱস্থা লব লাগে। অন্যথাই সীমিতকৰণৰ বাৰহাটো বাহাল ৰাখিব লাগে। এইখিনিতে কৈ মোৰ বক্তব্য সামৰণি মাৰিছো।

শ্ৰীতনু কোঁৱৰ :- মাননীয় সভাপতি মহোদয়, আৰু উপস্থিত সদস্য সকল, মই আজি পিচপৰা শ্ৰেণীৰ বিষয়ে কবলৈ পাই নিজকে ধন্য মানিছো। লগতে ডঃ অম্বেদকাৰক মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছো। কাৰণ তেখেতে সংবিধান ৰচনা নকৰাহেঁতেন এইদৰে অ'মি বহি আলোচনা কৰিবলৈ নাপালো-হেতেন। ডঃ আম্বেদকাৰৰ লগতে নেহেৰু আছিল ভাৰতবৰ্ষৰ এজন কল্যাণকামী ৰাষ্ট্ৰৰ কৰ্ণধাৰ। ভাৰতবৰ্ষৰ ইকনমিটো হল কল্যাণকামী অৰ্থনীতি। যি সকল আমাৰ চৰকাৰৰ কৰ্ণধাৰ সেই সকলক মই এখন কিতাপ পঢ়িবলৈ অনুৰোধ কৰিছো সেইখন হল ডঃ বি, চি, কিৰোৰ ওৱেলফেয়াৰ ইকনমিক কিতাপ। কোনোবা এখন ঠাইৰ আৰু কোনোবা এটা জাতি যদি কিবা কাৰণত অসন্তুষ্ট হৈ থাকে তেন্তে সেইখন দেশ শান্তিত আছে বুলি কব নোৱাৰি। এইখন কল্যাণকামী দেশ হৈছে বুলি কব নোৱাৰি। কাৰণ আমাৰ দেশত বড়ো ভাই সকল আছে। আমাৰ অসম দেশখনৰ নামটো আমাৰ বড়ো ভাই সকলে দিয়া বুলি মই কব খোজো। আহোম সকল থাইলেণ্ডৰ পৰা আহিছে। সেই মানুহখিনি আহোম মানুহ কাৰণে আস্যাম বুলি মকৈ আশ্যাম হলগৈ। সেই কাৰণে মই কব খোজো যে অসমখন ভাগ কৰিলে নহব।

গতিকে মাননীয় অধ্যক্ষ মহোদয় কব বিচাৰিছো যদি এই বিলাক সমস্যা লৈ অসম খনত বিভেদৰ সৃষ্টি হয় তেতিয়াহলে ত্ৰইটো বৰ দুখৰ কথা হব আজি অকল অসমতেই নহয় বিহাৰৰ জৰখণ্ডত, পশ্চিমবঙ্গত দাৰ্জিলিংত এনে ধৰণৰ আন্দোলন গা কৰি উঠিছিল। ভাৰতবৰ্ষ এখন কল্যাণকামী ৰাষ্ট্ৰ গতিকে ৰাষ্ট্ৰৰ তথা ৰাজ্যৰ কল্যাণৰ কাৰণে আচঁনি প্ৰস্তুত কৰাটো চৰকাৰৰ নিতান্তই উচিত। আজি আমি ইজনে সিজনক বেয়া পোৱাটো উচিত নহয় আৰু ইজনে সিজনৰ প্ৰতি বেয়া মনোভাৱ পোষন কৰাটো উচিত নহয়। আজি কল্যাণকামী ৰাষ্ট্ৰ হিচাবে আজ যি সকল ধনী মানুহ আছে তেওঁলোকৰ ওপৰত টেক্স লগোৱা হৈছে আৰু সেই টেক্সৰ পৰা দুখীয়া জনসাধাৰণক সহায় কৰাৰ কাৰণে কল্যাণ মূলক আচঁনি লোৱা হৈছে। আজি

ধৰক কলঘৰ আছে তাৰ পৰা খোৱা ওলাই যিবিলাক সাধাৰণ গৰিব শ্ৰেণীৰ। লোক আছে তেওঁলোকৰ অসুবিধাৰ সৃষ্টি কৰিছে গতিকে সেই অসুবিধা বিলাক দূৰ কৰাৰ কাৰণে কলৰ মালিকৰ ওপৰত টেক্স লগোৱা হৈছে আৰু সেই টেক্সৰ দ্বাৰা গৰীব-জনসাধাৰণক সহায় কৰাৰ কাৰণে আৰু তেওঁলোকৰ চিকিৎসাৰ কাৰণে হস্পিতেল বনোৱা হৈছে তাত তেওঁলোকৰ চিকিৎসাৰ ব্যৱস্থা কৰা হৈছে। এইবিলাকেই হ'ল কল্যাণকামী ৰাষ্ট্ৰৰ ৰাইজৰ প্ৰতি সব লগীয়া কল্যাণমূলক আঁচনি। আজি আহোম লেণ্ড বা কোচ লেণ্ড বা অন্যান্য লেণ্ড ইত্যাদিৰ সৃষ্টিৰ কথা ভাবি থাকো তেতিয়াহলে আমাৰ ৰাজ্যখনৰ কেতিয়াও উন্নতি নহ'ব। আজি দুৰ্নীতিৰ কথা কোৱা হৈছে, কথা কোৱা হৈছে, মই বি, এল, চি, চিৰ সভাপতি হিচাবে দেখিছো অনুসূচিত জাতি ওজনজাতি আৰু অন্যান্য পিচপৰা জাতিৰ কল্যাণৰ কাৰণে যিবিলাক আচঁনি লোৱা হৈছে আৰু তাৰ মাধ্যমত যিবিলাক মাটি বিতৰণ কৰা হৈছে সেইবিলাক শেষত গৈ মণ্ডলৰ হাতত পৰে আৰু ভাত বেনিফিচিয়াৰীয়ে গৈ ভয়াংহ অসুবিধাৰ সন্মুখীন হব লগীয়া হয়। টকা-পইচাৰে খৰচান্ত হব লগীয়া হয়। গতিকে এই সকলো বিলাক কথা আৰু সমস্যাৰ প্ৰতি দৃষ্টি ৰাখি মই কব বিচাৰিছো আমাৰ বিধায়ক সকলে এই পি, চি, কিতাপখন পঢ়ক। তেতিয়াহলে আপোনালোকে বহু খিনি কথা হৃদয়ঙ্গম কৰিব পাৰিব। শেষত এই খিনিকে কলাই মোৰ এই চমু বক্তব্যৰ সামৰণি মাৰিলো।

Mr. Chairman : There has been considerable discussion on this Grant. I now request the Minister of State, W.P.T.&B.C. Department to reply to the debate.

শ্ৰীদুৰ্গাদাস বড়ো (ৰাজ্যিক মন্ত্ৰী): * মাননীয় অধ্যক্ষ মহোদয়, যোৱা কালিৰ পৰা দীঘলীয়া ভাৱে মাননীয় সদস্য সকলে যথেষ্ট গুৰুত্ব সহকাৰে অনুসূচীত জাতি আৰু জনজাতি আৰু অন্যান্য পিচপৰা শ্ৰেণীৰ বিভাগৰ বাজেটৰ ধনৰ ওপৰত কৰ্তন প্ৰস্তাৱ উত্থাপন কৰি পৰামৰ্শ আগবঢ়াইছে। মাননীয় সদস্য সকলৰ বক্তব্যত প্ৰকাশ পাইছে অনুসূচিত জাতি আৰু জনজাতি আৰু অন্যান্য পিচপৰা শ্ৰেণীৰ বিভাগৰ কাৰণে যি খিনি ধন আবণ্টন কৰা হৈছে সেই খিনি যথেষ্ট কম হৈছে বুলি প্ৰকাশ পাইছে। আৰু তেখেত সকলে

*Speech not Corrected

কাট মোঙ্গন। আমি এইটো আলোচনা কৰিবলৈ বিচাৰিছে।

অধ্যক্ষ মহোদয় ST. (P). SC, ST (H) মানুহ সকলৰ খৰতকীয়া উন্নতিৰ বাবে ভাৰতৰ অন্য ৰাজ্যৰ দৰে অসম চৰকাৰে প্ৰত্যেকৰ কাৰণে বেলেগ বেলেগ Sub Plan কৰিছে। WPT & BC Deptt. য়ে TSP আৰু SC componant Plan ৰ Co-organising Deptt. TSPত ২৭ টা Department অন্তৰ্ভুক্ত। SC Componant Plan ত ২৬ টা Department অন্তৰ্ভুক্ত। Science Technology and Environment Department TSP ৰ ভিতৰত আছে মাত্ৰ SC componant Plan ত নাই। সংশ্লিষ্ট (concerned) Department এ নিজৰ Departmentৰ TSP বা SC componant Plan ত থকা বাজেটৰ বাবে ব্যৱস্থা লৈছে। General Area Plan ৰ ক্ষেত্ৰত P & D Deptt. এ যেনেকুৱা co-orinating কাম কৰে তেনেকুৱা co-orinating কাম WPT & BC Deptt. য়ে TSP আৰু SC Componant Plan ৰ ক্ষেত্ৰত কৰে।

(3) Backward Section Plan খন Directorate WPT & BC, Directorate for the welfare of Tea garden আৰু Ex-Tea garden Tribes, Directorate of Tribal Research institute Directorate of SC ৰ দ্বাৰা ৰূপায়ন কৰা হয়। ইতিমধ্যে যদিও Director of SC ক Head of the Deptt. হিচাবে চৰকাৰে ঘোষিত কৰিছে তথাপি এই অফিচত সুকীয়াভাবে কাম আৰম্ভ হোৱা নাই। আশা কৰা যায় 1989-90 চনত এই office এ সুকীয়া কাম ভাবে আৰম্ভ কৰিব। বৰ্তমানলৈকে Director of WPT&BC আগবঢ়ে Director of SC কাম চলাই আছে।

মাননীয় চেয়াৰমেন মহোদয়, ইয়াত কেবাজনো মাননীয় সদস্যই আলোচনা আগবঢ়াই পৰামৰ্শ ডাঙি ধৰিছে। আমাৰ ভবেন ভড়ালী ডাঙৰীয়া আৰু মিলমণী দাস ডাঙৰীয়াই এই দিশটো আলোচনা কৰিছে যে, যেনে ধৰণৰ ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগৰ অধীনত আমাৰ এই বিভাগৰ কাম কাজ চলি আছে। আমাৰ এই বিভাগৰ কামবিলাক ২৬।২৭ টা বিভাগে চাই আৰু সেই বিভাগৰ তত্বাবধানত কামবিলাক কৰা হয় কিন্তু আমাৰ এই বিভাগৰ নিজাকৈ কোনো চেল মধকাৰ বাবে আমাৰ মাননীয় সদস্যসকলে বিচৰা ধৰণে ধৰণকৈ আমি ডাটা সমূহ সদনত দিয়াটো অসম্ভৱ। আৰু তাৰ ওপৰত বিহীত

ব্যৱস্থা লবলৈ গ'লে কিমান দূৰ ফলপ্ৰসূ হ'ব সেই চিন্তাৰ বিষয়। আমাৰ মাননীয় সদস্য ভবেন্দ্ৰ নাথ ভড়ালী ডাঙৰীয়াই যিটো কথা আলোচনা কৰিছিল সেই ক্ষেত্ৰত মই ক'ব বিচাৰিছো যে আমি স্বকীয়া ভাবে কাম আৰম্ভ কৰিব পৰা নাই। আশা কৰা যায় আমি কম সময়ৰ ভিতৰতে আমাৰ এই বিভাগৰ জৰীয়তে বিভিন্ন ডেভেলপমেণ্টৰ কামবিলাক চিধা-চিধিকৈ কৰিব পাৰিম। আমাৰ মাননীয় বিৰোধী পক্ষৰ বিধায়ক সকলৰ লগতে চৰকাৰী পক্ষৰ বিধায়ক সকলে অনুসূচীত জাতি আৰু জনজাতি আৰু অন্যান্য পিচপৰা শ্ৰেণীৰ লোকৰ বাহিৰে ও অন্যান্য যিসকল জনগোষ্ঠী আছে তেওঁলোকেও এই সুবিধা বিলাক ভোগ কৰি আহিছে। আমাৰ মাননীয় কেৱাগৰাকী সদস্যই ইয়াত এনেকুৱা এটা ধাৰণা ক'ৰি ৰাখিছে সেইটোও মই আমাৰ কালৰ পৰা ক্লিয়াৰ কৰি দিব বিচাৰিছো যে অনুসূচীত জাতি আৰু জনজাতি আৰু অন্যান্য পিচপৰা শ্ৰেণীৰ উন্নয়নৰ কাৰণে যেতিয়া স্বকীয়াকৈ ধন আবণ্টন কৰা হ'ব, সেই স্বকীয়া ধন আবণ্টন কৰাৰ পাচত সেই অঞ্চল সমূহত জেনেৰেল প্লেনৰ পৰা কাম কৰিব নোৱাৰিব সেইটো নহয়। জেনেৰেল প্লেনৰ পৰা কাম কৰাত বাধা নাই আৰু তেনেধৰণৰ বিভিন্ন বিভাগত ৰাজ্য চৰকাৰে উন্নয়ন মূলক কাম কৰি আহিছে। তাৰোপৰি পিচপৰা শ্ৰেণীৰ উন্নয়নৰ কাৰণে আৰু এই লোক সকলক আগুৱাই নিয়াৰ কাৰণে এই ধন ধৰা হয়। আমাৰ মাননীয় সদস্য দীপেন্দ্ৰ পুৰকায়স্থৰ বক্তব্যৰ আৰম্ভনীতে মহকুমা উপদেষ্টা বিবিলাক বোৰ্ড আছে সেই বিষয়ে তেখেতে কৈছে যে ৰাজনৈতিক ভাবে এই বোৰ্ড বিলাক গঠন কৰা হৈছে। আচলতে ৰাজনৈতিক উদ্দেশ্যত বোৰ্ড সমূহ গঠন কৰা হোৱা নাই। যিসকল অনুসূচীত জাতি আৰু জনজাতি আৰু অন্যান্য পিচপৰা শ্ৰেণীৰ লোক আছে তেওঁলোকৰ দ্বাৰাই এই বোৰ্ড সমূহ গঠন কৰা হৈছে। আৰু অনুসূচীত জাতিৰ ছাত্ৰ-ছাত্ৰী নথকা স্বত্বেও অনুসূচীত জাতিৰ নাম কৰি তাত স্কুল খোলা হৈছে আৰু প্ৰাদেশিকিকৰণ কৰা হৈছে, যেতিয়া হ'লে সেইটো আমাৰ দৃষ্টি গোচৰ হ'লে লগে লগে আমি কেনচেল কৰাৰ ব্যৱস্থা লম। এই প্ৰসংগতে মই জনাব বিচাৰিছো যে আজি কেইদিনমান আগতে মৰিগাৱত ঠিক তেনেধৰণে এখন স্কুল আৰম্ভ কৰা হৈছিল আৰু প্ৰাদেশিকিকৰণ কৰা হৈছিল কিন্তু যেতিয়া আমাৰ দৃষ্টি গোচৰ হ'ল তত্‌কালিকে কেনচেল কৰা হ'ল। আৰু তাৰ সমানি বেলেগ ঠাইলৈ দিয়া হ'ল।

ইয়াৰোপৰি আমাৰ মাননীয় সদস্য ৰত্নেশ্বৰ চৰকাৰ ডাঙৰীয়াই এই বিভাগৰ বিষয়ে আলোচনা কৰি কৈছে যে এই বিভাগে সঠিক ভাবে ধন খৰচ কৰিব পৰা নাই। মাননীয় সদস্য সকলৰ প্ৰায় বিলাকেই তেখেতসকলৰ বক্তব্যত অনুসূচিত জাতি আৰু জনজাতি আৰু পিচপৰা শ্ৰেণীৰ লোকৰ উন্নয়নৰ কাৰণে কেনেধৰণে ধন খৰচ কৰিছে আৰু খৰচৰ হিচাব ৰাখিব পৰা নাই এই খিনি কথা উল্লেখ কৰিছে। মই আৰম্ভণীতে কৈছো যে আমাৰ এই বিভাগৰ নিজা চেল নথকাৰ কাৰণেই শিক্ষা বিভাগৰ হলে শিক্ষা বিভাগক আৰু গড়কাপ্তানী বিভাগৰ হলে গড়কাপ্তানী বিভাগক কামবোৰ কৰিবলৈ দিয়া হয়। এনেকৈয়ে ভাগ কৰি দিয়াৰ পিচত কেনে ধৰণে খৰচ কৰিছে সেইটো হিচাব আমাৰ নিজা চেল নথকাত আমি স্পষ্ট ভাবে ৰাখিব পৰা নাই। আৰু নিজা চেল নথকাতো আপোনালোকৰ বক্তব্যতে ৰাখিছে। আজি উন্নয়নমূলক কাম বিলাক কৰিবলৈ যাওতে বিশেষকৈ কোনো এটা ৰাস্তা লওতে কেতিয়াবা অনুসূচিত জাতি ও জনজাতিৰ বা পিচপৰা এলেকাৰ কিছু অংশ চুই যায় আৰু বৃহত অংশ জেনেৰেল এৰিয়াত পৰি যায় তেনে ক্ষেত্ৰতো কোৱা হয় এইটো অনুসুচিত শিতানৰ পৰা কৰা হৈছে। কাগজে-পত্ৰেয়ো এইটো প্ৰকাশ কৰে যে উক্ত আচঁলিত অনুসূচিত জাতি ও জনজাতি আৰু পিচপৰা এলেকাৰ উন্নয়নৰ কাম কৰা হৈছে। ইয়াৰ উপৰিও তেখেতে ১৬/১৭ বছৰীয়া লৰা বোৰ্ডৰ সদস্য হৈ আছে বুলি কৈছে। তেনেকুৱা যদি হৈছে তেখেতে লিখিত ভাবে আমাক দিলে আমি অতি শীঘ্ৰে বোৰ্ডৰ সদস্য পদৰ পৰা আতৰোৱাৰ ব্যৱস্থা কৰিব পাৰিম। আমাৰ মাননীয় সদস্য গোপীনাথ দাস ডাঙৰীয়াই বহুত সময়ত সদস্য বেচি হোৱা বুলি তেখেতৰ বক্তব্যত প্ৰকাশ কৰিছে। আমাৰ বোৰ্ড সমূহত কোনো ইউনিফৰ্মিটি নাই। কোনো কোনো বোৰ্ডত ১০ জন কোনো কোনো বোৰ্ডত ৩০ জন সেইদৰে ২০ জন থাকে। মইয়ো ভাবিছো এটা ইউনিফৰ্মিটি এই ক্ষেত্ৰত থাকিব লাগে। এই খিনিতে এটা কথা লক্ষ্যয়ো ৰাখিব লাগিব যে কোনোবা কোনোবা এচ. চি, এচ, টি বা অন্যান্য পিচপৰা শ্ৰেণীৰ লোক কম বেচি থাকিব পাৰে, গতিকে সেই অনুপাতে সদস্যয়ো কমবেচি হব পাৰে। গতিকে তেখেতে যিটো পৰামৰ্শ দিছে সেইটো ইউনিফৰ্মিটি ৰাখিব পাৰি নে নোৱাৰি সেইটো বিবেচনা কৰি চাম। মাননীয় সদস্য সকলে ৰাজ্যিক পৰ্য্যায়ৰ যিবিলাক উপদেষ্টা বোৰ্ড বা কাউঞ্চিল আছে সেইবিলাকৰ সভা সঘনে হোৱা কথা উল্লেখ কৰিছে

মাননীয় সদস্য সকলে যি খিনি পৰামৰ্শ আগবঢ়াইছে চলিত বিত্তিয় বছৰত তেখেত সকলৰ এই পৰামৰ্শ গ্ৰহন কৰি আমি কাৰ্য্যক্ৰম নিল প্ৰস্তুত কৰিবৰ কাৰণে চেষ্টা কৰিম । অৱশ্যে কেতিয়াবা সকলো বিলাক সময়মতে পূৰণ কৰোতে অলপ পলম হৈছে, দেৰিকৈ হলেও সেই বিভাগ বিলাকে কাম বিলাক কৰিবলৈ চেষ্টা কৰিছে । এই খিনিতে আমাৰ মাননীয় সদস্য অমৃত লাল বসুমতাৰী ডাঙৰীয়াই উল্লেখ কৰিছিল যে গৃহ বিভাগত থকা বেক-লগ পূৰণ কৰা হৈছে নে নাই, এই বিষয়ে মই গৃহ মন্ত্ৰীক সুধিছিলো আৰু তেখেতে তেতিয়া মোক জনাইছে যে আমি ৫০০ পোষ্ট দিয়াৰ কথা আছিল কিন্তু তাত এহে-জাৰতকৈয়ো অধিক যুৱকক নিযুক্তি দিয়া হৈছে । ইয়াৰ উপৰিও আমাৰ মাননীয় সদস্য যোগেন্দ্ৰনাথ বসুমতাৰী ডাঙৰীয়াই এ, টি, ডি, এৰ ব্যক্তিগত সাহাৰ্য্য দিলেহেঁতেন তেতিয়াহলে তেওঁলোকে অৰ্থাৎ বড়ো ছাত্ৰ সন্থাৰ ছাত্ৰসকলে কাম-কাজত ব্যস্ত হৈ থাকিল হেঁতেন বুলি তেখেতৰ বক্তব্যত জনাইছিল । আঢ়েশ খন দৰ্খাস্তৰ ভিতৰত ১৫০ জন বড়ো ছাত্ৰ সন্থাৰ সমৰ্থকে পালেও তেওঁলোকে কাম-কাজত ব্যস্ত হৈ থাকিলহেঁতেন বুলি তেখেতৰ বক্তব্যত জনাইছে । আমাৰ এ, টি, ডি এৰ ক্ষেত্ৰত মই আগতেই কৈছো যে আমাৰ এই বিভাগটো এটা আৰম্ভনি অৱস্থাত থকাৰ কাৰণে আৰু তাত ষ্টাফ কম হোৱাৰ কাৰণে আমাৰ আঁচনি বিলাক সঠিক ভাৱে কাৰ্য্যত ৰূপায়ন কৰিব পৰা নাই । আৰু এই ক্ষেত্ৰত আমাৰ মাননীয় সদস্য সুৰেণ স্বৰ্গীয়াৰীকে ধৰি কেবাজনো সদস্যই বক্তব্য ৰাখিছে । যিহেতু নতুনকৈ আৰম্ভ কৰা হৈছে সেয়েহে আমি প্ৰয়োজনীয় ষ্টাফ দিয়াৰ ব্যৱস্থা কৰিম । আমাৰ মাননীয় সদস্য বিনায়খুংগুৰ ডাঙৰীয়াই ছাত্ৰ ছাত্ৰী সকলৰ স্কলাৰচিপৰ ক্ষেত্ৰত তেখেতৰ বক্তব্য ডাঙি ধৰিছে সেই ক্ষেত্ৰত মই জনাব বিচাৰিছো যে আমাৰ মেট্ৰিকৰ ওপৰত যিখিনি ছাত্ৰ-ছাত্ৰী আছে সেই খিনিয়ে স্কলাৰচিপ পাইছে অৱশ্যে মেট্ৰিকৰ তলত কিছুমানে বৃত্তি নোপোৱাতো সঁচা কথা । কাৰণ আবন্টিত ধন যিখিনি আছে সেইখিনিৰে নহয়, কিছু কম আছে আৰু এইটো যাতে বৃদ্ধি কৰিব পৰা যায় এই সম্পৰ্কে ভাৰত চৰকাৰলৈ লিখিব লাগিব । কিয়নো এইটো ভাৰত চৰকাৰৰ আবন্টন ধন । গতিকে মেট্ৰিকৰ তলৰ প্ৰত্যেকজন ছাত্ৰ-ছাত্ৰীয়ে যাতে স্কলাৰশ্বিপ পায় তাৰ কাৰণে আমি যোগা-যোগ কৰিম । ইয়াৰ উপৰি আমাৰ বিনয়াখুংগুৰ বসুমতাৰী ডাঙৰীয়াই জনজাতীয় সমস্যা সমাধানৰ একমাত্ৰ উপায় স্বকীয়া ৰাজ্য গঠন কৰা বুলি উল্লেখ কৰিছে । মই ভাবো যে এনে

স্বকীয়া ৰাজ্যাই যে জনজাতি লোক সকলৰ সৰ্ব্বাঙ্গীন উন্নতি সাধন কৰিব সেইটো মই বিশ্বাস নকৰো।

আমাৰ পূৰ্ব্বৰ অসমখন বৰ ডাঙৰ আছিল। এতিয়া ভাগ ভাগ হৈ নতুন ৰাজ্যৰ সৃষ্টি হৈছে আৰু তেওঁলোকে যথেষ্ট সমস্যাৰ সন্মুখীন হৈছে। আপোনালোকে নিশ্চই অধ্যয়ন কৰিছে যে সেই ৰাজ্য সমূহত কিছুমান জলন্ত সমস্যাই দেখা দিছে। যদি এখন ৰাজ্য হিচাবে অসমখন থাকিলে হেতেন, তেতিয়া হ'লে নিশ্চই সমস্যা নহ'ল হেতেন। আমাৰ মাননীয় সদস্য শ্ৰীপদ্ম নাথ কৈৰী ডাঙৰীয়াই টি, এণ্ড এক্স, টি গাৰ্ডেনৰ ধন কম আৰু লগতে মাননীয় সদস্য শ্ৰীচিলভিয়াচ কন্দপান ডাঙৰীয়াইও কৈছে ৪২/৪৭ বিভিন্ন ধৰণে গৈছে। জনসাধাৰণৰ মতে টি আৰু এক্স টি গাৰ্ডেনত আগৰ জনসংখ্যাৰ ধনেই আছে। কেনে ধৰণে আমাৰ ৰাজ্য চৰকাৰক সহায় কৰিব পাৰে, অন্য শিতানৰ পৰা তেখেত সকলক সহায় কৰা নহ'ব সেইটো নহয়। মাননীয় সদস্য পদ্ম নাথ কৈৰী ডাঙৰীয়াই টি আৰু এক্স টি গাৰ্ডেনত সময়ে সময়ে বিষয়াসকলে ধন আত্মসাৎ কৰাৰ কথা কৈছে। যদি কোনোবাই তেনেকুৱা কৰিছে আৰু তাৰ প্ৰমাণ দিব পাৰে তেতিয়া হলে আমি ব্যৱস্থা লবৰ বাবে আগ বাঢ়িব পাৰো। মাননীয় সদস্য শ্ৰীভৰত নৰহ ডাঙৰীয়াৰ লগতে কেবাজনো মাননীয় সদস্যাই আবণ্টন ধনৰ প্ৰস্তাব আনিছে। বেকলগ সম্পৰ্কে মই ছুটিকৈ দুটামান কথা কব বিচাৰিছো। এই ক্ষেত্ৰত জনজাতি পাহাৰীয়া সকলৰ কাৰণে ৰিজাৰভেশ্বন আছে। সেইমতে আমাৰ শিক্ষিত ল'ৰা-ছোৱালী বা শিক্ষিত ব্যক্তি চাকৰী-বাকৰি পাব লাগিছিল। ইয়াৰ সংখ্যা ১১ হেজাৰ দিয়া হৈছে। এইটো মই অনুসূচিত জাতি আৰু জনজাতিৰ বিধান সভা সমিতিৰ চেয়াৰমেন থাকোতে দিয়া হিচাব। মুঠ ৪২ টা বিভাগৰ অনুসূচিত জাতি, জনজাতি আৰু পাহাৰীয়া সকলৰ বেকলগ সম্পৰ্কে দিয়া হৈছে। আপোনালোকে জানে যে অসমৰ জনসাধাৰণৰ গুৰুত্ব পূৰ্ণ সমস্যাৰ উদ্ভৱ হৈছে। এইটো অসম গণ-পৰিষদ চৰকাৰৰ তিনি বছৰীয়া শাসন কালত উদ্ভৱ হোৱা সমস্যা নহয়। আমাৰ এক্ট কেতিয়া পাছ হৈছে আপোনালোক সকলোৱে জানে। তাৰ আগৰ পৰা আমাৰ বিভাগ সমূহত যিবিলাক নিযুক্তি হৈছিল সেই নিযুক্তি সমূহ জনজাতি বা পিচপৰা শ্ৰেণীৰ লোকক নিযুক্তি দিয়াত বৈষম্য আছিল। যদি আমাৰ চৰকাৰে দায়িত্ব ভাৰ গ্ৰহণ কৰাৰ পিচত এইটো হ'ল হেতেন, তেতিয়া হ'লে এই বেকলগ পূৰণ কৰিব পাৰিলে হেতেন। কিন্তু এইটো বহু দিনৰ পৰা

স্তূপীকৃত হৈ আছে। মই শিক্ষা বিভাগৰ উদাহৰণ দিব বিচাৰিছো। ভাত ১৫ শ বেকলগ্ আছে। এইটো পূৰণ কৰিবলৈ হলে একে দিনাই ১৫ শ পোষ্ট মোলায় আৰু সেইটো দিব নোৱাৰে। যদি অকল অনুসূচিত জাতিৰ লোককেই নিযুক্তি দিয়া যায়, তেতিয়া হ'লে অন্য সম্প্ৰদায়ৰ লোকসকলে বিদ্ৰূপ কৰিব। কমিটিয়ে যিটো পৰামৰ্শ আগবঢ়াইছে আৰু গ্ৰহণ কৰিছে শতকৰা ১০ ভাগ শতকৰা ৫ ভাগ সেই মতে কৰা হয়। অনুসূচিত জাতিৰ শতকৰা ৭ ভাগ অনুসূচিত জনজাতিৰ শতকৰা ১০ ভাগ পাহাৰীয়া জনজাতিৰ কাৰণে শতকৰা ৫ ভাগ এইদৰে ৰিজাৰ্ভেশ্বন আছে। যদি পোষ্ট খালি হয় তেতিয়া আমি বিভিন্ন বিভাগত দিবলৈ সীমা বান্ধি দিছিলো। যদি শতকৰা ১০ ভাগ, ২০ ভাগ এনে ধৰণে হয়, তেতিয়া হলে বেকলগ্ পূৰণ নহলেও সংখ্যাটো কমিব। আমাৰ মাননীয় সদস্য শ্ৰীহেমেন দাস ডাঙৰীয়াই যিটো পৰামৰ্শ আগ বঢ়াইছে সেইটো বেয়া পৰামৰ্শ নহয়। এজন সদস্যক এক বছৰৰ খেচি ৰাখিব নেলাগে, কিন্তু কি হয় সেইটো জনোৱা নাই। এটা বিত্তীয় বছৰৰ পৰা আনটো বিত্তীয় বছৰলৈ ৰাখিব লাগে। তেতিয়া হলে সেই অঞ্চলৰ পৰা নতুন নতুন সদস্য আহিলে প্ৰকৃততে সেই সদস্যসকলে ক্ষেছটেড ইন্‌টাৰেষ্টেদ নহব। এইটো পৰামৰ্শ আগ বঢ়াইছে। অৱশ্যে মই এইটো কৰিব পাৰিলে ভাল হ'ব বুলি ভাবিছো। মাননীয় সদস্য শ্ৰীনীলমণি দাস আৰু শ্ৰীভবেন ভড়ালী ডাঙৰীয়াই এলিলট অথ'ৰিটিৰ কথা কৈছে। আমাৰ ডবলিউ, পি, টি, এণ্ড বি, টি বিভাগৰ এইটো নাই। যদি এইটো থাকে ভৱিষ্যতে জন-জাতি, অনুসূচিত জনজাতি সকলৰ নিযুক্তিত অলপ ভয় পালেহেঁতেন। এইটো ফলপ্ৰসূ পৰামৰ্শ আগ বঢ়াইছে। মাননীয় সদস্য শ্ৰীদীলেশ্বৰ তাঁতী ডাঙৰীয়াই অ, বি, চি, ৰ মেম্বাৰৰ বিষয়ে কৈছে। যদি তেনেকুৱা কিবা আছে দাখিল কৰাত কোনো অসুবিধা নাথাকিব। মাননীয় সদস্য শ্ৰীসুৰেণ সৰ্গীয়াৰী ডাঙৰীয়াই কৈছে বহুত গাওঁ অনুসূচিত গাওঁ থাকে, কিন্তু আইডেনটিফাইড ভিলেজ নাই। তেখেত সকল সাহাৰ্য্যৰ পৰা বঞ্চিত হৈছে। এই ক্ষেত্ৰত ৰাজ্য চৰকাৰে কাৰ্য্যকৰী ব্যৱস্থা লব বিচাৰিছে। কাৰ্য্যকৰী ব্যৱস্থা লোৱাৰ সময়ত অনুসূচিত জাতি আৰু জনজাতিৰ কাউন্সিলত উত্থাপন কৰা হয় আৰু কিবা পৰামৰ্শ থাকিলে তেখেত সকলৰ পৰা পৰামৰ্শ লম বুলি ভাবি থৈছো। মাননীয় সদস্য গোলাম ওচমানি ডাঙৰীয়াই চৰকাৰৰ সমস্যা বেছি হৈছে বুলি কৈছে। ইয়াৰ আগতে বিশেষকৈ জনজাতিক কিমান গুৰুত্ব দিছিল মই নাজানো।

আমাৰ মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াই এই অনুসূচিত জাতি আৰু জনজাতিৰ প্লেইনচ আৰু হিলচৰ কাৰণে যি ৰিজাৰ্ভেশ্বন আছে তাৰ ওপৰত মুখ্য সচিবকে আৰম্ভ কৰি উচ্চ পৰ্য্যায়ৰ বিষয়া সকলক মাতি আলোচনা কৰি এইটো যাতে ভায়োলেট নকৰে এখন সভা পাতি তাৰ বিষয়ে কৈছে। তাৰ মাইনুটচ সকলোলৈকে পঠাইছে।

